REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

## NO. 28

The 31th. March, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 28

Dated the 31th March, 1979.

CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 57 |
| 2. | Miscellaneons ... ... ... ... | 58 |
| 3. | Statement by chief Minister ... ... ... | 59—65 |
| 4. | Calling Attention ... ... ... | 66—72 |
| 5. | Matter Under Rule 301 ... ... ... | 73—84 |
| 6. | Discussion under Rule—50 ... ... ... | 85—106 |
| 7. | Statement by Minister ... ... ... ... | 107—113 |
| 8. | Resolution ... ... .. | 114—148 |
| 9. | Adjournment ... ... ... | —149 |



REFERENCE
NOT FOR ISSUE
LIBRARY

Proceedings of the third Session of the Assam Legislative Assambly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Saturday, the 31st March, 1979 with the Hon. Deputy Speaker in the Chair, 11 ( eleven ) Ministers 4 (four) Ministers of State, 4 ( four ) Parliamentary Secretries and 81 ( eighty one) Members presents.

—

## STARRED QUESTIONS AND ANSWERS

Date : 31st March, 1979

( To which oral answers are given )

—

বি ঃ খেতি কৰি জীবিকা নিৰ্বাহ কৰা লোক

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :—

*৪২৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত খেতি কৰি জীৱিকা নিৰ্ব্বাহ কৰা লোকৰ সংখ্যা কিমান ?

(খ) এই খেতিয়ক সকলৰ কিমানজনে আধুনিক সাৰ ব্যৱহাৰ কৰে ?

(গ) সাৰ ব্যৱহাৰৰ অনুপাতত উৎপাদনৰ পৰিমান বৃদ্ধি হৈছেনে ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :—

৪২৮। (ক)-১৯৭১ চনৰ পিয়ল মতে ২২,৮৩,৬৯৮ জন।

(খ)-ইয়াৰে প্ৰায় ১০-১২ শতাংশ খেতিয়কে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰে বুলি অনুমান কৰা হয়।

(গ) হয়, হৈছে।

Shri Golok Rajbanshi :—The Minister is not there to answer the question.

Mr. Deputy Speaker—The Minister has Requested to allow Mr . Condpan to reply 3 questions and Shri Afzalur Rahman 2 questions.

শ্ৰীযোগেন গগৈ:—উপাধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্ন বিলাকৰ উত্তৰ নাপাম নেকি ?

Shri Golok Rajbanshi :— I raise a point of order whethere the parliamentary Secretary is authorised to reply on behalf of Minister.

Shri Nagen Barua :— Whether there is any ruling that the Parliamentary Secretaries are not allowed to answer questions.

( interruptions )

Mr. Deputy Speaker :— I just read the rule. The defination of Minister is, "Minister", means a member of the Council of Ministers, a Minister of State, a Deputy Minister or Parliamentary Secretary". As such he can reply.

শ্ৰীগোলোক ৰাজবংশী :— পাৰ্লিয়ামেণ্টৰি চেক্ৰেটৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত উন্নয়ন কৰা হৈছে বুলি কৈছে। কিমান মানুহে সাৰ ব্যৱহাৰ কৰিছে ইয়াৰ হিচাব আছেনেকি ?

শ্ৰীচিলভিয়াচ কন্দপান, (সংসদী সচিব) :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই নিশ্চয় জানে যে, অসমৰ জনসংখ্যাৰ প্ৰায় ৮০।৯০ শতাংশই খেতি কৰে আৰু বেছি ভাগ খেতিয়কে সাৰ ব্যৱহাৰ কৰে।

শ্ৰীগোলোক ৰাজবংশী :— উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ খেতিয়কৰ সংখ্যা কিমান আৰু কিমানজন খেতিয়কে সাৰ ব্যৱহাৰ কৰে ইয়াৰ হিচাব আছেনে ?

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, মই কৈছো যে, আমাৰ বেছিভাগ খেতিয়কে সাৰ ব্যৱহাৰ কৰে।

শ্ৰীগোলোক ৰাজবংশী :— উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে যে, কিমান সংখ্যক মানুহে সাৰ ব্যৱহাৰ কৰে।

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, ৮০।৯০ ভাগ খেতিয়কৰ ভিতৰত প্ৰায় ৫০ ভাগতকৈও অধিকে সাৰ ব্যৱহাৰ কৰে।

শ্ৰীযোগেন গগৈ :— উপাধ্যক্ষ মহোদয়, আমাৰ অসম ৰাজ্যত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰা হয়, এইটো বৰ ভাল হৈছে। অসমতে উন্নত ধৰণৰ সচঁ সৃষ্টি কৰাৰ কাৰণে খেতিয়ক সকলক দায়িত্ব দিয়া হৈছেনেকি ?

আৰু মই জানিব বিচাৰিছো যে, অসমৰ পৰা কিমান উন্নত সঁচ বাহিৰলৈ চাহিদা পূৰণৰ কাৰণে পঠোৱা হয়? আৰু অসমৰ কাৰণে কিমান সঁচৰ প্ৰয়োজন হয় এইটো জনাবনে ?

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, প্ৰশ্নটো পৰিস্কাৰ হোৱা নাই।

শ্ৰীযোগেন গগৈ :— উপাধ্যক্ষ মহোদয়, কথাটো হ'ল যে, আমাৰ অসমত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাৰ ব্যৱস্থা কৰিছে। এই পদ্ধতিৰে খেতি কৰিবলৈ হলে উন্নত সঁচৰ প্ৰশ্ন জৰিত হৈ আছে। অসমত যিমান বিলাক উন্নত সঁচৰ প্ৰয়োজন সিমানখিনি সঁচ যোগান ধৰিব পৰা ব্যৱস্থা হৈছেনে ? আৰু অসমৰ বাহিৰৰ ৰাইজেও এই সঁচ ভাল বুলি চাৰটিফাই কৰি এই সঁচ নিয়াৰ ব্যৱস্থা কৰিছেনেকি ?

চিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, তেনেধৰণৰ দিমান্দ বাহিৰৰ পৰা অহা নাই। আৰু যদি আহে তেনেহলে উন্নত সঁচ বাহিৰলৈ পথাবৰ কাৰণে নিশ্চয় চেষ্টা কৰিম।

শ্ৰীফণি মেধি :— উপাধ্যক্ষ মহোদয়, মই সংসদী সচিব মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ অসমৰ জনসংখ্যা ১ কোটি ৭০ লাখ। তাৰ ভিতৰত শতকৰা ৮০ ভাগ মানুহে খেতি কৰে বুলি কৈছে। এই হিচাবত আমাৰ ২২ লাখ মানুহে খেতি কৰে নেকি ? প্ৰকৃততে অসমত কিমান মানুহে খেতি কৰে তাৰ এটা হিচাব দিবনে ?

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, এইটোৰ হিচাব মাননীয় সদস্যই পাইছে।

( ভইচঃ অংক কৰি চালেই হয় )

শ্ৰীগোলক ৰাজবংশী :— উপাধ্যক্ষ মহোদয় আমাৰ খেতিয়ক সকলে সাৰ ব্যৱহাৰ কৰাৰ কথা কৈছে। অসমত সাৰ যে ব্যৱহাৰ কৰে তাৰ হিচাব ৰাখিবলৈ অফিচ আছেনে নাই আৰু সাৰ যোগান ধৰাৰ পিচত সেই সাৰ বিলাকৰ ঠিক মতে প্ৰয়োগ কৰা হৈছে নে নাই সেইটো চাবৰ কাৰণে ব্যৱস্থা আছেনে ?

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, আমাৰ বিভাগে সেই সাৰ বিলাকৰ ঠিক মতে প্ৰয়োগ হৈছেনে নাই, সেইটোৰ হিচাব ৰাখে।

শ্ৰীৰণেন বসুমতাৰী :— উপাধ্যক্ষ মহোদয়, আমি জানিব বিচাৰিছো যে, তেখেতে উৎপাদন বৃদ্ধি হৈছে বুলি কৈছে। এই বৃদ্ধিৰ হাৰ কেনেকুৱা নিৰিখত বৃদ্ধি হৈছে ইয়াৰ কিবা ষ্টেটিকটিচ আছেনে নাই আৰু কি তথ্য পাতিৰ ওপৰত ভিত্তি কৰি উৎপাদন বৃদ্ধি হোৱাৰ কথা কৈছে ? কোন বছৰত কিমান উৎপাদন বৃদ্ধি হৈছে ? আমাক পাঁচ বছৰৰ হিচাব দিবনে ?

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, উৎপাদন বৃদ্ধি হোৱাৰ সঠিক তথ্যপাতি মাননীয় সদস্যক জনোৱা হব।

মহম্মদ ছামছুল হুদা :— উপাধ্যক্ষ মহোদয়, সংসদী সচিব মহোদয়ে কৈছে যে, অসমৰ শতকৰা ৫০ ভাগ খেতিয়কে সাৰ ব্যৱহাৰ কৰে। বোধকৰো তেখেতৰ হাতত নিশ্চয় তাৰ হিচাব আছে। তেখেতে অনুগ্ৰহ কৰি জনাবনে যে, এই ৫০ ভাগ খেতিয়কে কিমান পৰিমানৰ সাৰ ব্যৱহাৰ কৰিছে আৰু কোন বিধৰ সাৰ ব্যৱহাৰ কৰিছে ?

শ্ৰীচিলভিয়াচ কন্দপান (সংসদী সচিব) :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যাই বৰ ভাল প্ৰশ্ন কৰিছে এই সকলো তথ্যপাতি মাননীয় সদস্যক জনাম।

## RE: PROVINCIALISATION OF THE SERVICES OF TEACHERS OF HIGH SCHOOLS

Shri Binoy Kumar Basumatari Asked :—

*429. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that only the services of teachers in the High Schools in the State were Provincialised from 1st October, 1977?

(b) If so, whether it is a fact that Government issued instructions to the concerned authority prior to the provincialisation of schools teachers not to appoint teachers during August and September, 1977?

(c) If so, whether it is a fact that teachers were appointed during these two months in the Harisinga High school under the Darrang District Circle Tezpur?

(d) If so, whether the Government will regularise such illegal appointment?

(e) If so, whether the violators of Government instructions will be punished accordingly?

Shri Lakshyadhar Choudhury ( Minister, Education ) replied :—

429 (a)—Yes.

(b)—Yes.

(c)—Yes, appointment of one teacher against one non-sanctioned post of the school was approved by Inspector of schools, Darrang District Circle, Tezpur.

(d)— The post has not been sanctioned yet. Government will look into the matter and take such action as considered necessary.

(e)—The Inspector of schools being asked to explain the reason for approval of the post violating the orders. Necessary action will be taken on receipt of his explanation.

Shri Binoy Kumar Basumatari — Mr. Deputy Speaker, Sir, in reply to Question No. 429(a) the Minister has said, 'Yes', but the issue of provincialisation is not clear to the people and as a result the existing headmaster had acquired property belonging to the Mission with the plea that the Government had taken over the entire property. Will the Hon. Minister kindly clarify whether properties of the Christian Mission also go under

Government under this provincialisation ?

Shri Lakhyadhar Choudhury (Minister) : – Sir, it is a separate question but as I came to know about this anomaly from the Hon. Member I have already called for the facts

Shri Binoy Basumatary :—Sir, is the Hon'ble Education Minister aware that in violation of the Government Circular some teachers were appointed during the months August and September, 1977 all throughout the State ?

Shri Lakhyadhar Choudhury (Minister) :— We have some information and we are asking for explanation from the different institutions.

Shri Premadhar Bora :— Sir, if appointments are going on in violation of Government circular what drastic action against the authority is proposed to be taken by the Government ?

Shri Lakhyadhar Choudhury (Minister) :— Sir, I have already said in my reply that necessary actions will be taken on receipt of explanation.

Shri Dewan Joynal Abedin :— Sir, will the Hon'ble Minister let us know whether the Government has provin-

cialised only the services of the teachers or everything relating to the High Schools and Secondary Schools and whether a set of statutory Service rules have been framed for the provincialised school teachers ?

Shri Lakhyadhar Choudhury (Minister) :—Sir, uptil now only the teachers are provincialised. Rules have been framed but these are under the scrutiny of the department.

শ্ৰীহেমেন দাস :-- প্ৰাদেশীকৰণ কৰাৰ পিচত এই বিলাক স্কুলত শিক্ষক নিয়োগৰ কাৰণে চৰকাৰে কি নীতি গ্ৰহণ কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— আগতে মেনেজিং কমিটি আছিল কিন্তু প্ৰাদেশীকৰণ কৰাৰ পাচত এই মেনেজিং কমিটি বিলাক ডেভেলপমেণ্ট কমিটিৰ নিচিনা হ'ল। আৰু সেই কাৰণে লোকেল এডভাৰটাইজ কৰি কৃতি যি সকলক লোক তেওঁলোকক পৰিদৰ্শকৰ অনুমোদনলৈ প্ৰধান শিক্ষক সকলে দি আছে ।

Shri Prasad Doloi :— Sir, at that stage who was appointing authority of these teachers ? Whether the Managing Committee or the Inspector himself ?

Shri Lakhyadhar Choudhury (Minister) :— At that time the appointing authority was the Inspector and the Headmaster.

শ্ৰীহেমেন দাস :—নিয়োগ সম্পৰ্কে কোনো নীতি নথকাত অচলাৱস্থাৰ সৃষ্টি হৈছে । নিয়োগ সম্পৰ্কে কাৰ অধিকাৰ আছে কোনেও নেজানে ।

অহ'তা সম্পন্ন লোকক বাদ দি আমাৰ লেখিয়া এম এস এ বা প্ৰভাৱশালী লোকৰ হেচাত পৰি পৰিদৰ্শক সকলে বহুত ক্ষেত্ৰত কম যোগ্যতা সম্পন্ন লোককো নিযুক্তি দিব ধৰিছে যাৰ ফলত অসমৰ ভৱিষ্যত আন্ধাৰ হৈ যাব বুলি চৰকাৰে নাভাবে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :—মাননীয় সদস্যসকলৰ হেচাত পৰি অন্যায় কাম কৰা বুলি ভবা নাই। কাৰণ তেখেত সকলে অন্যায় কমে নকৰে বুলি মোৰ দৃঢ় বিশ্বাস।

Shri Ramendra Narayan Basumatary :—Sir, with Reference to this particular School whether it is a fact that the Managing Committee and the Inspector of Schools, Darrang District and the Managing Committee of the Harisingha High School did appoint with full knowledge that this provincialisation would be effective from October ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— এইটো চাব লাগিব। কাৰণ এক্সপ্লেনেচন বিচৰা হৈছে, সেই কাগজ পাতি পালে ধৰিব পৰা হব।

শ্ৰীহেমেন দাস :—উপাধ্যক্ষ মহোদয়, মই দেখুৱাই দিব পাৰো কোনো কোনো স্কুলত বি এ বিটি এম এ বিটি আৰু অনাৰ্চ থকা স্বত্বেও তেনে প্ৰাৰ্থীক নিয়োগ নকৰি সাধাৰণ গ্ৰেজুৱেটক নিয়োগ কৰিছে। মন্ত্ৰী মহোদয়ে তেতিয়া কি ব্যৱস্থা লব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— উপযুক্ত ব্যৱস্থা লোৱা হব।

শ্ৰীফণি মেধি :— মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে সদস্য সকলৰ হেচাত তেনে কাম হব নালাগে। কিন্তু নিয়োগৰ ক্ষেত্ৰত সম্পূৰ্ণ কৰ্তৃত্ব পৰিদৰ্শকক দিয়াৰ ফলত পৰিদৰ্শক সকলে

কিছুমান ঠাইত অন্যায়ো হৈছে। মন্ত্রী মহোদয়ে এই বিষয়ে তদন্ত কৰি চাবনে আৰু যদি ইৰেগুলাৰ এপইণ্টমেণ্ট সেইবিলাকৰ কি ব্যৱস্থা কৰিব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— এপইণ্টমেণ্ট ইৰেগুলাৰ হব পাৰে কিন্তু যদি অন্যায়মূলক হৈছে তাক বাতিল কৰা হব।

Shri Binoy Kumar Basumatary :—Sir, in reply to sub question (c) the Hon'ble Minister has confirmed that one appointment was made. But, sir I have one letter with me which says that one Mrs. Rupali Basumatari was appointed on 8th August 1977 by the Headmaster but she has not been paid till date. Instead one person was appointed on 30th September and he has been paid. The previous person has not been paid till date and she has been removed from school service.

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— এই বিষয়ে তদন্ত হৈছে। সম্পূৰ্ণ কাগজপাতি পালে ব্যৱস্থা কৰা হব।

## RE : MODEST SCHEME OF RS. 41·00 LAKHS FOR ASSAM CO-OPERATIVE JUTE MILLS LTD. SILGHAT

Shri Biresh Misra asked ;—

*430. Will the Minister, Co-operation be pleased to state—

(a) Whether it is a fact that a Mammoth Plan of Rs.

41.00 lakhs ( revitalisation scheme ) is taken up by the new Managing Director of the Assam Co-operation Jute Mills Limited, Silghat and a part of the amount has already been sanctioned by the Government ?

(b) Whether it is a fact that in this utopian plan covering 5 years, not a single paise has been earmarked for the betterment of the workers ?

(c) If so, why did the Government Sanction the aforesaid amount ?

Shri Soneswar Bora (Minister, Co-operation ) replied ?
শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ—

403. (a)—It is a fact that the present Managing Director of the Assam Co-operative Jute Mills Limited Silghat has drawn up a modest scheme of Rs. 41.00 lakhs on the line suggested by the officers Committee in view of the minimum needs of the Mill for making the Industry a viable one.

(ক)—হয়, অফিচাৰ্চ কমিটিৰ পৰামৰ্শ মতে অসম সমবায় মৰাপাট কলৰ সঞ্চালকে কলটোৰ অৱস্থা টনকিয়াল কৰিবৰ বাবে ৪১ লাখ টকাৰ এটা আঁচনি আগবঢ়াইছে।

(b)—An amount of Rs. 11.30 lakhs has been earmarked for payment of workers wages and bonus in the scheme.

(খ)—কৰ্মচাৰী সকলৰ বেতন আৰু বনাচ দিয়াৰ বাবে ১১.৩০ লাখ টকা আঁচনিখনত চিহ্নিত কৰা হৈছে।

(c)—Government sanctioned Rs. 38.66 lacs out of the pr posed amount of Rs. 100 lacs (Rs. 11.75 lacs in November 1978 and Rs. 26.91 lacs in March this year). The amount is meant for making the Mill a viable concern mainly in the interest of the workers and in the interest of the employment of the rural poor.

(গ) - প্ৰস্তাবিত ৪১ লাখ টকাৰ ভিতৰত ৩৮.৬৬ লাখ টকাৰ মঞ্জুৰী দিয়া হৈছে, তাৰে ভিতৰত ১১.৭৫ লাখ যোৱা নবেম্বৰ মাহত আৰু ২৬.৯১ লাখ এই মাৰ্চ মাহৰ ভিতৰত মঞ্জুৰী দিয়া হৈছে। আঁচনিখনৰ মুখ্য উদ্দেশ্য হল কলটো সবল কৰা আৰু লগে লগে যাতে ইয়াৰ কৰ্মী সকলো উপকৃত হয়। ইয়াৰোপৰি এইটোও উল্লেখ কৰিব পাৰি যে আঁচনিখন কাৰ্যকৰী হলে দুখীয়া গ্ৰাম্য লোকৰ নিয়োগ ক্ষেত্ৰত কিছু সহায় হব বুলি আশা কৰিব পাৰি।

শ্ৰীবীৰেশ মিশ্ৰ :— মন্ত্ৰী মহোদয়ে জানে নেকি এই জুটমিলত যি সকল কৰ্মী আছে তেওঁলোকক দিয়া হয়। কৰ্মী সকলৰ বোনাচ আৰু ওৱেজৰ কাৰণে ১১ লাখ দিয়া হৈছে বুলি কৈছে কিন্তু তেওঁলোকৰ বেতন বৃদ্ধি আদিৰ কাৰণে বা অন্য সাসুবিধাৰ কাৰণে পইছা মঞ্জুৰী হোৱা নাই আৰু সেই কাৰণে শ্ৰমিক সকলে সিদিনা ইয়ালৈ আহি ধৰ্ণাও দিছিল। দ্বিতীয় প্ৰশ্ন হৈছে এই জুট মিলে কিমান টকা লোকচান দিছে?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী) :- উপাধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত সংসদী সচিবে কৈয়ে গৈছে মই জনাব বিচাৰিছো, তেখেত সকলে অৱশ্যে ৪১ লাখ টকাৰ আচনি কৰি দিছিল আৰু আমি তাক কিছুমান

কনদিচন দি গ্ৰহণ কৰিছো আৰু টকাও আগবঢ়াইছো। এই মিলটোৰ অৱস্থা খুব বেয়া দেৰ কোটি টকা লোকচান হৈছে আগতেই। আৰু সেই কাৰণে এই সকলোবিলাক পৰীক্ষা কৰি ৪১ লাখ টকাৰ আচনি দিছে আৰু তাৰ পৰা লাভ হব বুলি আশা কৰা হৈছে। যদি ইয়াৰ পৰা লাভ হয়, তেনেহলে কৰ্ম্মচাৰী সকলক টকা দিব পৰা হব। বৰ্ত্তমান অৱস্থাত যি টকা দিয়া হৈছে দৰ্ম্মহা দিবৰ কাৰণেই দিয়া হৈছে। যদি জুটমিলে লাভ দেখুৱাব পাৰে তেনেহলে নিশ্চয় কৰ্ম্মচাৰী সকলৰ কথা চিন্তা কৰা হব। কিন্তু বৰ্ত্তমান অৱস্থাত মিলটোৰ যি অৱস্থা এই অৱস্থাত দৰ্ম্মহা বৃদ্ধি কৰা কথাটো চিন্তা কৰা হোৱা নাই।

শ্ৰীপ্ৰেমধৰ বৰা :— মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে সমবায় ভিত্তি গঢ়ি উঠা শিলঘাটৰ মৰাপাট কলটোৱে ইতিমধ্যে ডেৰকোটি টকা লোকচান কৰিছে। এতিয়া আকৌ ৰি- াইৰে লাইজ স্কীমত ৪১ লাখ টকা দিব লগা হৈছে। গতিকে বছৰি বছৰি লোকচান হৈ থকা এই সমবায় ভিত্তিৰ কলটো লোকচান হোৱাৰ কাৰণ সমূহ অধ্যয়ন কৰি যাতে লোক-চান নহয় আৰু এই মৰাপাট কলটো স্থায়ী কৰি অৰ্থনৈতিক আৰু কৰ্ম্ম সংস্থানৰ সুব্যৱস্থা হয় তাৰ ব্যৱস্থ কৰিব নে ?

Shri Jagannath Sinha (Minister) :— Two days back there was a discussion with the representatives of the Workmen, Minisier co-operation and myself and in that discussion, it has been decided to hold a diagnostic study of the Mill by appointing authority and Consultancy firm

শ্ৰীবিৰেণ মিশ্ৰ :— এই যে আপনারা আলোচনা করলেন সেই আলো-চনায় শ্ৰমিকদের দাবি কি কি ছিল এবং আপনারা সেই দ.বীগুলি কিভাবে বিবেচনা করছেন ?

শ্রীজগন্নাথ সিন্‌হা (মন্ত্রী) ঃ— শ্রমিকদের দাবী ছিল—(১) আগে যেসব কল্লাপ্‌শন ছিল সেগুলির তদন্ত করা এবং (২) ৩০ টাকা হারে তাদেরে ইণ্টেরিম বেনিফিট দেওয়া। - এই দুটো ব্যাপারে তাদের সঙ্গে আলোচনা হয়েছে এবং সেই আলোচনায় তা।া সন্তুষ্ট হয়েছে।

শ্রীবীরেশ মিশ্র :— এই ৩০ টাকা দেওয়ার ব্যাপারে আপনারা কমিট্ করেছিলেন কি ?

শ্রীজগন্নাথ সিন্‌হা (মন্ত্রী) ঃ— হ্যাঁ। সরাকার সেটা বলেছিল এবং এই ব্যাপারটা বোর্ডে রেফার করা হয়েছে,- বোর্ডে সেটা বিবেচনা করে দেবে।

শ্রীশশকমল সন্দিকৈ ঃ— এই মৰাপাট কলটোৰ যোৱা ৫ বছৰে কোনো হিচাব-পত্ৰ বা অডিট কৰা নাই , বেলেন্স চিট প্ৰস্তুত কৰা নাই। এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে বেলেগ চিট প্ৰস্তুত নকৰাৰ কাৰণে কোম্পানী ৰুল ভায়লেট কৰাৰ কাৰণে যিসকল বিষয়া দায়ী তেওঁলোকৰ ওপৰত ব্যৱস্থা লবনে ?

শ্রীকেশৱ গগৈ (মন্ত্ৰী) :— এই কথাটো সঁচা যে মৰাপাট কলটোত বহুতো আসোঁৱাহ আছে। ফাইনেন্স টেক্স, চেলচ টেক্স আৰু বেংকৰ ধাৰ পৰিশোধ কৰা নাই। এই গোটেইবিলাক ষ্টাডি কৰা হব। এই ৪১ লাখ টকা পালে তেওঁলোকে কলটো পুনৰজীৱিত কৰিব পাৰিব।

শ্রীবানেশ্বৰ শইকীয়া ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ৪১ লাখ টকা মঞ্জুৰ হিচাবে দিছেনে ঋণ হিচাবে দিছে ?

শ্রীকেশৱ গগৈ (মন্ত্ৰী) ঃ—মই যিমানদুৰ জানো এইটো ঋণ হিচাবে দিয়া হৈছে। গ্ৰেন্ট হিচাবে দিয়াৰ প্ৰশ্ন নুঠে।

শ্ৰীগোলক ৰাজবংশী :— এই কলটোৰে যে লোকচান কৰি আছে তাৰ কাৰণ নজনাকৈ বা কাৰণ অধ্যয়ন নকৰাকৈ যুক্তিসঙ্গত চাৰ্টিফিকেট কোনে দিলে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কাৰণৰ ডিটেইল ইতিমধ্যে অধ্যয়নৰ ব্যৱস্থা কৰা হৈছে। কিন্তু কিছু কাৰণ নতুন পৰিচালক মণ্ডলীৰ চকুত পৰিছে। তাৰ ভিতৰত হল বহু যন্ত্ৰ-পাতি বিকল হৈ সেই অঞ্চলত পৰি আছে, কামত লগোৱা হোৱা নাই। আগতে যথাসময়ত মৰাপাট যেনেকৈ কিনি ৰাখিব লাগে সেইদৰে কিনি ৰখা হোৱা নাই। তদুপৰি শ্ৰমিকৰ কেপাচিটিত যিমান লাগে তাতোকৈ আঢ়ৈ শ মান শ্ৰমিক বেছি আছে। কাৰোবাক সন্তুষ্ট কৰিবৰ কাৰণে মানুহ লোৱাৰ পিচত খেদি পঠাব নোৱাৰো। এনেবিলাক কাৰণত লোকচান হোৱাৰ বহুতো কাৰণ আছে। এই গোটেই-খিনি কথা আকৌ আলোচনা কৰা হব।

শ্ৰীকুলবাহাদুৰ চেত্ৰী : - মন্ত্ৰী মহোদয়ে এই কথা জনাবনে যে এই মৰাপাট কলটোৰে ডেৰ কোটি টকা লোকচান ভৰাৰ পাচতো ৪১ লাখ টকা দিব লগা হৈছে মন্ত্ৰী মহোদয়ে এই বিষয়ে সম্পূৰ্ণ তদন্ত কৰি গোটেই মিলটোৰ পৰিস্থিতিত যি টকা-পইচা লোকচান হৈছে তাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— অকল মৰাপাট কলটো কিয়, এভাৰেষ্ট চাই-কেল ফেক্টৰীত কাম বন্ধ হৈ আছে কিন্তু দৰ্মহাৰ বাবদ ২-৩ লাখ টকা দি আছো। আমি শ্ৰমিক ভাইসকলক বিতাৰিত কৰিব নোৱাৰো। গতিকে মৰা-পাট কলটো বন্ধ কৰি দিলে সেই শ্ৰমিক ভাই সকলৰ কি অৱস্থা হব ? সেই কাৰণে এই ৪১ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিছো যাতে এই কলটো জীয়াই থাকিব পাৰে। গোটেই কাৰণ সমূহ উদ্‌ঘাটন কৰিম। আমি সদনৰ সদস্য সকলক জনাব খুজিছো যে আমি মৰাপাটৰ টেকনিকেল এক্সপাৰ্ট আনিব

বিচাৰিছো আৰু সেইটো হ'লে ঠিক হব বুলি আশা কৰিছো ।

শ্ৰীভবেন শইকীয়া :— মন্ত্ৰী মহোদয়ে কৈছে যে এই মৰাপাট কলটো ত যি টকা দিয়া হৈছে সেই টকাৰে উন্নয়ন মূলক কাম কৰিবলৈ পৰিচালক মণ্ডলীক আগবঢ়োৱা হৈছে কিন্তু মই জনাত ইয়াৰ আগতে সময়ে সময়ে যি টকা উন্নয়নৰ কাৰণে দিয়া হৈছে সেই টকা কৰ্ম্মচাৰী সকলক বেতন আৰু বনাচ দিওতেই গৈছে । মৰ পাট কিনি ৰখাৰ ব্যৱস্থা কৰা হোৱা নাই । এতিয়া মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই মৰাপাট কলটোৱে যি কাৰণত অচলাৱস্থাত পৰি আছে তাৰ কাৰণে অনুসন্ধান কৰাৰ কথা কৈছে । কিন্তু অনুসন্ধান কেনে ধৰণে হৈছে আৰু তদন্তত কেনেকৈ কিমান দূৰ আগবাঢ়িছে সেই সম্পৰ্কে জনাবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) : — এই টকা পইচা দিয়াৰ আগতে আমাৰ সমবায় মন্ত্ৰী শ্ৰীবৰা ডাঙৰীয়া, মই আৰু মৰাপাট কলৰ বিষয়া সকলৰ লগত আলোচনা কৰিছো আৰু তেওঁলোকৰ প্ৰতিশ্ৰুতি মতে এই টকাটো দিয়া হৈছে । এইটো কথা সত্য যে আগতে মৰাপাট কিনা টকাৰে দৰমহা দিব লগা হৈছিল : কিন্তু এইবাৰ আমাৰ কণ্ডিচন হল যি কাৰণত টকা দিয়া হব সেই কাৰণতহে খৰচ কৰা হব । এই স্বৰ্ত্তটো তেওঁলোকে মানি লোৱাৰ কাৰণে উক্ত টকাটো দিয়া হৈছে । অনুসন্ধানটো এতিয়াও সম্পূৰ্ণ হোৱা নাই । সময়ত সদনক জনাম ।

## বিঃ টিংখাঙত পূৰ্ণ পৰ্য্যায়ৰ পুলিচ থানা

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :—

*৪৩১ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) টিংখাঙত এখন পূৰ্ণ পৰ্য্যায়ৰ পুলিচ থানা লাগে বুলি প্ৰয়োজনীয় মাটি যোগাৰ দি ৰাইজে কৰা প্ৰস্তাৱ চৰকাৰে পাইছেনে ?

(খ) যদি পাইছে, এই চলিত বছৰৰ ভিতৰতে নিৰ্ম্মানৰ বাবে বিহিত ব্যৱস্থা লবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী য়ে উত্তৰ দিছে ঃ—

৪৩১। (ক)—হয়, পাইছে।

(খ)—এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ—ইয়াত কিমান টকা চেংচন কৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— টিংখঙত যে বেলেগ থানাৰ দৰকাৰ সেইটো উপলব্ধি কৰোঁ। জয়পুৰৰ পৰা বহু দূৰৈত সেই অঞ্চলটো অৱস্থিত। সেই কাৰণে তাত বেলেগ থানাৰ কাৰণে ইতিমধ্যে মাটি আদি দিয়া হৈ গৈছে আৰু থানাৰ বিষয়া, কনিষ্টবল থকাৰ কাৰণে ঘৰ সজাৰ ব্যৱস্থা হৈছে।

শ্ৰীপ্ৰেম বৰা ঃ— উপাধ্যক্ষ মহোদয়, প্ৰয়োজনীয় কেনে তথ্য-পাতিৰ ওপৰত ভিত্তি কৰি এখন প্ৰয়োজনীয় থানা স্থাপন কৰিব পাৰি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, একোটা অঞ্চলৰ জন সংখ্যা আৰু অপৰাধৰ গতিৰ ওপৰত ভিত্তি কৰি নতুন থানা বিলাক স্থাপন কৰাৰ কথা বিবেচনা কৰা হয়, লগতে টকা-পইচাৰ কথাটোটো সদায়েই থাকে।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন বসুমতাৰী ঃ—উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে যিহেতু জনসংখ্যা অতীৱ বৃদ্ধি হৈছে আৰু সেই অনুপাতে অপৰাধৰ সংখ্যাও অতীৱ বৃদ্ধি হৈছে। সেই অনুপাতে অন্যান্য

বিভাগবিলাক যেনেকৈ বিকেন্দ্ৰীকৰণ কৰা হৈছে এই ক্ষেত্ৰতো বিকেন্দ্ৰীকৰণ কৰি থানাৰ সংখ্যা বঢ়াই দি অপৰাধ কমোৱাৰ ব্যৱস্থা চৰকাৰে লবনে ? আৰু এই হিচাবে গোৱালপাৰা জিলাৰ কোকৰাঝাৰ মহকুমাত এখন নতুন থানা বঢ়োৱাৰ কাৰণে চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : — উপাধ্যক্ষ মহোদয়, থানা আউটপোষ্ট যে দেশত যথেষ্ট হোৱা নাই আৰু বঢ়োৱাৰ চেষ্টা কৰি থকা কথাটো মই আগতেই কৈ আহিছোঁ। দেশৰ আৱশ্যকতা অনুসৰি অকল থানাই নহয় যি কোনো ব্যৱস্থা কৰিবলৈ যিখিনি ধনৰ আৱশ্যক তেনে পৰিমান ধন চৰকাৰৰ হাতত নাই। গতিকে সকলো ঠাইৰে গুৰুত্ব চৰকাৰে নিশ্চয় উপেক্ষা নকৰে। কোকৰাজাৰতো নকৰে।

ছৈয়দা আনোৱাৰা টাইমুৰ : — উপাধ্যক্ষ মহোদয়, জনসংখ্যা বৃদ্ধি আৰু অপৰাধ বৃদ্ধিৰ সংখ্যালৈ চাই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে থানা বৃদ্ধি কৰা কথাটো বিবেচনা কৰিব বুলি কৈছে, ১৯৭৯ চনত এনে ধৰণৰ থানা কেইখন বৃদ্ধি কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, ইয়াৰ বাবে এটা বেলেগ প্ৰশ্নৰ আৱশ্যক।

শ্ৰীবানেশ্বৰ শইকীয়া :— উপাধ্যক্ষ মহোদয়, এই বছৰ বৰ্ত্তমান তেনেকুৱা থানা আৰু আউটপোষ্ট প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : —সেইটো চিন্তা কৰা হৈ আছে।

শ্ৰীশশ কমল সন্দিকৈ:—উপাধ্যক্ষ মহোদয়, আমাৰ অসমত যিসকল পুলিচ বিষয়া আছে তেওঁলোকৰ বহুতো যন্ত্ৰপাতি আৰু ইনফৰমেশ্যন নাথাকে যাৰ ফলত গোটেই বিভাগটোৱে অপৰাধ অনুসন্ধান কৰি পুৰণি কলীয়া ব্যৱস্থা এটাৰে মানুহৰ অৰ্থাত অপৰাধীৰ ওপৰত অনুমানতে ধৰি উৰাই-ঘূৰাই

মাৰধৰ কৰি শাস্তি দিয়া। এই ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰি অপৰাধী অনুসন্ধানৰ কাৰণে বিজ্ঞান সন্মত ব্যৱস্থা লোৱাৰ চেষ্টা কৰিবনে যাৰ পৰা এই থাৰ্ড ডিগ্ৰী মেথড ব্যৱস্থাৰে শাস্তি দিয়া নহয় ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই ব্যৱস্থা যদিও এতিয়াও সৰ্বাঙ্গ-সুন্দৰ হৈ উঠাগৈ নাই তথাপি বিজ্ঞান সন্মত ব্যৱস্থা অসম চৰকাৰৰ পুলিচৰ ইতিমধ্যে হৈছে আৰু অভিজ্ঞ বিষয়া এই বিভাগত আছে। এই সকলে যাতে সকলো ধৰণৰ সুবিধা পাব পাৰে আৰু আগৰ পৰা চলি অহা থাৰ্ড ডিগ্ৰী মেথড ব্যৱস্থাৰে নহয়, বিজ্ঞান সন্মত ভাবে তদন্ত কৰি আচল অপৰাধী বিচাৰি উলিয়াব পৰা হয় তাৰ ব্যৱস্থা যথেষ্ঠ ভাবে আগবাঢ়িছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বছৰৰ ভিতৰতে এই বিলাক থানাৰ কাম আৰম্ভ হবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : — কৰিবলৈ লোৱা হৈছে।

শ্ৰীগোলক ৰাজবংশী :— উপাধ্যক্ষ মহোদয়, এইটো কথা সঁচা নেকি যে যিমানেই থানাৰ সংখ্যা বাঢ়িছে সিমানেই অপৰাধীৰ সংখ্যাও বাঢ়িছে আৰু ইয়াৰ পৰিসমাপ্তি কত ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : — উপাধ্যক্ষ মহোদয়, ডাক্টৰ যেনেকৈ বাঢ়িছে ৰোগীৰ সংখ্যাও তেনেকৈ বাঢ়িছে। এই ক্ষেত্ৰতো কৰবাত অপৰাধীৰ সংখ্যা বাঢ়িলেও কৰবাত হয়তো কমিছে।

শ্ৰীযোগেন গগৈ : — উপাধ্যক্ষ মহোদয়, ৰাজ্যখনৰ ভিতৰত বহুকেইটা নগৰ মুখী অঞ্চল গঢ়ি উঠিছে আৰু সেই অনুপাতে জনসংখ্যাও বাঢ়িছে।

এই ক্ষেত্ৰত কোনো কোনো ঠাইত থানাৰ সংখ্যা নবঢ়াৰ কাৰণে এইচ, এল, চি পৰীক্ষা কেন্দ্ৰ পাতিব নোৱাৰৰ ফলত গাওঁ অঞ্চলৰ পৰা বহু দুৰলৈ গৈ আমাৰ লৰা-ছোৱালীয়ে পৰীক্ষা দিব লগা হোৱাত এহাতে ছাত্ৰ-ছাত্ৰীৰ কষ্ট আৰু আনহাতে গার্জেনো হাৰাশাস্তি হব লগা হৈছে। এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা লব নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই কথাটোলৈ যাওঁতে আন বহুটো কথালৈ লক্ষ্য কৰিব লগীয়া হয়, পৰীক্ষা কেন্দ্ৰ এটা বহুৱাব নোৱাৰাটো পুলিচ চকীৰ অভাবেই একমাত্ৰ কাৰণ হব নোৱাৰে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :--উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে জনাব-নেকি যে দিফুত বহুত দিনৰ আগতে মাটি লোৱা হৈছিল, ঘৰ এতিয়াও নবনোৱাৰ কাৰণে ভৰাঘৰত থানাৰ কাম চলাব লগা হৈছে, সঁচা নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— ইয়াৰ বাবে বেলেগ প্ৰশ্নৰ আৰশ্যক হয়।

## বিষয়: গুৱাহাটী হাইকোৰ্টৰ গৱৰ্ণমেন্ট এডভোকেটৰ পেনেল

শ্ৰীমতী ছৈয়দা আনোৱাৰা তৈমুৰে সুধিছে :—

*৪৩২। মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

[ক] গুৱাহাটী হাইকোৰ্টৰ গৱৰ্ণমেণ্ট এডভোকেট সকলৰ ১৯৭৯ চনত পেনেল কৰা হৈছে নেকি ?

[খ] যদি কৰা হৈছে, তেনেহ্লে তেখেত সকলৰ নাম কেইটা জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ন্যায়িক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :—

৪৩২। (ক)—হয়

(খ)—নাম তলত দিয়া হল—

১। শ্ৰীবীৰেন্দ্ৰ মোহন গোস্বামী, এডভকেট।

২। শ্ৰীপাচুগোপাল বৰুৱা, ”

৩। শ্ৰীধনজিৎ কুমাৰ তালুকদাৰ, ”

৪। শ্ৰীদেৱ কুমাৰ ভট্টাচাৰ্য্য, ”

৫। শ্ৰীআশীশ ৰঞ্জন বানাৰ্জী ”

৬। শ্ৰীকুমাৰ পদ্ম প্ৰসাদ, ”

৭। শ্ৰীচৈয়দ ছফিউল ৰহমান, ”

৮। শ্ৰীধীৰেশ নাৰায়ন চৌধুৰী ”

৯। শ্ৰীমতী কুন্তলা ডেকা,

১০ শ্ৰীচপল ৰঞ্জন দে, ”

১১। শ্ৰীদিলীপ প্ৰসাদ চলিহা, ”

১২। শ্ৰীডঃ মুকুন্দ ৰাম শৰ্ম্মা ”

১৩। শ্ৰীমানস কমল ভট্টাচাৰ্য্য, ”

১৪। শ্ৰীঅমৃত কুমাৰ ফুকন, ”

ছৈয়দা আনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে এই পেনেলত আগতে থকা কাৰোবাৰ নাম আছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, আগতে থকা নাম আছে।

শ্ৰীছৈয়দা আনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আগৰ অধিবেশনত প্ৰতিশ্ৰুতি দিছিল যে কোনো ৰাজনৈতিক ভিত্তিত এই পেনেল কৰা নহয়। মই এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে আগৰ দুই-চাৰিজনক জনতা পাৰ্টিৰ সমৰ্থক হিচাবে ৰখা হৈছে আৰু এই পাৰ্টিৰ সম-

র্থন নকৰাৰ বাবে অভিজ্ঞ লোকক বাদ দিয়া হৈছে, এই কথা সচাঁনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, যি ৬ জনৰ নাম কলো তেখেত সকলক মই নিজে চিনি পাওঁ। এডভোকেট নিয়োগ কৰোঁতে মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে কোনো পাৰ্টি পলিটিকচ মতে নকৰোঁ, যি সকলৰ পাঁচ বছৰৰ বেছি সেই সকলক গুৱাহাটী হাইকৰ্ট আৰু বৰ্ত্তমানৰ যি সকল এডভোকেট আছে তেওঁলোকৰ পৰামৰ্শ মতে এই সকলক অনুমোদন কৰা হৈছে।

শ্ৰীজীৱন বৰা :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে জনতা পাৰ্টিৰ সদস্য কাৰণে পেনেলত নাম অহাতো অপৰাধ বা দোষৰ কথা হৈছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, কোনো পাৰ্টিৰ মেম্বাৰ হলে যে এডভোকেট হব নোৱাৰে এনে কোনো বাধা নাই, যি কোনো পাৰ্টিৰ মানুহেই হাইকোৰ্টৰ এডভোকেট হব পাৰে, কিন্তু হাইকৰ্টৰ এডভোকেট হোৱাৰ সকলো খিনি উপযুক্ততা থাকিব লাগিব।

শ্ৰীফণি মেধি :— উপাধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত ৰাজনৈতিক ভিত্তিত তেনে কোনো পেনেল তৈয়াৰ কৰাৰ তথ্য পাতি আছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— এই বিষয়ৰ প্ৰশ্নটোলৈ আহোতে কব লাগিব যে আগতে এবছৰ দুবছৰৰ বাবে কিছুমান এডভোকেট লোৱা হৈছিল। আমি তেনে কাকো লোৱা নাই।

ছৈয়দা আনোৱাৰা টাইমুৰ ঃ—উপাধ্যক্ষ মহোদয়, ৰাজনৈতিক ভিত্তিত কৰা নহব বুলি যোৱা অধিবেশনত মন্ত্ৰী মহোদয়ে কৈছিল, কিন্তু এতিয়া দেখা গৈছে যে এই পেনেলক আগৰ কিছুমান মানুহ ৰখা হৈছে আৰু

কিছুমানক বাদ দিয়া হৈছে। জনতা সমৰ্থকক ৰাখি অসমৰ্থক সকলক বাদ দিয়া কাৰণেই এই প্ৰশ্ন টোৰ উতথাপন হৈছে। সেই কাৰণে মন্ত্ৰী মহোদয়ক সুধিব খুজিছোঁ যে এই পেনেল ৰাজনৈতিক ভিত্তিত হোৱা নাই বুলি কব খোজে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে কোনো ৰাজনৈতিক ভিত্তিত এই পেনেল কৰা হোৱা নাই। হাই কৰ্ত্ত যিবোৰ কেচ আহে তাৰ উপযুক্ততা থকা লোকক হে দিয়া হৈছে।

শ্ৰীভুবনেশ্বৰ বৰ্মন :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কলে যে যিবিলাক চৰকাৰী উকিল লয় সেইবিলাক যোগ্যতা অনুসৰিয়ে লয়। কিন্তু এইটো কথা মন্ত্ৰী মহোদয়ে স্পষ্ট কৰি দিবনে যে এই এড্‌ভোকেট সকলে চৰকাৰৰ কেচত প্ৰতিনিধিত্ব কৰে আৰু চৰকাৰৰ কেচবিলাক যাতে ভাল কৰিব পাৰে তেনে বিশ্বাস থকা মানুহকহে দিয়ে। কিন্তু মই জানিব বিচাৰিছো যিসকলে চৰকাৰক নীতি গত হিচাবে বিৰোধীতা কৰে সেই সকলক চৰকাৰী উকিল হিচাবে লোৱা হয়নে নহয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— চৰকাৰক নীতিগত ভাবে বিৰোধীতা কৰিলেও এড্‌ভোকেত হিচাবে ভাল হলে লোৱাত আপত্তি নাই। মই এটা কেচৰ কথা কব বিচাৰিছো যে আমি ৰেংগলৰ এজন এড্‌ভোকেটক এনগেজ কৰিছো যি জন চি, পি, এম,ৰ মানুহ। গতিকে চৰকাৰৰ নীতিগত ভাবে বিৰোধীতা কৰিলেও লব নোৱাৰাৰ নীতি নাই। মাত্ৰ কেচটো চলাব পৰাৰ কন্‌ফিডেন্স থাকিব লাগে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মন্ত্ৰী মহোদয়ে কৈছে যে উপযুক্ততা বিচাৰ কৰি লোৱা হয়। মই জানিব বিচাৰিছো উপযুক্ততা বিচাৰ কৰাৰ পদ্ধতিটো কি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—উপযুক্ততা নিৰ্দ্ধাৰণ কৰাৰ পদ্ধতি হৈছে জিলাৰ পৰা যিসকলক নিযুক্তি দিয়া হয়, সেই সকলৰ ডিষ্ট্ৰিক জাজ্ আৰু ডি, চি,য়ে পেনেল ঠিক কৰি দিয়ে আৰু হাইকোৰ্টৰ পৰা যিসকলক লোৱা হয় সেই সকলক এডভোকেট জেনেৰেলে নিৰ্দ্ধাৰণ কৰি দিয়ে আৰু আমি সেই মতেই উপযুক্ততা নিৰ্দ্ধাৰণ কৰি নিযুক্তি দিওঁ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— এই বাৰ এড্‌ভোকেট জেনেৰেলে কেই-জনৰ নাম দিছিল আৰু যি কেইজনৰ নাম দিছিল সেই আটাইকেই-জনৰ নাম পেনেলত আছে নে নাই ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— আমালৈ ১৫ জনৰ নাম আহিছিল তাৰ ভিতৰত ১৪ জনক এক্‌চেপ্ত কৰা হৈছে। এজনক এক্‌চেপ্ত কৰা নাছিলো কাৰণ তেওঁৰ ৫ বছৰ সম্পূৰ্ণ হোৱা নাছিল। কিন্তু এতিয়া সম্পূৰ্ণ হৈছে কাৰণে তেখেতৰ নামো বিবেচনা কৰিছো।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— এই এক্‌চেপ্ত নকৰা জন মহিলা নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) — তেখেত টেনিচ খেলুৱৈ তেখেতৰ নাম শ্ৰীচুচান চৌধুৰী।

শ্ৰীযোগেন গগৈ :— তেখেত জনতা পাৰ্টিৰ মেম্বাৰ নেহোৱাৰ কাৰণে ড্ৰপ কৰি ৰখা হৈছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এইটো সত্য নহয়। তেখেতৰ ৫ বছৰ নোহোৱাৰ কাৰণে দিয়া নাছিলো। এতিয়া ৫ বছৰ হোৱা কাৰণে বিবেচনা কৰিছো।

বিঃ তিত্তাবৰ ( বিবিজান ) পানী যোগান আঁচনি

শ্ৰীগিৰিধৰ ঠেঙালে সুধিছে :—

*৪৩৩। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তিতাবৰ (বিবিজান) পানী যোগান আঁচনিৰ নিৰ্মাণ কাৰ্য্য কোন চনত আৰম্ভ কৰা হৈছিল আৰু আঁচনিখনত খৰচৰ পৰিমাণ কিমান ধৰা হৈছিল ?

(খ) এই আঁচনিৰ নিৰ্মাণ কাৰ্য্য কিমান দূৰ আগবাঢ়িছে আৰু কেতিয়াৰ পৰা এই আঁচনিৰ যোগে খোৱা পানীৰ যোগান ধৰিবলৈ আশা কৰিব পাৰি ?

ডা: কোষেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪৩৩। (ক)—তিতাবৰ (বিবিজান) পানী যোগান আঁচনিৰ নিৰ্মাণ কাৰ্য্য ইংৰাজী ১৯৭৪-৭৫ বিত্তীয় বছৰটোত আৰম্ভ কৰা হৈছিল আৰু আঁচনিখনৰ খৰচৰ বাবদ মুঠ ৯,৫৬,৩০০.০০ টকা ধৰা হৈছিল।

(খ) এই আঁচনিখনৰ নিৰ্মাণৰ শেষ পৰ্য্যায়ৰ কাম চলি আছে আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিদ্যুৎ যোগানৰ যাৱতীয় ব্যৱস্থা কৰি দিলেই খোৱা পানী যোগান ধৰিব পৰা যাব।

শ্ৰীগিৰিধৰ ঠেঙাল :— উপাধ্যক্ষ মহোদয়, এই আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অবাঞ্চিত ভাবে লেহেম হোৱাৰ কথাটো মন্ত্ৰী মহোদয়ে জানেনে ? মোৰ দুই নং কথা হ'ল বিজুলি যোগানৰ ব্যৱস্থা হলে এই অঞ্চলত পানী যোগানৰ আঁচনি কাৰ্য্যকৰী কৰা হব বুলি কৈছে। মই তেখেতৰ পৰা জানিব বিচাৰিছো যে এই আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তেখেতে সময় সীমা বান্ধি দিব পাৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই আঁচনি এবছৰ দেৰি হোৱাটো স্বীকাৰ কৰিছো। বিশেষকৈ সেই সময়ত মাটিৰ সংক্ৰান্তত কিছু অসুবিধা হৈছিল। যিখিনি মাটি এই আঁচনিৰ কাৰণে লাগে সিমান খিনি মাটি আমি পোৱা নাছিলো। আমাৰ সকলোবিলাক কামেই হৈ আছে। কেৱল বিজুলি যোগানৰ ব্যৱস্থা হলেই পানী যোগানৰ ব্যৱস্থা কৰিব পৰা হব।

শ্ৰীপ্ৰেমধৰ বৰা :— প্ৰায় ৯ লাখ টকা খৰচ কৰি ১৯৭৪-৭৫ চনতেই আৰম্ভ কৰা আঁচনিখন কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হব বুলি প্ৰথমতে নিৰ্দ্ধাৰণ কৰিছিল?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, এনেকুৱা আঁচনিৰ কাৰণে ৩ বছৰ ধৰা হয়। সেইমতে ৩ বছৰত সম্পূৰ্ণ কৰাৰ আঁচনি আছিল। কিন্তু মাটি পোৱাত দেৰি হোৱাৰ কাৰণে আৰু মেটেৰিয়েল্‌চৰ অভাৱ হোৱাৰ কাৰণে টেংক কৰিব পৰা হোৱা নাছিল। বাকীখিনি আমাৰ এতিয়া হৈয়ে আছে। বিজুলি যোগানৰ কানেক্‌চনটো দিব পাৰিলে ৰাইজক পানী যোগন ধৰিব পৰা হব।

শ্ৰীমোজাম্মিল আলী চৌধুৰী :— কিছুমান পানী যোগান আচনি ইতিমধ্যে সম্পূৰ্ণ হৈছে যদিও বিকল হৈ পৰি আছে। এইবিলাক ব্যৱহাৰত লগা নাই। এইবিলাক ব্যৱহাৰোপোযগী কৰিবলৈ ব্যৱস্থা কৰিবনে? উদাহৰণ স্বৰূপে মই ডবকাৰ কথা কব বিচাৰিছো।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— ইতিমধ্যে আমি যাৱতীয় ব্যৱস্থা কৰি আছো আৰু ডবকাত বোধহয় ইতিমধ্যে হৈ গৈছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জনস্বাস্থ্য বিভাগৰ যিবিলাক পাইপ ৱাটাৰ আঁচনি মঞ্জুৰ

হৈছিল, বহু বছৰ পিচতো সেইবিলাকৰ কাম হোৱা নাই। তেনেকুৱা এটা আঁচনি বনমন্ত্ৰীৰ সমষ্টিটো আছে। এই আঁচনিটো বহুবছৰ আগতেই মঞ্জুৰ হৈছিল। এইবিলাক নোহোৱাৰ কাৰণ হৈছে ইয়াৰ কাৰণ হৈছে মাটি খন্দাৰ যন্ত্ৰ নথকাৰ কাৰণে। যদি এইটোৱেই হয় মাটি খন্দা যন্ত্ৰ অধিক অনাৰ ব্যৱস্থা কৰিবনে? আৰু লগতে যিবিলাক পাইপ ৱাটাৰ আঁচনি মঞ্জুৰ হৈ আছে সেইবিলাক খৰতকীয়া গতিত কৰাৰ ব্যৱস্থা কৰিবনে?

ডাঃ কোষেশ্বৰ বৰা :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই কোৱা কথাটো সচাঁ যে আমাৰ আগতে চাৰিটাহে মাটি খন্দা যন্ত্ৰ আছিল। আমি এতিয়া ৫টা বেছিকৈ আনিছো। সেই অনুপাতে কৰ্মচাৰী নাছিল তাৰোপৰি ডিভিজনো কম আছিল। আমি এই বছৰ ৬টা ডিভিজন আৰু ১৪ টা চাবডিভিজনখুলি বিভাগটো শক্তিশালী কৰি পানী যোগান আঁচনি কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰিছো। আশা কৰো এইখিনি কাম সোনকালে কৰিব পাৰিম।

Shri Binoy Kr. Basumatari :— Will the Hon'ble Minister confirm that no money will be surrendered this year because most of the works are held up due to non availability of cement and rods?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, আজিলৈকে আমি খবৰ পোৱা মতে বিভাগৰ পৰা তেনেকৈ টকা চাৰেণ্ডাৰ হোৱা নাই আমি টকাটো যিকোনো প্ৰকাৰে ৰাখি খৰচ কৰাৰ ব্যৱস্থা কৰিছো।

শ্ৰীনিশীথ ৰঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় বলছেন যে মাটি সংগ্ৰহের ব্যাপারে অসুবিধা হয়। কিন্তু জল সরবরাহের ব্যবস্থা করার জন্য এই মাটি সংগ্ৰহ করার অসুবিধা হওয়ার কারণ কি এবং এই মাটি সংগ্ৰহ করার দ্রুত কি ব্যবস্থা নেওয়া হবে? যাতে পানীয়

জল সৰবৰাহের তরান্বিত করা যায়।

ডা: কোষেশ্বৰ বৰা (মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, মাটিৰ দুটা কাৰ-ণত অসুবিধা হৈছে। এটা হ'ল আমি এই মাটিৰ ক্ষতি পূৰণ দিয়াৰ কথা নাছিল। আমাৰ সেই অঞ্চলৰ ৰাইজে যদি মাটি দিয়ে বা চৰকাৰী মাটি থাকে তেতিয়াহলে তাত কাম কৰাত অসুবিধা নহয়। কিন্তু ৰাইজৰ মাটিৰ কাৰণে ক্ষতি পূৰণ দিব লগা হলে আৰু সেইবোৰ প্ৰচেচ কৰিবলৈ যাওতে বহু পলম হয়। ১০ লাখ টকাৰ ওপৰৰ আঁচনি বিলাক ৰাজ্য চৰকাৰে মঞ্জুৰী দিব নোৱাৰে, কেন্দ্ৰীয় চৰকাৰলৈ পঠাব লগীয়া হয়। এনে কিছু-মান কাৰণতে কিছুমান আঁচনি দেৰি হৈছে।

শ্ৰীজগত পাটগিৰি ঃ— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কব নেকি যে আমাৰ ট্ৰাইবেল চাব-প্লেনৰ আঁচনিত পানী যোগানৰ কাৰণে বহু লাখ টকা ধৰা হৈছিল ১৯৭৭-৭৮, ১৯৭৮-৭৯ চনত। বছৰ শেষ হৈ গ'ল যদিও আঁচনিৰ কাম নহ'ল, পাবলিক, হেলথ্ ইঞ্জিনিয়াৰে কাম কৰা নাই। মই জানিব বিচাৰিছো এতিয়ালৈকে ট্ৰাইবেল চাব-প্লেনৰ পানী যোগান আঁচনিৰ কিমান কাম এতিয়ালৈকে বিভাগে কৰা নাই? যদি এইদৰে ট্ৰাইবেল চাব-প্লেনৰ কাম নোহোৱাকৈ থাকে তেনেহলে টকাবিলাক ঘূৰি যাব। এইটো সচাঁনে যে মেটেৰিয়েলচ্ ৰ অভাৱৰ কাৰণে ট্ৰাইবেল চাব প্লেনৰ কাম হোৱা নাই।

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) ঃ—মেটেৰিয়েলচৰ অভাৱত যে কিছুমান কাম কৰিব পৰা হোৱা নাই এইটো সচাঁ। আগতে অভাৰ ৩৬ টেংক বিলাতী মাটিৰে কৰা হৈছিল। এই বছৰ বিলাতী মাটিৰ অভাৱ হোৱা কাৰণে বিলাতী মাটিৰ টেংক বিলাক লোহাৰ টেংকলৈ ৰূপান্তৰ কৰা হৈছে আৰু সেইমতে অৰ্ডাৰো দিয়া হৈছে। পাইপ অনাটো অসুবিধা হৈছিল। এইবিলাক কাৰ-ণতেই দেৰি হৈছে। ট্ৰাইবেল চাব প্লেনৰ টকা চাৰেণ্ডাৰ হোৱাৰ কথা

মই কব নোৱাৰো। কালিলৈকে মই জনাত টকা চাবেণ্ডাৰ হোৱা নাই।

শ্রীপ্রসাদ দলৈ :— অনুগ্ৰহ কৰি মন্ত্ৰী মহোদয়ে জনাবনে ? ই এণ্ড ডি, বিভাগে পানী যোগানৰ কাৰণে অনুসূচীত গাওঁবিলাক বাচি দিব নোৱাৰাৰ কাৰণে কাম নোহোৱাকৈ আছিল। কিন্তু এতিয়া গাওঁবিলাক বাচি দিয়া স্বত্বেও অনুসূচীত গাওঁবিলাকত কিয় পানী যোগান আঁচনিৰ ব্যৱস্থা কৰিব পৰা নাই। এইটো কথা মন্ত্ৰী মহোদয়ে আন্তৰিকতাৰে চিৰিয়াচ্লি বিবেচনা কৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— মই কৈছোৱেই যে চিৰিয়াচ্লি কৰাৰ কাৰণে চেষ্টা চলাই থকা হৈছে।

শ্রীপ্রসাদ দলৈ :— মন্ত্ৰী মহোদয়ক দুখেৰে সৈতে জনাবলৈ বাধ্য হৈছো যে টি-এ-ডি বিভাগৰ পৰা খোৱা পানীৰ যি আঁচনি এই ক্ষেত্ৰত লব লাগিছিল তাৰ কাৰণে আঁচনি সময় মতে নোলোৱাৰ কাৰণে খোৱা পানী যোগান ধৰিব পৰা নাই আৰু বেছি ভাগ টকাই ঘুৰাই দিবলগীয়া হব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক আন্তৰিকতা সহকাৰে চিৰিয়াচলি এই কথাটো বিবেচনা কৰি উপযুক্ত ব্যৱস্থা লবলৈ অনুৰোধ কৰিব পাৰোনে ?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) :— চিৰিয়াচলি আৰু খৰতকীয়া ভাৱে কৰাৰ চেষ্টা কৰা হব।

শ্রীউমেশ দাস :— এই গ্ৰাম্য খোৱা পানী যোগান আঁচনি সফল কৰিব নোৱাৰা হেতুকে বেছি ভাগ ঠাইতে স্বাস্থ্য কেন্দ্ৰতো লেতেৰা পানী ব্যৱহাৰ কৰি ঔষধ আদি প্ৰস্তুত কৰি জনসাধাৰণক দিয়া হৈছে সেই কথা মন্ত্ৰী মহোদয়ে জানে নে নাজানে ?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) :— কোনো কোনো স্বাস্থ্য

কেন্দ্ৰত তেনে অৱস্থা হৈ থকাটো সঁচা। আমি চাৰ্জে কৰি চাইছো আৰু অসমৰ তিনি ভাগৰ দুভাগ খোৱাৰ পানীয়ে বেয়া বুলি পোৱা গৈছে। আইৰণ মিহলি হৈ থাকে। গতিকে ঔষধৰ লগত অথবা খোৱা পানী বিশুদ্ধ প্ৰকাৰৰ দিয়াৰ কাৰণেই এই আঁচনি লোৱা হৈছে।

শ্ৰীচামচুল হুদা :— এইটো কথা সঁচা নেকি যে বিশুদ্ধ পানী যোগান আঁচনি প্ৰস্তুত কৰাত পলম হোৱা আৰু দিশপুৰ আৰু হেঙ্গেৰাবাৰীলৈ পঠিয়াই দিয়াৰ পিচতো ইয়াত লেহেম হোৱাৰ কাৰণে মঞ্জুৰী আদি পোৱাত পলম হয় আৰু ফলত আঁচনিৰ কাম হৈ নুঠে আনহাতে টকা ফিৰত দিবলগীয়া হয়।

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) :— দুই এটা আঁচনিত তেনে হোৱাটো সঁচা। কিন্তু এতিয়া খৰতকীয়া কৰিবলৈ চেণ্টা কৰা হৈছে।

### বিষয়ঃ খণ্ড উন্নয়ন বিষয়াৰ বিত্তীয় অধিকাৰ

শ্ৰীশূল বৰাই সুধিছে :—

*৪৩৩। মাননীয় পঞ্চায়ত আৰু খণ্ড উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) পঞ্চায়ত আৰু খণ্ড উন্নয়ন বিভাগৰ কৰ্ম্মচাৰী সন্থাৰ দ্বাৰা উত্থাপিত দাবী অনুযায়ী চৰকাৰে খণ্ড উন্নয়ন বিষয়া সকলক বিত্তীয় অধিকাৰ পুনৰ ঘূৰাই দিয়াৰ বিষয়ে কি সিদ্ধান্ত কৰিছে ?

(খ) উত্তৰ লক্ষীমপুৰ খণ্ড উন্নয়ন বিষয়াই ইতিমধ্যে খণ্ড উন্নয়ন বিভাগৰ অধীনস্থ ঘৰ দুৱাৰ মেৰামতিৰ বাবে দাখিল কৰা ৩৫,৯৭৫.০০ টকাৰ

আঁচনিৰ সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

(গ) উত্তৰ লক্ষীমপুৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু বিষয়া সকলৰ বাস গৃহৰ চোহদত তাঁৰৰ স্থায়ী বেৰা দিয়াৰ বাবে দাখিল কৰা ৫০,০০০.০০ টকাৰ আঁচনি সম্পৰ্কে চৰকাৰে জানেনে ?

(ঘ) যদি জানে কি ব্যৱস্থা লোৱা হৈছে জনাবনে ?

শ্ৰীজহিৰুল ইছলাম (পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :—

৪৩৪। (ক)— অশোক মেহতা কমিটিৰ অনুমোদনৰ পৰিপ্ৰেক্ষিতত বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ)— তেনে এখন আঁচনি পোৱা গৈছে। চলিত বিত্তীয় বছৰত অৰ্থাভাৱত উক্ত আচনি অনুমোদন কৰিব পৰা নহল। অহা বিত্তীয় বছৰত এই বিষয়ে বিবেচনা কৰা হব।

(গ)— এনে কোনো আঁচনি লক্ষীমপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ পৰা এতিয়ালৈকে পোৱা নাই।

(ঘ)— প্ৰশ্ন নুঠে।

শ্ৰীশুল বৰা :— পঞ্চায়ত আৰু খণ্ড উন্নয়ন বিভাগৰ কৰ্ম্মচাৰী সকলে দিয়া দাবী সমূহ চৰকাৰে কেতিয়া পাইছে জনাবনে ?

শ্ৰীজহিৰুল ইছলাম (পৌৰ প্ৰশাসন আৰু পঞ্চায়ত মন্ত্ৰী) :— তাৰিখটো ঠিক নাই কিন্তু যোৱা ডিচেম্বৰ মাহত আলোচনা কৰা হৈছিল যেন মনত পৰে। তেওঁলোকে কৰা দাবী বিলাকৰ বিষয় বিলাক আছে।

শ্ৰীশুল বৰা :— এই দাবীবোৰ কি কি আছিল জনাবনে ?

Shri Zahirul Islam (Minister) :— Revitalisation of Development Blocks-(a) by restoring financial andorther powers as well as functions of B. D. Os. (b) Brining back all the Block level E. Os belonging to other Departments under the supervisory control of B. D. Os. (c) Allowing execution of all Rural Deveolopment Programme both for general and S.Cs/ S.Ts population through block agencies. (d) Re-creating all the abolised posts. (f) Increasing the strength of Gram Sevikas from 2 to 5 per Block in general (g) Repairing/Re-construction/construction of all Block Buildings.

শ্ৰীগিয়াচুদ্দিন আহমেদ :— খণ্ড উন্নয়ন বিলাক ৰিভাইটেলাইজ কৰা সম্পৰ্কীয় এটা দাবী আছে বুলি জনা গ'ল। এই প্ৰসংগত অসমৰ যিমান বিলাক উন্নয়ন খণ্ড আছিল সেই বিলাকৰ কাৰ্য্যকলাপ সম্পৰ্কে কিবা ৰিভিউ কৰা হৈছে নেকি আৰু সেইবিলাক সফল হৈছে নে নাই, নে বিফল হৈছে ? সেই বিলাক ষ্টাডি কৰা হৈছে নে নাই যদি হৈছে সামগ্ৰিক ভাৱে অসমত উন্নয়ন খণ্ড বিলাক সফল হৈছে নে বিফল হৈছে আমাক জানবনে ?

শ্ৰীজহিৰুল ইছলাম (পঞ্চায়ত মন্ত্ৰী) :— ১৯৬২ চনত এক্ট পাচ হোৱাৰ আগতে আগৰ ব্যৱস্থা অনুসৰি মোটামোটি ভাৱে চলি আছিল। ১৯৬২ চনত এক্ট পাচ কৰাৰ পিচত ভালদৰে কাম কৰিছে বুলি মই নেভাবো। ইতিমধ্যে মাননীয় সদস্য সকলে জানে যে গোটেই ভাৰতবৰ্ষতে পঞ্চায়তীৰাজ সম্পৰ্কে অশোক মেহতা কমিটিৰ প্ৰতিবেদন লৈ আলোচনা বিলোচনা কৰিছে। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে সিদ্ধান্ত লব বুলি ভবা হৈছে। তেতিয়াহলে এই বিষয়ত ব্যৱস্থা লব পৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— উন্নয়ন খণ্ড আৰু পঞ্চায়তৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থাকিলেও ইয়াৰ প্ৰসাশন বেলেগ বেলগ। মই উন্নয়ন খণ্ড বিলাকৰ কথাহে জানিব খুজিছো। উন্নয়ন খণ্ড যিবিলাকে কাম হাতত লৈছিল সেই বিলাকৰ কিবা ৰিভিউ হৈছে নেকি যদি হৈছে এইবিলাক সফল হৈছে নে বিফল হৈছে জানিব খুজিছো।

শ্ৰীজহিৰুল ইছলাম (পঞ্চায়ত মন্ত্ৰী) ঃ— মোৰ কাৰণে কোৱা সম্ভৱপৰ নহয়। মাননীয় সদস্যই জানে যে দুটা ষ্টেজ আছে। খণ্ড উন্নয়ন খণ্ডত যি ধন দিয়া হৈছিল ১৯৬২ চনত আইন পাচ হোৱাৰ পিচত সেইটো বন্ধ হৈ গৈছে। গতিকে নতুন আঁচনি কোনো লোৱা হোৱা নাই খণ্ড উন্নয়ন খণ্ডৰ জৰিয়তে। ষ্টেজ এক দুই থকা সময়ত কাম হৈছিল তাৰ পিচত হোৱা নাই।

শ্ৰীযোগেন গগৈ ঃ — খণ্ড উন্নয়ন খণ্ডৰ বিষয়া জনৰ পৰা বিত্তীয় ক্ষমতা উঠাই অনাৰ ফলত খণ্ড উন্নয়ন এলেকাত থকা ঘৰ দুৱাৰ বিলাক ভাঙি ছিঙি তহিলং হৈছে আৰু ৰাজহৱা ধনৰ আত্মসাৎ হৈছে আৰু জনসাধাৰণৰো উৎসাহ নোহোৱা হৈছে। মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিবনে যে বিভাগীয় কৰ্ম্মচাৰীয়ে সঠিক কাম নকৰাৰ কাৰণেই এইটো হব পাৰিছে।

শ্ৰীজহিৰুল ইছলাম :— খণ্ড উন্নয়ন পৰ্য্যায়ত কাম কৰিব পৰা নাই আৰু টকা ঘুৰাই দিছে হয় কিন্তু বহু ক্ষেত্ৰত টকাও দিব পৰা নাই। অহা বছৰত ১২১ টাৰ ভিতৰত চৌবিশ টাক দিয়া হৈছে। ইয়াৰ পিচলৈ আৰু বেছিকৈ দিয়াৰ কাৰণে চেষ্টা ৰখা হৈছে আৰু বেছি খণ্ড উন্নয়ন খণ্ডিত দিব পাৰিম বুলি ভাবি আছো। মই ভাবো গোটেই বিষয়টো ভালকৈ পৰ্য্যালোচনা কৰি সিদ্ধান্ত ললেই ভাল হব।

Mr. Deputy Speaker :— The question hour is over.

Before I go to item No. 2, Shri Ramendra De to raise a matter.

## RE: PRODUCTION OF SUGAR BY CACHAR SUGAR MILL, CHARGOLA

## UNDISPOSED STARRED QUESTIONS DATED 31-3-79

Shri Nishith Ranjan Das asked :—

*435. Will the Minister, Industries be pleased to state:—

(a) The total amount so far invested in Cacher Sugar Mill at Chargola in the Cacher District and the total quantity of sugar produced till now ?

(Yearwise production may be shown).

(b) Whether it is a fact that the entire quantity of sugar produced every year are sold and if so, the quantity sold each year from the date of inceptions ?

(yearwise amount of sale proceeds may be furnised).

(c) Whether accounts of Cacher Sugar Mill have been regularly audited every year ?

Shri Jagannath Sinha (Minister, Industries) replied:—

435. (a)—(i) An amount of Rs. 709·49 lakhs has been invested in Cacher Suger Mills Ltd. for setting up the project.

(ii) Total quantities of sugar produced:

(a) 1976-77—39 quintals of Brown (Trial run) sugar;

(b) 1977-78—3381 quintals including 1007 quintals of Brown Sugar;

(c) 1978-79—11,844 quintals white Sugar. (upto 21st February 1979).

(b)—(i) The entire quintity of 237, quintals of White Sugar produced in 1977-78 has been sold and an amount of Rs. 5,04,484.98 was received as sale proceeds exclusive of all taxes, duties etc.

(ii) Out of the production of 1978-79, arrangment has been made for sale about 000 quintals wihin February, 1979—quantity sold upto 21st February, 1979—640 quintals valued at Rs. 1,27,440/-

(c)—Yes.

বিষয়ঃ L. M. F. GRADE II ডাক্তৰ

শ্ৰীনজমুল হকে সুধিছে ঃ—

*৪৩৬। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) স্বাস্থ্য বিভাগত L. M. F. Grade I ডাক্তৰৰ সংখ্যা কেইজন ?

(খ) উক্ত ডাক্তৰ সকলৰ ভিতৰত মুঠ কেইজনক ১৯৬৪ চনৰ পুনঃ নিৰ্দ্ধাৰিত নিৰীখৰ বেতন দিয়া হৈছে ?

(গ) এই সকলৰ ভিতৰত ৫ জন ডাক্তৰে আজিলৈকে উক্ত নিৰীখত বেতন পোৱা নাই কথাটো সচাঁনে ?

(ঘ) যদি সচাঁ, উক্ত ডাক্তৰ সকলক বৃটিছ আমোলৰ মাহে ১৭৫,00 টকা নিৰীখত বেতন দি থকা হৈছেনে আৰু যদি হৈছে উক্ত নিৰীখ কোন আইনৰ বলত নিৰ্দ্ধাৰিত কৰা হৈছে ?

(ঙ) যদি সচাঁ, এই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

ডাঃ কোষেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪৩৬। (ক)—৪৯ জন।

(খ)—৪৫ জনক।

(গ)—৪ জন চিকিৎসকেহে পোৱা নাই।

(ঘ)—এই চিকিৎসক সকলক দিয়া হৈছে ১৯৫৬ চনত পুনঃ নিৰ্দ্ধাৰিত কৰা ১৭৫ টকাৰ পৰা ৩০০ টকাৰ দৰমহাৰ নিৰীখত।

(ঙ)—বৰ্ত্তমান বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয়ঃ জৰুৰীকালীন অৱস্থাত চাকৰীৰ পৰা বাধ্যতামূলক অৱসৰ

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে :—

*৪৩৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জৰুৰীকালীন অৱস্থাত কিমান লোকক বিনা বিচাৰে চাকৰীৰ পৰা অৱসৰ দিয়া হ'ল ?

(খ) এনে ভাৱে অৱসৰ দিয়া লোক সকলক পুনৰ ঘূৰাই লোৱা হৈছেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪৩৭। (ক)—জৰুৰীকালীন অৱস্থাত ৩৬৪ জন চৰকাৰী কৰ্মচাৰীক Screening Committee ৰ পৰামৰ্শ অনুসৰি Fundamental Rules ৰ ৫৬ (খ) ধাৰা অনুসৰি চাকৰীৰ পৰা বাধ্যতামূলক অৱসৰ দিয়া হৈছিল।

(খ) এনে ভাৱে বাধ্যতামূলক অৱসৰ দিয়া চাকৰিয়াল সকলক আবেদন পৰীক্ষা কৰি এতিয়ালৈকে ১৪৬ জন লোকক আকৌ চাকৰিত মকৰল কৰা হৈছে।

বিষয়ঃ শিঙিমাৰী বংশৰ ৰাস্তা

শ্ৰীপূৰ্ণ বড়োই সুধিছে :—

*৪৩৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিঙিমাৰী বংশৰ ৰাস্তাটো আগতে দুই ফালৰ পৰা অহা যোৱা কৰিব পৰা (Two way Traffic) আছিলনেকি ?

(খ) যদি আছিল, কি ভাবে এই ৰাস্তাটো উন্নতি কৰাৰ পিছত কিয়

এফালৰ পৰা অহা যোৱা কৰিব (One way Traffic) পৰা হ'ল ?

(গ) যোৱা ১০-২-৭৯ আৰু ১১-২-৭৯ তাৰিখে এই ৰাস্তাত (চৰকাৰী ভাৱে মুকলি কৰাৰ পিছত) দুখন যাত্ৰী বাহী বাছ দুৰ্ঘটনা হৈ বহুলোক আহত হোৱাৰ কথা চৰকাৰে জানেনে ?

(ঘ) যদি জানে, তেন্তে কি কাৰণত এই দুৰ্ঘটনা হবলৈ পালে জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ—

৪৩৮। (ক)—হয়, আছিল।

(খ)—উন্নতিকৰণৰ কাম চলি থকাৰ বাবে এফালৰ পৰা অহা যোৱা কৰা হৈছে।

(গ)—জানে।

(ঘ)—গাড়ী চালকে অবিবেচকতা আৰু অসাৱধানতাৰে চলোৱাৰ বাবে।

## RE: ALLEGATION AGAINST THE EXCUTIVE OFFICER OF SIBSAGAR DISTRICT CENTRAL CO-OPERATIVE BANK LIMITED, JORHAT.

Shri Promod Gogoi asked :—

*439. Will the Minister, Co-operation be pleased to state—

(a) Whether it is a fact that there are serious allega-

tions against the Executive Officer of sibsagar District Central Co-operative Bank Limited, Jorhat for embezzlement of fund of the Bank ?

(b) If so, the action taken so far by the Government in this regard ?

Shri Soneswar Bora (Minister, Co operation) replied —

439. (a)—Yes.

(ক)—হয় ।

(b)—Allegations were enquired into through the Deputy Register of Co-operative Societies, Jorhat and the enquiry report it under examination of the Depariment.

(খ)—সমবায় বিভাগৰ যোৰহাটৰ উপ-পঞ্জীয়কৰ দ্বাৰা অভিযোগৰ তদন্ত কৰা হৈছিল আৰু তদন্ত প্ৰতিবেদন বৰ্ত্তমানে চৰকাৰৰ পৰীক্ষাধীন হৈ আছে ।

## RE: PROPOSED R. C. C. BRIDGE OVER RIVER GAURANG

Shri Ranendra Narayan Basumatari asked :—

*440. Will the Minister, P.W.D be pleased to state—

(a) Whether it is a fact that the Chief Engieer, P.W.D.

(Roads), Assam called for a cost apprisal report on the proposed R. C. C. bridge over the river Gaurang from the Executive Engineer, P. W. D. (Roads), Kokrajhar Division ?

(b) If so, when ?

(c) Whether the said cost apprisal report is with the Government now ?

(d) If so, whether Government has taken any action in this regard ?

Shri Dulal Chandra Baruah (Minister, P. W. D.) replied :—

440. (a)—Yes.

(b)—In March, 1978.

(c) –Yes.

(d)—This would depend upon availability of sufficient fund under "Plan" and relative merit of this bridge compared with other bridge in different Civil Sub-division.

বিষয় : ধেমাজী মহকুমাৰ অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ

শ্ৰীপূৰ্ণ চন্দ্ৰ বৰাই সুধিছে :—

*৪৪১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধেমাজী মহকুমাৰ কোন কোন প্ৰধান ঠাই সমূহত অগ্নি নিৰ্ব্বাপক ব্যৱস্থা আছে ?

(খ) ধেমাজী মহকুমাৰ সদৰ কেন্দ্ৰ ধেমাজী নগৰত অগ্নি নিৰ্ব্বাপক ব্যৱস্থা আছেনে আৰু যদি আছে, কোন পৰ্য্যায়ৰ ?

(গ) যদি নাই, কিয় হোৱা নাই আৰু কেতিয়া হব ?

(ঘ) ধেমাজী নগৰ এলেকাৰ সকলো চৰকাৰী আৰু বেচৰকাৰী ঘৰ-দুৱাৰৰ ভিতৰত সততে অগ্নিয়ে দাহ কৰিব নোৱাৰা শতকৰা পকা ঘৰৰ সংখ্যা কিমান চৰকাৰে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :—

৪৪১। (ক) আৰু (খ)—ধেমাজী মহকুমাৰ কোনো ঠাইতে বৰ্ত্তমানে কোনো ধৰণৰ অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ নাই।

(গ)—অৰ্থপ্ৰাপ্তিৰ ওপৰত নিৰ্ভৰ কৰি পৰ্য্যায়ক্ৰমে এনেকুৱা ১৬ টা উপ-অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপনৰ বাবে ১৯৭০ চনত এটা প্ৰস্তাব গ্ৰহণ কৰা হৈছিল। অৰ্থ নাটনিৰ কাৰণে এই পৰ্য্যন্ত প্ৰস্তাবিত ১৬ টা কেন্দ্ৰৰ আটাইকেইটা স্থাপন কৰিব পৰা হোৱা নাই। উক্ত প্ৰস্তাবিত ১৬ টা কেন্দ্ৰৰ ভিতৰত ধেমাজী অন্তৰ্ভুক্ত হোৱা নাছিল। এই কাৰণেই ধেমাজীতো এটা অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপন কৰিব পৰা হোৱা নাই।

প্ৰস্তাৱিত ১৬ টা কেন্দ্ৰ স্থাপন হোৱাৰ পিছত পৰৱৰ্ত্তী পৰ্য্যায়ত ধেমাজীতো এটা উপ-অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপনৰ বাবে বিবেচনা কৰা হব। এই সংক্ৰান্তত সঠিক সময় এতিয়াই উল্লেখ কৰা টান।

(ঘ)—শতকৰা প্ৰায় ৬'৬ ভাগ চৰকাৰী আৰু বেচৰকাৰী ঘৰ অগ্নিয়ে সহজে দাহ কৰিব নোৱাৰা পদাৰ্থৰে নিৰ্মিত।

বিষয়ঃ কলেজ সমূহের MERIT SCHOLARSHIP এবং LOWER INCOME GROUP এর SCHOLARSHIP এর টাকা

শ্ৰীদীপক ভট্টাচাৰ্য্য জিজ্ঞাসা করিয়াছেন :—

*৪৪২। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি—

(ক) আসামের কোন কোন কলেজে ১৯৭৭-৭৮ সনের Merit Scholarship এবং Lower Income Group এর Scholarship এর টাকা ছাত্রদের মধ্যে বণ্টন করা বাকী আছে কিনা ?

(খ) যদি বাকী থাকে, তার কারণ কি ?

(গ) কবে নাগাদ সেই টাকা বণ্টন করা হবে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

৪৪২। (ক)—হয়, আছে। ছাত্ৰ সকলৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

(খ)—পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰসকলৰ Scholarship কোন মহাবিদ্যালয়লৈ যাব তাৰ নাম নথকাৰ কাৰণে ১৯৭৭-৭৮ চনৰ Merit Scholarship বিতৰণ কৰা হোৱা নাই। দিশপুৰ ষ্টেটট বেঙ্কে (S.B.I.) ১৯৭৮ চনৰ আগষ্ট মাহত বিল (Bill) বোৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ

কৰাৰ কাৰণে কিছুমান মহাবিদ্যালয়ৰ ছাত্ৰই ১৯৭৭-৭৮ চনৰ Lower Income Groupৰ Scholarship (fresh)ৰ টকা পোৱা নাই ।

(গ)—Arrear Scholarshipৰ টকা এই বিত্তীয় বছৰৰ ভিতৰতেই বিতৰণ কৰাৰ চেষ্টা কৰা হৈছে ।

বিষয়ঃ চৰ অঞ্চলত কৃষি বিভাগৰ উন্নয়নমূলক আঁচনি

শ্ৰীএম, ইব্ৰাহিম আলিয়ে সুধিছে ঃ—

*৪৪৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চৰ অঞ্চলত কৃষকসকলৰ কাৰণে কৃষি বিভাগৰ কিবা উন্নয়নমূলক আঁচনি চৰকাৰৰ হাতত আছেনে ?

(খ) যদি আছে, বৰপেটা মহকুমাৰ দক্ষিণ পশ্চিম এলেকাৰ বৃহৎ চৰাঞ্চলত কৃষি উন্নয়নমূলক আঁচনি চৰকাৰে কাৰ্য্যকৰী কৰিবনে ?

(গ) যদি হয়, তেন্তে সেইবোৰ কেতিয়া আৰু ক'ত ক'ত আৰম্ভ কৰা হব ?

(ঘ) যদি নহয়, কিয় ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪৪৩। (ক)—আছে।

(খ)—কৰা হব ।

(গ)—চৰ অঞ্চলৰ কৃষি উন্নয়ন কাম ৰবি শস্যৰ বতৰত কৰা হব

আৰু সেই হিচাবে বৰপেটা মহকুমাৰ দক্ষিণ পশ্চিম এলেকাতো অহা ৰবি শস্যৰ বতৰত আৰম্ভ কৰা হব। কোন কোন ঠাইত লোৱা হয় সেই বিষয়ে বি:বচনা কৰি থকা হৈছে।

(ঘ)—প্ৰশ্ন নুঠে।

## বিষয়ঃ চৰ অঞ্চলৰ উন্নতিৰ বাবে আঁচনি

শ্ৰীএম ইব্ৰাহিম আলিয়ে সুধিছে :—

*৪৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে চৰ অঞ্চলৰ উন্নতিকল্পে কিবা আঁচনি হাতত লৈছেনে ?

(খ) বৰপেটা মহকুমাৰ দক্ষিণ-পশ্চিম অঞ্চলটো প্ৰধানতঃ চৰ এলেকা আৰু সেই এলেকাত দুই লাখত (২০০০০০) কৈ অধিক লোক বাস কৰাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, চৰকাৰে তেওঁবিলাকক সাঙুৰি কিবা আঁচনি প্ৰস্তুত কৰিছে নেকি ?

(ঘ) যদি নাই কৰা, তাৰ কাৰণ জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪৪৪। (ক)—ৰাজ্যিক পৰিকল্পনাত কেৱল চৰ অঞ্চলৰ বাবে আচুতীয়া কোনো কাৰ্য্যসূচী নাই।

(খ)—বৰপেটা মহকুমাৰ দক্ষিণ পশ্চিম অঞ্চলত থকা ২৯টা চৰৰ জন-

সংখ্যা ১৯৭১ চনৰ পিয়ল অনুসৰি ৪৯,৩৫৪ জন। গতিকে গড় হিচাবে প্ৰতিটো চৰৰ জনসংখ্যা ১৭০২ জন।

(গ)— অন্যান্য অঞ্চল সমূহৰ দৰেই চৰ অঞ্চলৰ উন্নয়ন মূলক আঁচনি বিলাকো অনুসংগিক মানদণ্ড (Norms) অনুযায়ী আৰু ভৌগোলিক আৰু অন্যান্য বাধা বিপত্তি সাপেক্ষে সামগ্রিক পৰিকল্পনাৰ গণ্ডীৰ ভিতৰত পৰিছে।

(ঘ)—কেৱল জনজাতীয় আৰু পাৰ্ব্বত্য অঞ্চল বিলাকৰ কাৰণেহে পৰিকল্পনাৰ ব্যৱস্থা কৰে।

## বিষয়ঃ বান্দৰৰ উৎপাতত শস্য নষ্ট

শ্ৰীযোগেন গগৈয়ে সুধিছেঃ—

*৪৪৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বহু অঞ্চলত বান্দৰৰ পালবোৰে খেতি পথাৰ আৰু বাৰীৰ অনেক শস্য নষ্ট কৰি আৰ্থিক উন্নয়ন ক্ষেত্ৰত এই অঞ্চলবোৰৰ পৰিয়াল সমূহৰ অগ্ৰগতিত বাধা দিছে বুলি চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে নিৰাপত্তামূলক ব্যৱস্থা খৰতৰ গতিৰে লবনে ?

(গ) যদি লয় তেন্তে শিৱসাগৰ মহকুমাৰ বকতা মৌজাৰ জাপিসজীয়া কৰঙ্গা গাঁৱৰ এনে বান্দৰৰ উপদ্ৰৱত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ বাবে নিৰাপত্তামূলক ব্যৱস্থা তৎকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪৪৫। (ক)—হয়, জানো।

(খ)—নিৰাপত্তামূলক ব্যৱস্থা লোৱাৰ কথা বিবেচনাধীন হৈ আছে ।

(গ)—নিৰাপত্তামূলক ব্যৱস্থা লোৱা থিৰাং হলে বকতা মৌজাৰ জ্ঞাপিসজীয়া কৰঙ্গা গাঁৱত অগ্ৰাধিকাৰ দিয়া হব ।

বিষয় ঃ সীমান্ত প্ৰতিৰক্ষাৰ বাবে নতুন পুলিচ বেটেলিয়ন গঠন

ৰবীন্দ্ৰ নাথ মালাকৰে সুধিছে ঃ—

*৪৪৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম আৰু নগালেণ্ডৰ সীমান্তৰ দীৰ্ঘতা কিমান ?

(খ) এই সীমান্ত প্ৰতিৰক্ষাৰ বাবে অসমৰ সুকীয়া বেটেলিয়ান আছেনে ?

(গ) যদিহে নাই, নাগালেণ্ড, অৰুণাচল আৰু মেঘালয় আদি সীমান্ত প্ৰতিৰক্ষাৰ বাবে অন্তত: দহটা বেটেলিয়ন নতুনৈকৈ সৃষ্টি কৰিবনে ?

(ঘ) যদিহে কৰিব, তেনেহলে এনেধৰণৰ প্ৰস্তাৱ কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী দপ্তৰত পেচ কৰা হৈছেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

৪৪৬। (ক)—অসম আৰু নগালেণ্ড সীমান্তৰ দীৰ্ঘতা প্ৰায় ২৭০ মাইল বা ৪৩৪ কিলোমিটাৰ।

(খ)— নাই ।

(গ) আৰু (ঘ)—অসম নগালেণ্ড, অসম-অৰুণাচল আৰু অসম-মেঘালয় আদি

সীমান্ত প্ৰতিৰক্ষাৰ বাবে আৰু এই ঠাইবোৰত বেদখল আৰু অন্যান্য উপদ্ৰৱবোৰ বাধা দিবলৈ প্ৰায় আনুমানিক ৭টা বেটেলিয়নৰ দৰকাৰ।

আমাৰ ৯টা অসম পুলিচ বেটেলিয়ন আছে। আইন-শৃংখলা ৰক্ষাৰ কাৰণে তেওঁলোকক বিভিন্ন ঠাইত ৰাখিব লগীয়া হয়। চি-আৰ-পি ( C. R. P. F. ) বিচাৰিলেও সদায় পোৱা নহয়।

আনহাতে নগাৰাজ্যৰ নিচিনা সৰু ৰাজ্যতো ৫ টা বেটেলিয়ন আছে।

ৰাজ্যখনৰ আইন শৃংখলা ৰক্ষাৰ কাৰণে আৰু দুটা পুলিচ বেটেলিয়ন গঠন কৰাৰ বাবে আৰ্থিক সাহায্য বিচাৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰীক অনুৰোধ কৰা হৈছে।

## RE: SUBDIVISIONAL SCHEDUALED CASTES DEVELOPMENT BOARDS, KARIMGANJ

Shri Ramendra De asked :—

*447. Will the Minister, Welfare of plains Tribes and Backward Classes be pleased to state—

(a) Who are the members of Subdivisional Scheduled Castes Development Board, Karimganj ?

(b) Whether Shri Kamdev Das of Rakeshnagar under Badarpur Assembly constitueucy is a member of the said Board ?

(c) Under what ground and interest the Subdivisional Welfare Officer, Karimganj issued the letter No. DC-KG.40/78/19, dated Karimganj the 25th July, 1978 addressed to the Chairman, Subdivisional Scheduled Caste Development Board ?

Shri Ramesh Mohan Kauli (Minister, Welfare of Plains Tribes & B. C.) replied :—

447: (a)—A list of members of Subdivisional Development Board for Scheduled Castes, Karimganj is placed on the table of the House.

(b)- Yes.

(c)—The letter was issued to intimate the decision conveyed in Governmet Notification No. TAD/SC/81/78/137, Dated 23rd June, 1978. There was no other intention.

RE : BHORASORA IRRIGATION SCHEME PH—II

Shri Mathias Tudu asked :—

*448 Will the Minister, Irrigation be pleased to state—

(a) Whether Bhorasora Irrigation Scheme Ph.—II has been completed ?

(b) If not, why ?

(c) What is the reason for delay ?

(d) Whether necessary techical sanction and approval have been given ?

(e) If not, the reason thereof ?

Shri A. F. Golam Osmani (Minister, Irrigation) replied:—

448. (a) No.

(b)—Due to public obstruction in getting possession of land for non-payment of compensation to them demand for change of alignment of canal etc. the execution of the actual work could not be started earlier. 90% of the canal has since been executed. But in the meantime, due to escalation of prices over such a long period of years, it was found that the estimate requires revision and accordingly a revised estimate was prepared.

(c)—As shown in reply to (b) above.

(d)—Administrative Approval and Technical Sanction were given to the estimate of this scheme before the present rivision. Revised estimate Administrative Approval to the Revised scheme has been accorded recently.

(e)—Does not arise in view of reply at (d) above.

UNSTARRED

QUESTIONS AND ANSWERS

Date: 31st March, 1979

( To which answers were laid on the table )

বিষয়ঃ ফিলোবাৰী কৈলাপুৰ আৰু ফিলোবাৰী বৰডুমচা ৰাস্তা

শ্ৰীকুল বাহাদুৰ চেত্ৰীয়ে সুধিছে :—

৪০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ফিলোবাৰী কৈলাপুৰ আৰু ফিলোবাৰী বৰডুমচা ৰাস্তা দুটা ৬ষ্ঠ পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :—

৪০। ৬ষ্ঠ পৰিকল্পনাত নতুন ৰাস্তা নিৰ্মাণৰ বাবে নিম্নতম চাহিদা আঁচনি' (এম-এন-পি-) আৰু 'নিম্নতম চাহিদা আঁচনিৰ বাহিৰ' (আদাৰ দেন এম-এন-পি) এই দুই শিতানত টকাহে ধৰা হৈছিল। কোনো নিদিষ্ট ৰাস্তাৰ ধৰা হোৱা নাই।

RE ; PRIVATE BUSES

Shri M. Ibrahim Ali asked :—

41. Will the Minister Transport be pleased to state—

(a) Whether Government is aware of the fact that

most of the Private buses plying on various routes in the state are unhyegenic uncomfortable and below standard ?

(b) While giving parmit to the private buses, whether Government have strict norms as to the size and model of the body of the buses ?

(b) If so, whether Government issuses instructions in this regard ?

(d) If not, why ?

Shri Zahirul Islam Minister, Transport) replied :—

41. (a)—No sepecific complaint has been received by the Government.

(b)—Rules, framed under the Motor vahicles Act, prescribe the body dimension, seating room etc. for public service vehicles and it is a general condition of permit that the vehicle shall carry valid certificate of fitness under the law.

(c)—There are Government instructions in regard to the issue of certificate of fitness which, amount other things contain instruction of regarding construction of body of buses, as per provisions of Motor Vehicles Act,

1939 and Rules made thereunder.

(d)—Does not arise.

শ্রীরমেন্দ্র নরায়ণ দে : — মাননীয় উপাধ্যক্ষ মহোদয়, গতকাল রাত ৮ টার সময় বদরপুৰ শহরের একটি অংশ বদরপুর বাজারে এক অগ্নি-কাণ্ডের ফলে সেখানকার বাজার এলাকা ধ্বংশ হয়ে গিয়েছে। যদিও পুরো-পুরি খবর আমার হাতে নাই তবুও আংশিকভাবে যে খবর পেয়েছি সেখানে ক্ষতির পরিমাণ কয়েক লক্ষ টাকার মতো হবে। এই খবরটি আমি আপ-নার মাধ্যমে সরকারের হাতে দিছি।

উপাধ্যক্ষ মহোদয়, বদর পুরে প্রায়ই অগ্নিকাণ্ড ঘটে এবং যদিও সেখানকর ফায়ার ব্রিগেড অত্যন্ত দক্ষতার সংগে তার মোকাবিলা করে তবুও একটা বড় অসুবিধা হলো যে সেখানে ঢোকার মত কোন রাস্তা না থাকার বাজার এরিয়ায় গাড়ি ঢোকেনা।

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— রোড সাইডে আপনারা এনক্রোচ-মেন্ট বন্ধ করুন নতুবা গাড়ি ঢুকবে কি করে ?

শ্রীরমেন্দ্র দে :— তা অবশ্য ঠিক কিন্তু বদরপুরে একটাও পি ডব্লু ডির রাস্তা নাই এবং সেখানে জলের খুব অভাব, কোনও ব্যবস্থা নাই। প্রায় এক মাইলের মধ্যে জলের কোনও ব্যবস্থা নাই যার ফলে সেখানে এই জাতীয় ঘটনা প্রায়ই ঘটে থাকে। আমি এই ব্যাপারে সরকারের দৃষ্টি আক-র্ষণ করছি।

শ্রীলক্ষেশ্বৰ গোহাঁই (মন্ত্রী) :— মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে যিটো কথাৰ বিষয়ে দৃষ্টি আকর্ষণ কৰিছে এই সম্পর্কত অনুসন্ধান চলাই অতি সোনকালে মঞ্জুৰি দিয়াৰ ব্যৱস্থা লম। তেখেতসকলৰ যদি ক্ষয়-ক্ষতি

হৈছে সেইবিষয়ত যদি আবেদন কৰে তেতিয়াহলে তাৰ পুনৰ সংস্থা-পনৰ ব্যৱস্থাৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হব।

Mr. Deputy Speaker :— Now Shri Samsul Huda to raise a matter.

শ্ৰীচামচুল হুদা :— মাননীয় উপাধ্যক্ষ মহোদয়, কাছাৰ জিলা আনোৱাৰ নদীত এটা মাছৰ মহল আছে। সেই নদীত ১ বছৰ ধৰি এটা উত্তেজনা সৃষ্টি হৈ আছে। অতিজৰে পৰা সেই নদীত প্ৰায় ২শ পৰিয়াল মানুহে মাছ-পুথি মাৰি খোৱাৰ যোগাৰ কৰি আহিছে। যোৱা বছৰ নতুন চৰকাৰে কৰপশ্যানৰ ভিতৰত এই মহলটো অন্তৰ্ভুক্ত কৰে। তাৰ পিচত তাৰ স্থানীয় ৰাইজে বিভিন্ন ধৰণে গণতান্ত্ৰিক আন্দোলন কৰোতে এইটো কৰপশ্যানে নাকচ কৰিলে। সেই কৰণেই তাত এই ঘটনাই উত্তেজনা সৃষ্টি হৈ আছে। আৰু ৩/4 গাড়ী সশস্ত্ৰ পুলিচ বাহিনী তালৈ যাব লগীয়া হৈছে সেই অৱস্থা নিয়ন্ত্ৰণৰ কাৰণে। এই আনোৱাৰ নদী আশে-পাশে ৰাস্তা ঘাটৰ কোনো ব্যৱস্থা নাই। তাত এই ভয়াবহ যিটো অৱস্থা সৃষ্টি হৈছে সেই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ে বহু আবেদন নিবেদন পোৱা গৈছে। এই কথাটো বিবেচনাধীন হৈ আছে। যোৱা বছৰ চেটেলমেন্ট হৈ গল। তাৰ পিচত বহুখিনি আবেদন নিবেদন পাইছো, ইতিমধ্যে সন্নিষ্ট দপ্তৰৰ লগত আলোচনা চলোৱা হৈছে। পিচত ব্যৱস্থা কি সেই বিষয়ে পিচত জনাম।

শ্ৰীআক্ৰাম হুছেইন :— মাননীয় উপাধ্যক্ষ মহোদয়, কামৰূপ জিলাৰ ছয়গাঁৱৰ বিধান সভাৰ সমষ্টি খৰাং বতৰৰ ফলত খেতি-বাতি প্ৰায় নষ্ট হৈ গৈছে, খোৱা পানীৰ অভাৱত ৰাইজৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে।

তাত যিবিলাক নাদ, খাল পুখুৰী আছিল সেইবিলাক শুকাই গৈছে। ৰাইজে খোৱা পানীৰ সমস্যাত পৰিছে। গতিকে ইয়াৰ যদি যথোপযুক্ত ব্যৱস্থা সোনকালে নহয় অদূৰ ভৱিষ্যতে খাদ্য সংকতে দেখা দিব। গতিকে আপোনাৰ জৰিয়তে ৰাজহ মন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে তাৰ এটা যথোপযুক্ত ব্যৱস্থা লয়।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীৰ পৰা ছয় গাঁৱৰ কোন কোন গাঁৱত পানী নাইকীয়া হৈছে বিস্তৃতভাৱে জানিব পাৰিলে ভাল আছিল। তথাপিতো এইটো অনুসন্ধান কৰি এই বিষয়ে যথোপযুক্ত ব্যৱস্থা লম বুলি ভাবিছো।

Mr. Deputy Speaker :— There was police firing at Mancacher and Mr. Phani Medhi to raise the matter. So, I request the Hon'ble Chief Minister to give a statement regarding this.

Shri Phani Medhi :— Without raising the matter how can the chief Minister give a statement ?

Mr. Deputy Speaker :— Since the Chief Minister is giving a statement about the matter, raising of the matter here is not necessary. Let me tell the Hon'ble House. Why a matter is raised in the House ? it is only to get a reply from the Govt. or the Minister concerned. So, when I have alredy requested the Hon'ble Chief Minister to give statement about the matter, question of raising the matter does not arise.

*Shri Golap Barbora (Chief Minister) :– Hon'ble Deputy Speaker Sir, I would like to make a statement on the death of a person at No. 2 purbergram village under Mancachar Police Station in Goalpara district due to Police firing on 27.3.79.

On 27.3.79 forenoon a police party consisting of 2 S.Is., one A.B. S.I. with 3 U. B. and 2 A.B. constables with lathis from Mancachar Police Station went to No. purbergram village to execute an order of land attachment (U/S 1.5 Cr. P.C. of Dhubri Court) issued by Executive Magistrate Dhubri. The parties in this case were Shri Sahidul Amin (1st party) and Shri Noor Hussain and others (2nd party). There was standing wheat crop over the disputed land and according to Court's order the crop was to be harvested by a third party and sold in auction.

The Police party on arrival found that the second Party was harvesting standing wheat crop in the disputed land and when the police party tried to pursuade them not to harvest the crop and allow the police to attach the land the second party refused to leave the disputed land unless the boundary of the land are shown

Speech not corrected

to them by the Lot Mandal. The S.I. in-charge of the polic party then went to the SDC's office Mancachar and requested the SDC to depute the Lot Mandal for actual demarcation of the disputed land. But since Lot Mandal was on leave he returned to the disputed land and then went to the Police Station leaving behind a police personnel of his party at Jordanga Check Gate near the disputed land.

When the O.C., Mancachar police Station reported to the Circle Inspector, Mancachar that the land could not be attached resistance from the second party, the circle Inspector directed the O.C. to execute the courts order personally. Accordingly, O.C Mancacher police station along with S.I. In Charge of the party and some armed constables went to the disputed land. Through the second party refused to sign the execution forms of the attachment order, the O. C executed the order in presence of witnesses and arranged for harvesting of the attanding crops. As soon as harvesting has started the second party members numbering about 40 including females being armed with sharp weapons rushed towards the police party from a nearby house and started beating one Khalek Mia reported to be a supporter of the first party. When the police party tried to intervene they also attacked the police party causing injuries to the

police personnal including the O.C Mancarher police Station. All attampts to pacicy the violment members of the second party proved inaffective and the members tried to snatch away the rifles from the police party. In the melee one A.B. S.I. fell down and fearing grievous assault fired one round from his rivolver but none was injured. As the situation took a serious turn and went out of hand, the O.C. ordered firing in self defence at about 4/4.15 p.m., following which 3 rounds were fired. One of the bullets hit one second party member Shri Nessaruddin and he died on the spot. When firing was resorted to all assailants flod away. The DIG ( WR ), Addl. Deputy Commissioner, Dhubri, S.P, Dhubri visited the place of occurence on the following day to make on the spot study and police investigation is proceediug. In the meantime, the Addl. Deputy Comissioner has also conducted an enquiry and his report is awaited.

ফণি মেধি ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা স্পিয়েৰিফিকেচন বিচাৰিছো, যে যেতিয়া অ' চিয়ে নিজে সেই গৰীব খেতিয়ক জনক গুলিয়াই মাৰিছিল, তেতিয়া মেজিষ্ট্ৰেট লগত আছিল নে নাই ? It any police officer including the O.C got any injury, is there any medical certificate in respect of there injury ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, ইনকুৱাৰীত

প্ৰথমে তেওঁলোকক আক্ৰমণ কৰিবলৈ অহা বুলি কোৱা হৈছে আৰু বাকী খিনি তদন্ত চলি আছে।

শ্ৰীহেমেন দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছে, প্ৰশ্নটো হৈছে, পুলিচে শান্তি-শৃংখলা ৰক্ষা কৰাৰ কাৰণে অধিকাৰ আছে আৰু এই ক্ষেত্ৰত কিবা উচিত উপায় অবলম্বন কৰিব লাগে কৰক, কিন্তু মাটিৰ সীমা নিৰ্দ্ধাৰণৰ দায়িত্ব নিশ্চয় ৰাজহ বিভাগৰ কৰ্ম্মচাৰৰী হাতত। এনে অৱস্থাত ৰাজহ বিভাগৰ কৰ্ম্মচাৰীক লগত নিনিয়াকৈ পুলিচে কেনেকৈ মাটি চমজাই দিব পাৰিলে আৰু কোন আইনৰ বলত এইটো কৰিলে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিলোঁ।

Shri Keshab Chandra Gogoi :— Mr. Deputy Speaker, Sir. It is abundantly clear that the police went there under Court's order to execute its order. When lands are attached by Court's order it is specific, the boundary of the land is given in the attachment order. So, if there is no difficulty it is not always necessary for Revenue people to accompany the police; it is also not for the magistrate to accompany the police. It is evident that the firing was in self-defence; everybody can do it; even an individual can do it. When right of private defence is claimed it is not written in so many words. So, the police said it is in self-defence they had to resorte to firing.

(interruptions)

Shri Giasuddin Ahmed :— I went a clarificaton. it has been started that there was an attchment order from the Court and there must have been mentioned in the attachment order the Khatian number, dag number, and boundary of the disputed land. Now, what was the dag number, what was the khatian number and what was the boundary of the land mentioned in the attachment order and the dag number, khatian number and boundary of the land where the occurence took place ? I went thse two numbers.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী :— উপাধ্যক্ষ মহোদয়, এই সকলোবোৰ তদন্ত কৰি থকা হৈছে, পিচত সম্পূৰ্ণ বিৱৰণ জনোৱা হব ।

*Shri Premadhar Bora :— Mr. Deputy Speaker, Sir. from the statement of the Hon'ble Chief Minister it is agreed that so far execution of the Court's order is concerned we have nothing to do. Police are in-charge of law and order but so far as demacration of the boundary is concerned it is for revenue. As per statement of the Chief Minister it 'is revealed that second party said without Mondal, without the staff of Revenue they are not allowing the attachment and, in that case the O.C, returned to S.D.C. officer, and as the Lot Mondal was on leave he was ordered by the high officials to go and execute the order. I Went to know so far

as democration of the boundory is cnucerned it is the duty of the revenue staff and it was revealed there was not revenue staff. Then how it was done, Sir. It is a serious case and we are not satisfied with the statement as it is and we are urge upon the Govt. to enquire into the whole affair and take drastic action against the officers.

Shri Keshab Chandra Gogoi (Minister) :– It has already been stated enquiry is being held. I reiterate my statement that when the police goes to a particular land for execution of order the boundary of the land, dag number, chitha number must be stated in the order. Unless that is there they cannot do the attachment. Demacration of the baundary is already specified in the attachment order.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা চিৰিয়াচ কথা যে আমাৰ পুলিচৰ হাতত ইণ্ডিয়াৰ নেচনেলিটিৰ সকলো অধিকাৰেই দিয়া হৈছে, কাৰণ মাটিৰ চাৰি সীমাৰ দাগ নম্বৰ, আদি মণ্ডলৰ হাতত থাকে, এনে স্থলত মণ্ডলক লগত নিনিয়াকে মাটিৰ চাৰি সীমাৰ দাগ নম্বৰ, সীমা আদি ঠিক কৰি দিলে, যাৰ ফলত সেই সংক্ৰান্তত খেতিয়ক জনৰ মৃত্যু ঘটিল আৰু এনেকৈ বহুতো ঘটনা দেখি থকা হৈছে তাৰ বিচাৰৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে, মন্ত্ৰী মহোদয়ে উত্তৰ দিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— উপধ্যক্ষ মহোদয়, মই এই বিষয়ে আগতেই কৈছো যে এটাচমেণ্ট অৰ্ডাৰত মাটিৰ ডাগ নম্বৰ যদি দিয়া থাকে, যেনে,

এইটো পুৰে আমোকৰ, পশ্চিমে তমোকৰ, উত্তৰে অমোকৰ, দক্ষিণে তমোকৰ এইদৰে দাগ নম্বৰ খচি মাটিৰ চাৰি সীমাত দিয়া থাকিলে, মণ্ডলৰ আৱশ্যক নহয়। গতিকে মণ্ডল নোহোৱাকৈও পুলিচে মাটিৰ সীমা ঠিক কৰি দিব পাৰে।

শ্ৰীগোলোক ৰাজবংশী :— মাননীয় উপাধ্যক্ষ, এইটো কথাত আমাৰ সন্দেহ হৈছে। কাৰণ সাধাৰণতে এইটো দুটা পাৰ্টিৰ কেচ্, গতিকে আমি যি জানো বিশেষ কোনো কথা নেথাকিলে পুলিচে আৰ্মদ হৈ নেযায়, গতিকেই আমাৰ সন্দেহ ৰ'ল।

শ্ৰীগোলাপ বৰ বৰা :—উপাধ্যক্ষ মহোদয়, এই বিষয়ে তদন্ত চলি আছে। খবৰ পালে নিশ্চয় বিচাৰ কৰা হ'ব।

Mr. Deputy Speaker :—While the hon'ble Minister said that there is enquiry then proper action will be taken. So, now item No. 2.

Sri Hemen Das :—Mr. Deputy Speaker Sir, I beg to call the attention of the Minister, Industries under Rule 54 of the Rule of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Assam Tribune, dated 16th Februaay 1979 under the caption "Jogighopa Paper Mill Faces Crisis".

*Sri Jagannath Sinha, :—Mr. Deputy Speaker Sir, the Paper & Pulp Mill of the Jogighopa unite of Ashok Paper Mill want into production in 1976 and the Caustic Soda Plant at the end of 1977. The quality of the products has been very

wellaccepted in the market and there is no constraint in marketing of these products. There was some problem in procurement of bamboo but this has been partially solved. Prior to the establishment of Ashok paper mill at Jogighopa a large quantity of home grown bamboo from our State used to be procured by out side mills. The total requirement of bamboo of Ashok paper mill is approx. 1 lakh tonnes per year out of which 60 thousand tonnes is to come from Govt. forest and 40 thousand tonnes from home grown private sources. The outside mills purchase home grown bamboo at the rate of Rs. 80/- to 90/- per tonne at the time when Jogighopa mill went into production. When Ashok paper mill, Jogighopa started procurement the price of the home grown bamboo went upto Rs. 160/- per tonne as the out-side mills accelerated their procurement. At that time Govt. took some protective measures to ensure steady supply of bamboo to Ashok Paper mill and the problem of procurement of bamboo was partially solved.

There has beed difficulties in availability of power because of acute shortage of power both in Assam as well as in Bihar, The mill also faced difficulties in transporting coal and lime from the sources. The power shortage is partially solved but the treansportation

difficulties of procuring raw materials still persist.

There was some demands of the recognised labour Union in 1977. This was settled in the from of an agreement in the middle of March'78. Immediately thereafter an Association of officers was formed. The task of rivision of pay the officers was also taken in hand as soon as the fitment of the workers was completed by the middle of 1978.

From about September/October'78, the Association started pressing for rivision of pay scales and fitment in the scale. The management completed the work very quickly and informed the officers both in Bihar factory as well as Assam factory in November 1978. The Bihar Officers accepted the new pay Scale and fitment but the Assam (cxcepting a very few) did not accept the new pay scale. Thereafter, the officers association sent a letter giving a charter of demands on rivision of pay scales, organisation chart etc. starting that they would stay away from work one day on 21st Dec'78. They were requested by the Management not to resort to stay away but to discuss with the Management after 21st Dec'78, but they stayed away from work on the 21st Dec'78.

Thereafter, the Association gave a notice of inde-

finite strike with effect from 27.1.79 reiterating demands like revision of pay-scales, introduction of organisation chart and adding new demands like introduction of Contributory Provident Fund, introduction of Gratuity Scheme, Leave Travel Concession, Accommdation to all Officers, improvement of medical facilities and promotion policy. The Association was at that time not registered. It deos not come unde the Industrial Disputes Act. Therefore, the management maintained a relation through informal discussions. The decision of informal discussion held with the Association were to be discussed in the Board's meeting on 25.1.79 and the officers were asked not to strike Unfortunately, on 23.1.79 a letter was issued by the Association statting that their various demands had to be fulfilled by 27.1.79 31.1.79. and 10.2.79, otherwise they would go on indifinite strike from 19.2.78 The Board was of the view that under such continued threat by an unregistered Assocations, which was going too far. should not be given any more encouragment and decided therefore not to have any more discussion or communication with them. But the Board at the same time agreed to the demands as far as were possible and the same was commuicated by the Managing Director to individual officers of Jogighopa Unit. Some of these letters were returned by the Association stating that only

the Association should be addresed in such matters.

It is true that the two mills together produce goods worth Rs. 5 lakhs a day out of which Rs.1 lakh goes to the Central Exchequer in the form of Excise Duty and an amount of Rs 10,000/- to Rs. 20,000/- per day depending on the place of sales to the State Govt. in form of Sales Tax. If there is stoppage of production in the Assam Unit, the Bihar Unit faces closure due to shortage of pulp. Assam Unit employs about 1500 people and Bihar Unit about 800 people directly, besides indirect employment to many others. Both these units are situated absolutely in rural area and they have really contributed in the economic development of these two industrially backward States.

Ignoring these facts, the officers went on an indefinite strike with effect from 2.2.79. Ultimately the strike was called off on the intervention of the state Govt. on the 23rd February, 1979. During this period of Strike, it is true that the Company huge loss and Govt. were deprived of their taxes as well.

As the strike had been called off at the intervention of the State Govt., the Industries Minister called the Managing Director and also representatives of the officers and devoted hours to bring about settlement of the issues, but was found that officers had highly exa-

ggerated expectations about fixations of their pay and fitment in slabs of scales as prescribed by the Board of Directors.

As regards the complaints listed in the news item about the management, it may be pointed out that they are not based on facts. A responsible management consisting of experienced man in the line of this industry is managing the project, under the provisions of the Indian Company's Act. There is Board of Directors which includes representative of both Govts of Assam and Bihar as well as of the Finanlcial Institutions and experts in paper industry. After good deal of deliberating important decisions on such vital aspects of Managements, such as capital invesment etc. are taken. There is no scope to deal with money of the Company at the whims and fancy of any one individnal as alleged. In awarding contracts. recruitmet of personnel, set procedures are followed.

The State Govt. is quite concerned and have taken adequate steps to maintain law and order properly in the Mill and deputed concerned Senior officers to see that the law and order is propely maintained. The perliamentary Secretary of Labour has also visited the Mill to remove the stalement. The Chief Minister also

instructed the representative of the officers Association of Ashok Paper Mill to call off the strike immediately. He further told the representatives of the Association that the Management have conceded to their demands as far as they can. The Chief Minister further told them that he would look into their jnstified demands.

There has been unrest recently in some of the Industries and the State Govt. are conscious about it and will not allow any indicipline in the industry to grow and ensure that the production is maintained.

Shri Premadhar Bora :— Mr. Deputy Speaker Sir, there is one point of clarification. Sir, whether Government is aware that some industrialists from outside Assam are influencing all these which are detrimental to the interest of states and to the growth of Industries in Assam

Shri Jagannath Sinha :— Mr. Deputy Speaker Sir, the fact remains that the Paper Mill's basic raw-Materials is bamboo. Assam Produces bamboo. So Sir, if the Jogighopa paper Mill, Panchgram paper Mill and Jagiroad Paper Mill come up, it is quite natural that almost all the bamboos produced in Assam will be consumed here. The Mills situated outside the State will

have to face crisis and therefore, Sir, from the very beginning, some sorts of obstacles towards the setting up of the mills at Jogighopa, then at Panchgram, then at Jagiroad were created and Sir, I doubt very much that some unseen hands are playing parts here in Assam.

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ ঃ-- মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যাপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখৰ অসম ট্ৰিবিউন কাকতত প্ৰকাশিত "10 New Road Project for Assam" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত বিষয় এটি উত্থাপন কৰিব বিচাৰিছো।

মই এইখিনিতে একমাত্ৰ দুটা কথা কব বিচাৰিছো। যেতিয়া অসমত ৰেল লাইন নাছিল তেতিয়া বৃটিছৰ সময়ত যি ৰেল লাইন স্থাপন কৰিলে সেই ৰেল লাইনটো বৃটিছ কোম্পানীৰ সুবিধাৰ কাৰণে কৰা হ'ল, ৰাইজৰ সুবিধাৰ কাৰণে কৰা হোৱা নাছিল। এইবুলি মানুহে আজিও সমালোচনা কৰে ঠিক তেনেকৈয়ে যোৱা ৩১ বছৰে কংগ্ৰেছ চৰকাৰৰ দিনত যিবিলাক ৰাস্তা হ'ল সেইবিলাক দলীয় ৰাজনীতিৰ লাইনত কৰা হৈছিল। যোৱা কালি উপাধ্যক্ষ মহোদয়ৰ সমষ্টিলৈ গৈ দেখিছোঁ যে এটা ৰাস্তা যি ফালে যাব লাগে সেই ফালে যোৱা নাই। এতিয়া যি ১০টা নতুন ৰাস্তাৰ আঁচনি কৰিবলৈ লৈছে সেইটো য'ত ইম্‌পোৰটেন্স আছে তাত এই আঁচনি ধৰা হোৱা নাই। হাজোৰ পৰা নলবাৰী হৈ ভূটানলৈ যিটো ৰাস্তাৰ কাৰণে আবেদন কৰা হৈছিল সেই ৰাস্তাটো ইয়াত ধৰা হোৱা নাই। এই ৰাস্তাটোৰ গুৰুত্ব বৰ বেছি। গতিকে কি কি অৱস্থাৰ ওপৰত ভিত্তি কৰি এই ৰাস্তাৰ আঁচনি লোৱা হৈছে সেইটো মই জানিব বিচাৰিছোঁ। উপাধ্যক্ষ মহোদয়, মই লগতে আন এটা কথা জানিব বিচাৰিছো যে যি কেইটা ৰাস্তা লোৱা হৈছে, সেই কেইটা গোটেই

অসমতে প্ৰপোৰ্চনেট হিচাবে কৰা হৈছে নে নাই ?

*Shri Keshab Chandra Gogoi :+ Mr. Deputy Speaker, Sir, the news item under the caption "Ten New Road Projects for Assam "Published in the Assam Tribune dated 16th Feb' 79 has come to the notice of the Government.

The Thirteenth meeting of N. E.C. was held at Shillong on 13th & 14th February, 1979. In the above meeting road projects to be taken up during 6th plan under N E C programme were discused besides review of progress of works taken up during 5th Plan.

The Following projects of regional character with which Assam is concerned heve already been agreed upon for surveys and investigations

1. Improvement of Amguri Jhanji road :— The survey estimate amounting of Rs 15,800/- has already been sanctioned by NEC and preliminary estimate is submitted to N E C for their Administrative Approval.

2. Improvement of Damra-Dalgoma Road (portion from NH-37 to Dolgoma) :— The survey estimate amounting to Rs. 45,600/- only has already been sanctioned and priliminary estimate has already been sent to NEC for sanction.

*Speech not corrected

3. Improvement of Darrangiri Kharkhutta Road :— Survey estimate amounting to Rs. 13,100/- has been sanctioned. Preliminary estimate has already been submitted to NEC secretariat for sanction.

4. Improvement of Dhupdhara Adogiri Road :— Survey estimate amounting to Rs. 32,600/- has been sanctioned and the priliminary estimate has been submitted to NEC. Sectt. for sanction.

5. Improvement of Ghiladhari Borholla Nagabat Road:— Survey estimate of Rs. 91,500/- only has been already been sanctioned and preliminary estimate has been Submitted to NEC Sectt. for sanction.

6. Improvement of Morkongselek Passighat (upto A.P.Border) :— Survey estimate amounting to Rs. 4,700/- has been sanctioned and preliminary estimate has already been submitted to NEC. Secretariat.

7. Improvement of Baithalangsu Kampur Raha Road:— The survey estimate amounting to Rs. 1,40,200/- has been sanctioned and the survey work is in progress.

8. Improvemet of Krishnai Mendipather Road :— Survey estimate amounting to Rs. 40,300/- has been sanctioned and survey works is in progress.

9. Improvemet of Lekhapani Joyrampur Road (port-

ion from Tirap Bridge to A.P.Border ) :- Survey estimate amounting to Rs. 58,400/- has already been sanctioned and survey work is in progress.

10. Gohpur Itanagar Road ( portion from Gohpur to A.P.Border ) : - Survey estimate amounting to Rs. 30,-900/- only has already been sanction and survey work is in progress.

11. Dkhiah Moulsei Haflong Road :— Survey estimate amounting to Rs. 90,000/- has already been sanctioned and survey is in progress.

12. Kohima-Laikalaisong Road :— Survey estimate amounting to Rs. 1,17,000/- has been sanctioned and survey work is in progress.

13. Temenglong-Haflong Road (portion from Laisong to Jiri river) :— Survey estimate of Rs 72,000/- only has been sanctioned and survey work is in progress.

14. Construction of Jingiram Bridge near Phulbari: - Survey estimate amounting to Rs. 45,000/- only has been sanctioned and priliminary project estimate has been submitted to the NEC Sectt. for their sanction.

Besides above projects, State Govt. has also moved NEC for including in the programme the following road

project :—

1) Chapakhowa Tezu road upto Arunachal Pradesh chek post.

2) Barama Tamulpur Road with a bridge over river Pagladia.

3) Mairang Rani Godown Azara Road.

4) Imsning Jagi Road.

5) Boko Hahim Mawsenrat Road.

6) Itanagar Jorhat Road via Bihpuria Badati.

7) Improvement of Hailakandi Gharmurah Road. from 37 K.m. to Gharmurah

8) Metalling and blacktopping of Orang Majbat Rupa Road upto 22nd K.M.

9) Sonari Namtola Road taken in hand under North Eastern Council programme leading to Mon in Nagaland may be extended to connect the nearest N.H. No. 37 in the state of Assam at Moran via Bhajo, Banamali and Kachumari.

10) Medhipara Lakhipur Joleswar Aidikata Road in Goalpara District in Assam connecting Nidanpur in Meghalaya.

11) A road connecting Sadiya with Jonai

12) Chaibaria-Borgong road (of Tezpur Sub-dixision in Assam) conncting Senchal, Dering and Namura of

Arunachal pradesh:

The North Eastern Council will decide the financing of road projects to be taken up under 6th plan in consultation with the Planning Commission.

Following Road projects connecting State of Assam were taken up during 5th Plan period.

1) Paikan—Bajengdoba Road.
2) Damra—Dalgoma Road (Sec-1)
3) Golaghat—Merapani Road.
4) Agia—Medhipara Road.
5) Amguri—Mokokchang Road.
6) Sonari—Namtola Road.
7) Orrang—Majbat Road.
8) Jowai—Khanduli—Baithalagsu Road.
9) Saikhowaghat—Sadiya—Chapakhowa Road.
10 Margherita—Deomali Road.
11) Lekhapani—Joyrampur Road.
12) Kawnpui—Bhairabi - Gharmurah Road.
13) Lekhapani Road.
14) Tirap Bridge.
15) Dholeswari Bridge.
16) Mankachar - Garobhadha Road.
17) Simuluguri—Naginimara Road.

Out of above 5th Plan Schemes, works on follow

ing 6 schemes are more or less physically completed and on rest of the schemes works are at verious stages of progress.

i) Agia—Medhipara Road.

ii) Damra Dalgoma

iii) Paikan—Bojengdoba.

iv) Amguri—Mokokchang.

v) Sonari--Namtola.

vi) Golaghat—Marapani.

During the year 1977-78 a sum of Rs. 185 lakhs was alloted for road projects to the Assam P.W.D. and the full amount was spent.

During current year a sum of Rs. 240.34 lakhs has been alloted and it is expected that the alloted amount will be utilised.

The NEC has aproved an allocation of Rs, 500 lakhs for construction of Brahmaputra Bridge near Silghat (Kalia-Bhomora Bridge) for the year 1979-80. This amount however is meant for both Railways portion of work and work to be done by State P.W.D. In the mean time State P.W.D. is drawing a programme of works and it is expected that the works to the tune of Rs. 200 lakhs will be executed by State P. W. D during

the year 1979-80 on this project.

Regarding connection to Jonai area. there exists a missing gap between Silapathar and Ramdhan a length of 37.11 Km. This road is of extrime importance for providing through comunication to the interrior areas. The project is being financed by Govt. of India, Border Road Development Board. The present positons of the work on this stretch of road is as follows—

(a) Formation completed except in the portion where bridges are to be constructed.

(b) Gravelling about 20% of the works have been completed and rest of the works could not be done due to transport difficulties on account of unbridged gaps.

(c) There are 19 Nos. of culverts-sanctions for which were accorded by Govt. of India for an amount of Rs. 3,33,900/- in June 1976 and the works of these culverts have since been completed

(d) There are 21 Nos of Semi-Permenent Timber Bridges for which sanctions have been accorded by Govt of India in Nov'77 for an amount of Rs 36,63,00/- The works on these Bridges have been taken up and are expted to be complctod by Dec'79

(e) There are 3 Major rivers Simon, Dimoo and

Dikhari, which will require construction of R.C.C. permaenent bridges. As the completion of these permanent bridges after necessary investigation and designs will take some time, arrangment for crossing these rivers by providing temporary road decking over existing railways bridges have been envisage. The Zonl Rly. Authorities have worked out the details of providing temporary road decking over these 3 bridges and the cost thereof as intimated by them is Rs. 38,66,.47/- as non-recurring and Rs. 5,37.964/- as recurring expenses. The N.F.Rly. authorities have already received informal consent for providing temporary decking over the above 3 bridges and formal permission from Railway Board is expected to be received shortly. The State Govt. has already asked Govt. of India to bear expenses involved in providing the above temporary arrangements and as soon as the formal approval from Railway Board and Govt. of India is received, works will be taken up in hand.

The importance of this road was discussed in the last North Eastern Council Meeting and it was impressed both on Railways as well as Govt. of India, Border Road Organisation to expedite action from their end in view of urgency of the matter. Government of India

have already increased their allocation of funds from Rs. 154 lakhs to 215 lakhs for the current year and it is expected that sufficient fund will be made available during the next year also for accelerating the progress on various works.

Shri Premadhar Bora :— will the Minister furnish a copy of the statement ?

শ্ৰীৰবীন্দ্ৰ নাথ মালাকৰ :— এইটো বৰ দীঘলীয়া হৈছে। যি উদ্দেশ্যক লৈ এই কথাখিনি কোৱা হৈছে সেইখিনি ইয়াত পৰিষ্কাৰকৈ নকৈ মহাভাৱত হে গোৱা হৈছে। গতিকে তাৰ এটা কপি আমাৰ সকলো সদস্যকে দিব লাগে। আপুনি নিশ্চয় জানে যে সানেকুছিলৈ মিটিং কৰিবলৈ যাওঁতে তাৰ মাজ ভাগতে অৱস্থিত ৰাস্তাৰ কাষত থকা ছোৱালী হাইস্কুলৰ ছাত্ৰীসকল মাটি পেলোৱাৰ কাৰণে তাত ধূলি মাকতিত থাকিব নোৱাৰা হৈছে। সেই ধূলি মাকতিৰ কাৰণে এনে ওচৰৰ ছোৱালী স্কুল বন্ধ দিব লগীয়া হ'ল। আমি মিটিংগুলৈ যাওতে তাৰ বাইজে আমাক সুধিছিল যে মুখত পাউদাৰ ঘহি আহিছে নেকি? কাৰণ ধূলিয়ে আমাৰ মুখ ঢাকি পেলাইছিল। মই বেচিকৈ নকওঁ আমাৰ তাত ৰাস্তা, পদূলী একেবাৰেই বেয়া অৱস্থাত আছে। উপাধ্যক্ষ মহোদয় তালৈ যাওঁতে তেওঁৰ হাতত স্মাৰক পত্ৰও দিছিল যে হাজোৰ পৰা ভোটানলৈ এটা ৰাস্তা বৰ ভাগ হৈ যাব লাগে। এইটো কংগ্ৰেছ চৰকাৰৰ দিনৰে পৰাই অৱহেলিত হৈ আছে। কেন্দ্ৰীয় মন্ত্ৰী ৰেণুকা দেৱী বৰকটকী বাচিয়াৰ পৰা সক্ষ ক্ষেত্ৰীলৈ মিটিংগুলৈ যাওঁতে ৩ ঘণ্টা লাগিছে তাত ৰাস্তাটো ইমান ঘূৰাই নিয়া হৈছে যে অলপ দূৰ যাওঁতেই বহু সময় লাগে। গতিকেই এই যে ১০ টা মেজৰ নিউ ৰ'দ প্ৰজেক্ট লব বিচাৰিছে তাৰে এটা আমাৰ ৰাস্তা হাজোৰ পৰা ভূটানলৈ বুলি ভাবিছিলো কিন্তু দুখৰ

বিষয় এইটো কৰা নহ'ল। কমলপুৰ চাৰিআলিহৈ স.ৰ্থবাৰী, ৰৰগেটা যিটো ৰাস্তা গৈছে সেইটো এতিয়ালৈ পকা কৰা নহ'ল। আৰু বগিয়াৰ পৰা চেচাঁলৈ যিটো ৰাস্তা সেইটোতো কোনো মনোযোগ দিয়া হোৱা নাই। এই বিষয়ে মই বিবেচনা কৰিবলৈ চৰকাৰক জনালো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— সদস্য গৰাকীয়ে ভূটানলৈ এই ৰাস্তাটো যোৱাৰ কথা কৈছে তেখেতে যি কথা কৈছে সেই বিষয়ে বিহিত ব্যৱস্থা লম, আৰু গড় কাপ্তানী মন্ত্ৰী ডাঙৰীয়াক ব্যৱস্থা লোৱাৰ কাৰণে জনাম।

শ্ৰীৰমেন্দ্ৰ দে ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য তাঁর প্রশ্নে বলেছেন, সেটা প্রপরশনইট হয়েছে কি না ? আমিও বলছি সেটা প্রপ-রশনইট হয়েছে কিনা ? আর অনেক জায়গায় পি, ডব্লু ডি কবরের উপর দিয়ে রাস্তা করে নিয়ে যাছে। কংগ্রেছ পক্ষ থেকে বলা হয়েছে যে, পি, ডব্লু, ডি মন্ত্রীর সমষ্টিতে বেশী টাকা দেওয়া হয়েছে। সেটা প্রপরশেনই হয়েছে কি না আমরা জানতে চাই ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :—যিবিলাক ৰাস্তা ই সাধাৰণতে ওচৰা ওচৰি দুখন ৰাজ্যক সংযোগ কৰে সেইবিলাক ৰাস্তাহে এন, ই, চিয়ে এপ্ৰুভ কৰে। ভূটান খন স্বাধীন ৰাষ্ট্ৰ সেইকাৰণে এন, ই, চিয়ে ললে অলপ অসুবিধা আছে। আমাৰ ফালৰ পৰা চাব লাগিব।

শ্ৰীউমেশ দাস ঃ— দক্ষিণ কামৰূপৰ পলাশবাৰী গোৱালপাৰাৰ পৰা মেঘালয়ৰ লগত সংযোগ হোৱা এটা ৰাস্তা আছে। কিন্তু তাত ৰাস্তাঘাটৰ অসুবিধা থকাৰ কাৰণে মেঘালয়ৰ যিখিনি গাৰো মানুহ অসমৰ লগত আছে সেইখিনি মানুহে অসন্তোষ্টি প্ৰকাশ কৰিছে। আৰু মন্ত্ৰী মহোদয়ে এই বিষয়ে গম পাইছে। সেইদৰে বকোৰ পৰা যিটো ৰাস্তা আছিল তাতো গুৰুত্ব দিব লাগিছিল। আৰু হাহিমৰ পৰা যিটো বৰ্ডাৰ ৰাস্তা আছে তাতো

ৰাস্তা ঘাটৰ অসুবিধা হোৱাৰ কাৰণে চলাচলৰ অসুবিধা হৈ আছে ।

শ্ৰীকেশৱ গগৈ :— গড়-কাপ্তানী মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে জনোৱা হব ।

শ্ৰীবৈকুণ্ঠ দাস ঃ — বৰমাৰ পৰা ওদালগুৰিলৈ যিটো ৰাস্তা আছে সেইটো বৰ্ডাৰৰ ৰাস্তা, সেইটো ঠিক কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ গগৈ ঃ— চোৱা হব ।

শ্ৰীভূবনেশ্বৰ বৰ্মনঃ— অসম দেশখন চাৰিওফালৰ বৰ্ডাৰৰ মাজত আছে। নগা বৰ্ডাৰত ঘটনা হোৱাৰ পিচতহে এই অঞ্চলত ৰাস্তা কৰাৰ ক্ষেত্ৰত দৃষ্টি দিয়া হৈছে । আগৰে পৰা কিয় মনোযোগ দিয়া নহয় নেকি ? ঠিক তেনেকৈয়ে ভোটান নৰ্থ-লক্ষীমপুৰৰ এটা বিৰাট অঞ্চলৰ সংযোগ হিচাবে এটা ৰাস্তা তামোলপুৰৰ পৰা বৰমা, কদমাবাৰী, সৰ্থেবাৰী, ভায়া পাটচলা হৈ সৰু-পথাৰ বৰ-পথাৰৰ লগত সংযোগ কৰি বনালে এই সীমান্ত অঞ্চলত ভাল যোগাযোগৰ সুবিধা হব । গতিকে বিভিন্ন জিলা আৰু মহকুমাৰ সমন্বয় ৰাখি এই বৰ্ডাৰ ৰ'ড বিলাকত কাম কৰাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা লবনে ? তেখেতে গড়কাপ্তানী বিভাগৰ মন্ত্ৰীক জনাম বুলিয়েই কৈ থৈছে । কিন্তু আমি স্পষ্ট ভাবে জানিব বিচাৰো তেখেতে কিয় নিজে দায়িত্ব নলয় ?

শ্ৰীকেশৱ গগৈ ঃ— বৰ্ডাৰৰ ৰাস্তাৰ ক্ষেত্ৰত যিবিলাক ৰাস্তাৰ অন্ততঃ দুখন ষ্টেটৰ লগত যোগাযোগ থাকে সেইবিলাকহে এন, আই, চিয়ে, এগ্ৰভ কৰে গতিকে দুখন ষ্টেটৰ লগত সংযোগ থকা ৰাস্তাৰ বিষয়ে আমি নিশ্চয় ব্যৱস্থা লম, আৰু এইটো নহয় যে নগালেণ্ড বৰ্ডাৰত ঘটনা হোৱাৰ কাৰণে এই ৰাস্তা পদুলীৰ ব্যৱস্থা লোৱা হৈছে । তেখেতে বহুখিনি ৰাস্তাৰ কথা কলে । যিখিনি লাগতীয়াল ৰাস্তা লোৱা হোৱা নাই এতিয়াও সেইবিলাক

এন, ই, চিত অন্তৰ্ভুক্ত কৰিবৰ কাৰণে এন, ই, চিক অনুৰোধ জনাম।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়ম অনুসৰি এটা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় "দক্ষিণ কামৰূপৰ দিশপুৰ, ছয়গাওঁ আৰু বকো সমষ্টিত মুঠ ছয়টা ভোট কেন্দ্ৰ পাতি যোৱা সাধাৰণ নিৰ্ব্বাচনত মেঘালয় বিধান সভালৈ প্ৰতিনিধি নিৰ্ব্বাচিত কৰিছে আৰু যোৱা খাচী জিলা পৰিষদৰ নিৰ্ব্বাচনতো দক্ষিণ কামৰূপৰ সীমা ৰেখাৰ ভিতৰত নিৰ্ব্বাচন পাতিছে" এই বিষয়টো আলোচনা কৰাৰ আগতে মই এইটো কথা কব খুজিছো যে মেঘালয় চৰকাৰ আৰু মেঘালয়ৰ জনসাধাৰণৰ প্ৰতি আমাৰ কোনো বিষোদগাৰ নাই। আমি দুয়োখন ৰাজ্যৰ জনসাধাৰণে শান্তিপূৰ্ণ ভাবে বসবাস কৰিবলৈ বিচাৰো। আমাৰ যি স্বীকৃত সীমাৰেখা আছে সেই সীমাৰেখা অতিক্ৰম কৰি যদি অন্য এখন ৰাজ্য হস্তক্ষেপ কৰি তাত অশান্তিৰ সৃষ্টি কৰিব বিচাৰে তেন্তে আমি নিশ্চয় আমাৰ অস্তিত্ব হেৰুৱাব লাগিব। যোৱা বিধানসভা নিৰ্ব্বাচনৰ সময়ত ৪৮ নং বকো সমষ্টিৰ কন্ধাদল, বালেপগাওঁ আৰু লাম্বীগাওঁ, ৪৯ নং ছয়গাওঁ সমষ্টিৰ পাৰ গাওঁ, শান্তিপুৰ আৰু শাকেবাৰী, ৫২ নং দিশপুৰ সমষ্টিৰ বশিষ্ঠ অঞ্চলৰ অন্তৰ্গত শিলিংখাটা গাওঁত মেঘালয় চৰকাৰে ভোট গ্ৰহণ কেন্দ্ৰ পাতিছিল। এই কেন্দ্ৰ কেইটা দক্ষিণ কামৰূপৰ ৬ টা সমষ্টিৰ অন্তৰ্গত। তাৰোপৰি দক্ষিণ গোৱালপাৰাৰ ৮টা ভোট গ্ৰহণ কেন্দ্ৰতো মেঘালয়ে ভোট লয়। এই নিৰ্ব্বাচন কিয় আৰু কেনেকৈ পাতিব লগা হ'ল। মই আগতে কৈছো যে মেঘালয় চৰকাৰে ২৫ ফেব্ৰুৱাৰী তাৰিখে ভোট গ্ৰহণ পাতিছিল আৰু তাৰ এদিন আগতে অৰ্থাৎ ২৪ ফেব্ৰুৱাৰী তাৰিখে আমাৰ তাত যি পুলিচ বাহিনী পহৰাৰত অৱস্থাত আছিল সেই পুলিচ বাহিনী তাৰ পৰা উঠাই অনা হৈছিল আৰু তাৰ ফলতেই তেওঁলোকক ভোট গ্ৰহণৰ বাবে সুবিধা কৰি দিয়া হৈছিল। এই অঞ্চল মেঘালয় আৰু অসমৰ যি সীমাত আছে সেই অঞ্চল অসমৰ ১০-১২ মাইল ভিতৰত পৰে। এই

অঞ্চলত অসম চৰকাৰে প্ৰথমতে নিৰ্ব্বাচন পাতিব দিয়া নাছিল। কিন্তু শেষত মেঘালয় চৰকাৰে অসমৰ ভিতৰত ৬ মাইল জোৰা গাওঁ অঞ্চলত ভোট গ্ৰহণ পাতিছিল। দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ ১৪৬ খন গাওঁ মেঘালয় চৰকাৰে দাবী কৰিছিল আৰু নিৰ্ব্বাচন পদ্ধতিৰে তেওঁলোকৰ এই দাবী সাব্যস্ত কৰিছিল। এই অঞ্চল অসমৰ ভিতৰত প্ৰায় ২৭৫ কিলোমিটাৰ জুৰি অৱস্থিত আৰু সেই গোটেই অঞ্চল তেওঁলোকৰ নিজা অঞ্চল বুলি দাবী কৰে। এই ১৪৬ খন গাওঁ জোৰা অঞ্চলটো যদি মেঘালয় চৰকাৰক দিব লগা হয় তেনেহ'লে দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ যি বনজ সম্পদেৰে সমৃদ্ধ বনাঞ্চল আছে তাৰ বেছিভাগেই মেঘালয় চৰকাৰক দিব লগা হব। এই গোটেই অঞ্চলটো মেঘালয় চৰকাৰক দিব লগা হলে অসম চৰকাৰৰ এটা বৃহৎ পৰিমানৰ ৰাজহ কমি যাব। ইয়াৰে পৰি আজি এই অঞ্চটো এটা উৎকণ্ঠিত অৱস্থাত পৰিণত হৈছে। তাৰে কেইটামান উদাহৰণ মই দিব বিচাৰিছো।

মেঘালয় চৰকাৰে অসমৰ সীমামূৰীয়া অঞ্চলত তেওঁলোকৰ কাম-কাজ কৰাৰ সুবিধাৰ কাৰণে ওচৰৰ গাওঁত বসবাস কৰা মানুহক তেওঁলোকৰ হাতলৈ নিয়াৰ কাৰণে যো-যা কৰিছিল, আৰু সেই মানুহবোৰক তেওঁলোকে কিছুমান প্ৰলোভন দেখুৱাইছিল যাতে তেওঁলোকে মেঘালয় চৰকাৰক সমৰ্থন দিয়ে। ঠিক সেইদৰে মেঘালয় চৰকাৰে আমাৰ যদুকী অঞ্চলত মিশ্যনেৰী বিলাকে মেঘালয় চৰকাৰৰ উদ্যোগত এখন ইস্কুল পতাৰ যো-যা কৰিছিল আৰু সেই কামৰ জৰিয়তে তেওঁলোকে আমাৰ মানুহ বিলাকক প্ৰলোভন দেখুৱাইছিল যে তেওঁলোকে মেঘালয় চৰকাৰক সমৰ্থন দিলে মেঘালয় চৰকাৰে তেওঁলোকক খোৱাপানীকে ভিতৰ কৰি স্বাস্থ্য কেন্দ্ৰ, ৰাস্তাখাট আদি সকলো নিৰ্মান কৰি দিব।

আন এটা ঘটনা হৈছে যে আমাৰ কিছুমান সৰু সৰু ঠিকাদাৰে

সেই অঞ্চলত কাম কৰিছিল। কিন্তু মেঘালয় চৰকাৰৰ কিছুমান পুলিচে সেই ঠিকাদাৰ কেইজনক গ্ৰেপ্তাৰ কৰি নিয়ে আৰু তেওঁলোকৰ সা-সম্পত্তি লুণ্ঠন কৰে। অৱশ্যে তেওঁলোকক পিচত এৰি দিয়া হয়। আজি মেঘালয়ৰ পুলিচে সেই অঞ্চলত হস্তক্ষেপ কৰি তেওঁলোকৰ দাবী সাব্যস্ত কৰিবলৈ বিচাৰিছে। আজি যদি এইটোৱেই অৱস্থা হয় তেনেহলে বৰ দুখৰ কথা হব। যেনেকৈ মেঘালয় চৰকাৰে আমাৰ নিৰ্দিষ্ট অঞ্চলত তেওঁলোকৰ অঞ্চল বুলি দাবী কৰিছে আৰু বনাঞ্চল তেওঁলোকৰ বুলি সাব্যস্ত কৰিবলৈ বিচাৰিছে সেই ক্ষেত্ৰত অসমৰ সীমা আৰু অসমৰ মানুহৰ মাজত এটা সন্ত্ৰাস আৰু ভয়ৰ সৃষ্টি হৈছে। এই অৱস্থা তেনেদৰে থাকিলে আমাৰ সেই অঞ্চলৰ মানুহখিনিয়ে অব্যাহতি নাপাব। এইখিনিতে মই এটা কথা উল্লেখ কৰিবলৈ বিচাৰিছো যে দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাত কিছু সংখ্যক গাৰো সম্প্ৰদায়ৰ মানুহ আছে-সেইটো সঁচা কথা। কিন্তু তেওঁলোকৰ অসম চৰকাৰৰ প্ৰতি আনুগত্য থকাৰ দৰকাৰ আছিল সেইটো নাই। তেওঁ-আনুগত্য মেঘালয় চৰকাৰৰ প্ৰতিহে হোৱা দেখা যায়। তেওঁলোকে মেঘালয় চৰকাৰক খাজনা আদি দি আছে সেই কথাত অসম চৰকাৰে মনোযোগ দিয়া নাই। এই অঞ্চলত অসম চৰকাৰে যিবোৰ স্কুল স্থাপন কৰিছে সেই স্কুলবোৰত অসমচৰকাৰে শিক্ষক নিযুক্ত দিছে। কিন্তু সেই স্কুলবোৰে অসম চৰকাৰৰ আনুগত্য স্বীকাৰ নকৰি মেঘালয় চৰকাৰৰ অন্যান্য কাম কিছুমান চলাই আছে। আজি যদি অসমৰ ভিতৰতে থাকি অন্য এখন ৰাজ্যৰ আনুগাত্য স্বীকাৰ কৰিব লগা হয় তেনেহলে অসমৰ পক্ষে এইটো এটা বৰ ভয়াবহ পৰিস্থিতি হব। এইটো বৰ দুখৰ কথা যে যোৱা ৫ জানুৱাৰী তাৰিখে অসম-নাগালেণ্ড সীমান্তত যি ঘটনা ঘটি গল তাৰ সন্দৰ্ভত এনে ঘটনাৰ উদ্ৰেকহোৱা বাবেহে আজি অসমৰ সীমাৰ ভিতৰত নগালেণ্ডে দুটা বিধান সভা সমষ্টি আছে। কাৰ ভুলত? কিন্তু এই সমস্যাটো এতিয়াও সমাধান হোৱা নাই। যদি এই অৱস্থাটো আমাৰ মাজত থাকি

যায় তেনেহলে মেঘালয় চৰকাৰে অহা নিৰ্ব্বাচনত সেই অঞ্চলৰ পৰা প্ৰতিনিধি দি নিৰ্ব্বাচন কৰাই আমাৰ অঞ্চল মেঘালয়ৰ অন্তৰ্ভুক্ত কৰিব পাৰে।

আজি অসমত যিসকল বহিৰাগত আছে তেওঁলোক যদি অসমতে থাকি অসমৰ বা ভাৰতবৰ্ষৰ প্ৰতি আনুগত্য নাথাকি বাংলাদেশ পশ্চিম বঙ্গ বা বিহাৰৰ প্ৰতি আনুগত্য থাকে তেনেহলে এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হব যি ক্ষেত্ৰত অসমৰ অস্তিত্ব ৰক্ষা কৰা টান হব। যদি এনেধৰণে অসমত বহিৰাগতই এনে কাৰ্য্য চলাই যায় তেনেহলে ৪-৫ বছৰৰ ভিতৰতে অসম কিবাত পৰিণত হব। গতিকে মই এই ক্ষেত্ৰত অসম চৰকাৰক কঠোৰ ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো আৰু তাৰ লগে লগে অসম-মেঘালয় সীমান্তত যাতে এই ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক কেইটামান পৰামৰ্শ আগ বঢ়াব খুজিছো।

দক্ষিণ কামৰূপত যিবিলাক মাটিহীন মানুহ আৰু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া মানুহ আছে সেইবিলাক মানুহক এই সীমান্ত অঞ্চলত পুনৰ সংস্থাপন কৰাৰ ৰৱস্থা কৰিব লাগে।

আনহাতে দক্ষিণ কামৰূপ আৰু গোৱালপাৰাত মেঘালয়ৰ সীমাইদি এটা নতুন ৰাস্তা নিৰ্ম্মাণ কৰিব লাগে। সেই অঞ্চলত ৰাস্তা নিৰ্ম্মাণ কৰিলে আমাৰ যিবিলাক নিৱনুৱা আছে সেইবিলাকৰো কৰ্ম্মসংস্থান হব আৰু সীমান্ত অঞ্চলত আমাৰ মানুহ বসবাস কৰিলে সীমান্ত অঞ্চলত হোৱা ঘটনাৰ ওৰ পৰিব।

আজি বিত্তমন্ত্ৰী ডাঙৰীয়াই ৰাস্তা-ঘাট সম্পৰ্কে আলোচনা কৰিছিল। কিন্তু সেই আলোচনাত দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ ৰাস্তা-ঘাট নিৰ্ম্মাণ কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আজি কেইদিনমান আগতে

মই নিজে সেই উত্‌পীড়িত অঞ্চল চাবলৈ যাওঁতে ১৬-১৮ মাইল ৰাস্তা খোজ কাঢ়ি যাব লগা হৈছিল। আজি যদি আমাৰ চৰকাৰে তেওঁলোকৰ দায়িত্ব পালন কৰিবলৈ তাত পুলিচ নিয়োগ কৰে তেনেহলে তেওঁলোকেও এই ৰাস্তা-ঘাটৰ অসুবিধাৰ কাৰণে গফিলতি কৰিব। গতিকে চৰকাৰে যাতে এই অঞ্চলৰ ৰাস্তা-ঘাট নিৰ্মাণ কৰাত মনোনিবেশ কৰে সেই কথাটো মই দাবী হিচাবে উত্‌থাপন কৰিলো।

শ্ৰীদেব শক্তি ডেকা:— উপাধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপ জিলাৰ ৬ খন গাওঁৰ সমষ্টিত আজি মেঘালয়ৰ বিধান সভাৰ মেঘালয়া চৰকাৰৰ নিৰ্ব্বাচন পাতিলে। অসমৰ সীমান্তত ইয়াৰ আগা-পিচাকৈ নিৰ্ব্বাচন পাতিলে। গতিকে উপাধ্যক্ষ মহোদয়, মই কব খুজিছো ইয়াত থকা মানুহখিনিৰ ইফাল-সিফাল আছে। এই সম্পৰ্কত কিয় অসম চৰকাৰে বাধা নিৰ্দ্দিশ নকৰিলে? আৰু আজি পৰ্য্যন্ত সেই অঞ্চলত সেই প্ৰশাসনই অধিকাৰ কৰি আছে। সেই সীমান্তত বসবাস কৰা লোক সকলৰ যি ব্যৱস্থা, খোৱা পানী, ৰাস্তা-ঘাট, চিকিৎসালয়, স্কুল আদিৰ যি ব্যৱস্থা, আমাৰ যি নিজা চৰকাৰ আছে, সেই চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাত তেওঁলোকৰ দৃষ্টি নিক্ষেপ কৰাত ব্যৰ্থ হৈছে। আজি আন এটা প্ৰশ্ন হৈছে, গুৱালপাৰাত যি ঘটনা ঘটিছে, পুলিচ এজনে খেতিয়কক মাৰিবৰ কাৰণে ব্যৱস্থা লব পাৰে কিন্তু মেঘালয়া চৰকাৰে যি সীমাত আমাৰ কৰ্ম্মচাৰীৰ ওপৰত আমাৰ মানুহৰ ওপৰত অত্যাচাৰ, উৎপীড়ণ কৰাত বাধা কৰাত ব্যৱস্থা লোৱা নাই। মই আশা ৰাখিছো অসম চৰকাৰে এই সম্পৰ্কে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীউমেশ দাস:— উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা আৰু নিয়মাবলীৰ ৫০ নং নিয়ম অনুসৰি যি ৰাজহুৱা গুৰুত্বপূৰ্ণ কথা উত্‌থাপন কৰিছে সেই সম্পৰ্কে মই অলপ কব খুজিছো।

দক্ষিণ কামৰূপ, নগাওঁ সীমান্তত জাগিৰোড হৈ গোৱালপাৰাৰ শেষ

প্ৰান্তলৈ গোটেই অঞ্চলটো মেঘালয়ৰ সীমা মূৰীয়া অঞ্চল। বিশেষকৈ এই সীমামূৰীয়া অঞ্চল বিলাক অসম বনজ সম্পদৰ কাৰণে অতি সমৃদ্ধিশালী অঞ্চল। এই অঞ্চলত যোৱা বিধান সভাৰ নিৰ্ব্বাচনত অৱশ্যে বিভিন্ন নিৰ্ব্বাচন কেন্দ্ৰস্থান কৰাৰ কথা শুনিবলৈ পোৱা যায়। কিন্তু যোৱা ডিচেম্বৰ মাহৰ ১৯ তাৰিখে মেঘালয় চৰকাৰে মেম্বাৰ অৱ ডিষ্ট্ৰিক্ট কাউন্সিলৰৰ নিৰ্ব্বাচন বকো আৰু হাহিমত কেন্দ্ৰ স্থাপন কথাটো মই ব্যক্তিগত ভাবে জানো। এই সম্পৰ্কে বিধান সভাত মুখ্যমন্ত্ৰী মহোদয়ক প্ৰশ্নও দিয়া হৈছিল। তাৰ উত্তৰ যিটো কথা কৈছে চৰকাৰে যিটো অনুমতি দিছিল সেইটো উইথড্ৰ কৰা হৈছে আৰু সেইটোৰ নিৰ্দ্দেশো পোৱা হৈছে। এই বিষয়ত অসম চৰকাৰে ইতিমধ্যে গুৰুত্ব দিছে। বিশেষকৈ আমাৰ প্লেইন্‌ছ কমিশ্যনাৰে এই বিষয়টো নিজে পৰিদৰ্শন কৰি ব্যৱস্থা হাতত লৈছে। সেইটো কথা মই জানো, এই সম্পৰ্কে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছিলো। যিটো হৈ গল সেইটো মই আৰু কব খোজা নাই। কিন্তু মই এটা কথা কবলৈ বিচাৰিছো যে এই উৎকণ্ঠিত পৰিস্থিতিৰ কেনেকৈ অৱসান ঘটাব পাৰি তাৰ কাৰণে চৰকাৰে চিন্তা কৰিব লাগে। দক্ষিণ কামৰূপৰ হাহিম অঞ্চল মেঘালয়ৰ পৰা ১২ মাইল ভিতৰত অৱস্থিত আৰু হাহিমৰ পৰা লৱাৰ লাম্পি ৬ মাইল দূৰত আৰু আপাৰ লাম্পি হ'ল লৱাৰ লাম্পিৰ পৰা ৬ মাইল দূৰত। মুঠ ১২-১৩ মাইল ভিতৰলৈ আহি মেঘালয়ৰ মানুহে সেই অঞ্চলত বসবাস কৰা গাৰো মানুহবিলাকক কেনেকৈ তেওঁলোকৰ আনুগাত্যলৈ আনিব পাৰে তাৰ কাৰণে মিটিং আদি পাতি তেওঁলোকক প্ৰলোভন দেখুৱাইছিল। তাৰ কাৰণে মেঘালয়ৰ ৰেভিনিউ মিনিষ্টাৰে গাৰো মানুহৰ মুখীয়াল বা গাওঁবুঢ়া আদিক লৈ যি প্ৰগ্ৰেম কৰিছিব তাৰ ডিটেইল ৰিপোৰ্ট মই যোৱা ১৯ তাৰিখে মুখ্যমন্ত্ৰী মহোদয়ক দিছো। এইদৰে গাৰো ভাই সকলক কেনেকৈ তেওঁলোকৰ হাতত ৰাখিব লাগে তাৰ কাৰণে তেওঁলোকে উঠিপৰি লাগিছে। ১৯ ডিচেম্বৰ তাৰিখে নিৰ্ব্বাচন বাতিল কৰাৰ পিছত অসমৰ সীমাত লাম্পি

অঞ্চলত মেঘালয়া পুলিচে এজন গাওঁবুঢ়াৰ বেওনেটেৰে খুচি অত্যাচাৰ কৰে। পিচত অসম সীমান্তত থকা মেঘালয় পুলিচ চকি এটা অসম চৰকাৰে ভাঙি দি পুলিচ কেইজনক নংপু অঞ্চলত এৰি দিয়ে। সেই কথা শুনিবলৈ পোৱা মতে মেঘালয়া চৰকাৰে এটা প্ৰচাৰ চলাইছে, অসম মেঘালয়া সীমা অঞ্চলত হাজাৰ হাজাৰ মানুহ এভিকচন কৰিছে। ৰাইজৰ ফালৰ পৰা দিয়া ৰিকিফ তেওঁলোকে সংগ্ৰহ কৰিছিল। মই এই কাৰণেই এই কথা কব খুজিছো যে, ইয়াত এটা চক্ৰ আছে। সেই চক্ৰই অসম চৰকাৰৰ বিৰোধী ইচু হিচাবে ফৰ্ম কৰিব পাৰে। ইয়াৰে প্ৰচেষ্টা চলি আছে। এই মানুহখিনিহ কি কাৰণে মেঘালয়া চৰকাৰৰ ভোট দিব লগা হৈছে তাৰ কাৰণ নথকা নহয়। যোৱা ৩০ বছৰে এই পাৰ্ব্বত্য অঞ্চল হিচাবে যি সুবিধা আমাৰ চৰকাৰে দিব লাগিছিল। একো দিয়া হোৱা নাই। ৰাস্তা-ঘাট, যাতায়তৰ যি সুবিধা হব লাগিছিল হোৱা নাই। তেওঁলোকৰ যি কষ্ট দেখিলে দুখ লাগে। তাত ৰাস্তা বুলিবলৈ একো নাই। ইয়াৰ আগতে যি ১০টা ৰাস্তা লোৱাৰ কথা ওলাইছিল তাৰ ভিতৰত মই কৈছিলো হাহিমৰ পৰা লোৱাৰ লাঙ্পলৈ যিটো ৰাস্তা সেইটো যদি হয় তেনেহলে সেই অঞ্চলৰ আমাৰ গাৰো ভাই সকলে বহুতো সুবিধা পাব। কাৰণ সেই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ ৰাস্তা। খোৱা পানীৰ কথা কওঁ তাত খোৱা পানীৰ বৰ কষ্ট কাৰণ পাহাৰুৱা ঠাই। বহুত আতৰৰ পৰা পানী আনিব লাগে। তেওঁলোকে যিবিলাক ফৰেষ্ট ৰিজাৰ্ভ আছে তাৰ পৰা দিনে কিছু খৰি সংগ্ৰহ কৰি কামৰ অন্তত বজাৰলৈ আহি বিক্ৰি কৰি যি পইচা পাই তাৰে জীৱন নিৰ্ব্বাহ কৰে। সেই মানুহ খিনিক বিশেষ সুবিধা দিয়াৰ সুযোগ লৈ, যেনে, খোৱা পানী, স্কুল, ৰাস্ত-ঘাট। এই বিলাক সুবিধা দিয়াৰ প্ৰলোভন দেখুৱাই মেঘালয়া চৰকাৰে সেই মানুহ খিনিক সিফলিয়া কৰিবলৈ চেষ্টা চলাই আছে। গতিকে মই কওঁ যে আমাৰ চৰকাৰে তেওঁলোকক তেওঁলোকৰ পাবলগীয়া সুবিধা খিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে আজি অসম নগালেণ্ড সীমাত যি ঘটনাৰ সৃষ্টি

হৈছে তাতোকৈ হয়তো গুৰুত্বৰ ঘটনাৰ সৃষ্টি হব পাৰে। গতিকে মই চৰকাৰৰ এইখিনিতে দৃষ্টি আকৰ্ষণ কৰিলো।

চেয়াৰমেন মহোদয়, আজি কিছুদিনৰ আগতে আমাৰ বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ক লৈ হাহিম অঞ্চলৰ জোঙা, গণ্ডন আদি ঠাইত ৰাজহুৱাভাবে মিটিং কৰিছিলো আৰু সেই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ে যথেষ্ট উপলব্ধি কৰিছিল। তাত যি সকল গাৰো ভাই বন্ধু আছে তেওঁলোকৰ লগত আমাৰ বড়ো কছাৰী ভাই সকলেও যথেষ্ট মিলাপ্ৰীতিৰে বাস কৰি আছে। কিন্তু ৫ তাৰিখে নগা সীমান্তত যিটো ঘটনা হৈ গ'ল তাৰ পিচৰ পৰাই তেওঁলোকৰ মাজত ইমান ভয় হৈছে মানুহখিনিক বুজনি দিয়াই টান হৈ পৰিছে। যোৱা যিটো পঞ্চায়ত নিৰ্ব্বাচন হৈ গ'ল তাত তেওঁলোকে ভোট দিয়াৰ পৰা বিৰত থাকিম বুলি কৈছিল। এই কথা আমি মুখ্যমন্ত্ৰী মহোদয়ক জনাইছো। এই মানুহখিনিয়ে তাত বহুতো অসুবিধা ভোগ কৰি বাস কৰি আছে। ভাত বাণ্টাৰ অসুবিধা, খোৱাপানীৰ অসুবিধা আৰু লৰাছোৱালী পঢ়া শুনা কৰাৰো যথেষ্ট অসুবিধা আছে। সেই কাৰণে কৃষি ঋণকে আদি কৰি ৰাস্তা, পঢ়া শুনা আৰু খোৱা পানীৰ সুবিধা দি সেই মানুহ বিলাকক কেনেকৈ অসম চৰকাৰৰ প্ৰতি আনুগত্য থাকে তাৰ কাৰণে সকলোবিলাক প্ৰচেষ্টা হাতত লব লাগে। অসম চৰকাৰৰ তৰফৰ পৰা যদি সেইবিলাক প্ৰচেষ্টা কৰা নহয় মেতিয়াহলে সেই মানুহবিলাকৰ মাজত বিক্ষোভৰ সৃষ্টি হব। এইখিনি গুৰুত্ব যদি চৰকাৰে উপলব্ধি নকৰে তেন্তে গুৰুত্বৰ সমস্যাৰ সৃষ্টি হব। সেই কাৰণে মই এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰিছো আৰু ইয়াৰ প্ৰতি ব্যৱস্থা লবলৈ চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীএ, এন, অক্ৰম হুচেইন ঃ— চেয়াৰমেন মহোদয়, এই বিষয়টো ছয়গাওঁ বিধান সভা সমষ্টিৰ লগত জড়িত। আমাৰ মাননীয় সদস্য শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী, শ্ৰীদেৱ শক্তি ডেকা আৰু শ্ৰীউমেশ দাসে এই গুৰুত্বপূৰ্ণ

বিষয়টো সদনত উত্থাপন কৰাত মই তেখেত সকলক ধন্যবাদ জনা-বলৈ বাধ্য হৈছো পূৰ্বতে মই কৈছিলো যে-ইয়াত মোৰ আংশিক আপত্তি আছে। কাৰণ এই গুৰুত্বপূৰ্ণ বিষয়টো ছয়গাওঁ সমষ্টিলৈ যায়। কিন্তু অসম বিধান সভা সমষ্টি হলেও এই ছয়গাঁও সমষ্টিত মেঘালয় বিধান সভা সমষ্টিৰ কাৰণে মেঘালয় চৰকাৰে তিনিটা পুলিং ষ্টেচন পাতিছে।

শ্ৰীনগেন বৰা :— ছাৰ, এটা পইণ্ট অৱ অৰ্ডাৰ। ৰুল ৫০ ত আছে যে

member desirous of raising discussion on a matter of urgent public importence may give notice in writtng to the Secratary specifying clearly and precisely the matter to be raised.

Provided that the notice shall be accompanied by an explanatory note stating reasons for raising discussion on the matter in question :

Provided further that notice shall be supported by the signatures of at least two other members.

এই ৰোল ৫০ মতে এই বিষয়টো আৰু আলোচনা কৰাৰ কোনো সুবিধা নাই। সেই কাৰণে মই পইণ্ট অৱ অৰ্ডাৰ উত্থাপন কৰিছো। কাৰণ এই ৰোল মতে তিনিজনহে আলোচনা কৰিব পাৰে-ইতিমধ্যে তিনিজন মাননীয় সদস্যই আলোচনা কৰি গ'ল। গতিকে তাৰ ওপৰত আৰু বেছি আলোচনা হব নোৱাৰে।

শ্ৰীগোলক ৰাজবংশী :— ছাৰ, এইটো কথা তাৰ পিচৰ ৰোলছ্ কেইটা চালেই ওলাই পৰিব। এইটোত আঢ়ৈ ঘণ্টা আলোচনা কৰিব পাৰে বুলি

শিখা আছে।

Shri Giasuddin Ahmed :—Any Member desirouse of raisng a discussion. This Rule is made for a discussion.

Mr. Chairman :—As pay Rule 51 if the Speaker is satisfied after calling for such information from the member who has given notice and from Minister [concerned] as he may consider necessary, that the matter is urgent and is of sufficient importance to be raised in the House at an early date, he may admit the notice and in consultation with the Leader for the House fix the date on which such matter may be taken up for discussion and allow such time for discussion, not exceeding two and a half hours as he may consider appropriate in the circumstances :—

Provided that if an early opportunity is otherwise available for the discussion of the matter, the Speaker may refuse to admit the notice.

Rule 52. There shall be no formal motion before the House nor voting The member who has given notice may make a short statement and the Minister shall reply shortly. Any member desirous of taking part in the discussion may be permitted to do so by the

Speakea: Please cut short.

শ্রীনগেন বৰুৱা ঃ—এই বোলমতে সময় নিৰ্দ্ধাৰিত কৰি দিয়া কথা আছে। গতিকে আগতে সময় নিৰ্দ্ধাৰণ কৰি দিয়া আছে নেকি ; এইটো ডিচকাচনৰ কাৰণে আগতে সময় ঘোষণা কৰি দিছিল নেকি ? বা সময় নিৰ্দ্ধাৰণ কৰি দিছিল নেকি—

Mr. Deputy Sdeaker—There cannot be a condition to exceed the time of two and a half hours That is why the three Members. shri Harendra Goswami Shri Daibasakti Deka and Shri Umesh Das they spoke and if any other member desirous they can speak within the time. Though the time is not known to all Hon, member if they require to know from us it is two and half hours.

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ—উপাধ্যক্ষ মহোদয়, অলপতে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা নিৰ্ব্বাচনী গোচৰ তাৰ হৈছিল আৰু তাত এই বিষয়টো উত্থাপিত হৈছিল। কিন্তু সি প্ৰতিষ্ঠিত নহল। মেঘালয় চৰকাৰে ছয়গাওঁ সমষ্টিত ভোট লোৱাৰ কেন্দ্ৰ স্থাপন কৰি ভোট লৈ গল—এই কথা সত্য নহল। সেইকাৰণে মই কৈছো যে—ছয়গাওঁ অঞ্চলটো বাদ দি ইয়াত আলোচনা কৰিলে ভাল হয়।

উপাধ্যক্ষ মহোদয়, মেঘালয়ৰ কিছুমান অঞ্চলৰ মানুহে তেতিয়াৰ পৰাই কিছুমান অঞ্চলত চোৰাং অনুপ্ৰবেশ কৰিছিল—বিশেষকৈ সীমান্ত অঞ্চল বিলাকত এই অনুপ্ৰবেশকাৰী সশস্ত্ৰ নগা পুলিচ বাহিনীৰ কথা চৰকাৰক জনোৱা হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সেই সংবাদ পাই

তেওঁলোকক তাৰ পৰা উচ্ছেদ কৰা কাৰণে। তাৰ কিছুমান অস্ত্ৰ-শস্ত্ৰসহ আমাৰ অসম পুলিচে গ্ৰেপ্তাৰ কৰি লৈ আহিছে আৰু অসম চৰকাৰে এই বিষয়ত বিহিত ব্যৱস্থা দৃঢ়তাৰে লোৱাত- অপৰপক্ষে সেই অঞ্চলৰ কেইজনমান লোকে মাননীয় মুখ্যমন্ত্ৰীক দেখা কৰি গৈছে। সুদৃঢ় ব্যৱস্থা লোৱাত পিচতহে সেই অঞ্চলৰ লোক সকলৰ মাজত কিছু আনন্দৰ হাঁহি ওলাইছে। কিন্তু এটা কথাত আজি অসম চৰকাৰ প্ৰস্তুত হব লগীয়া হৈছে— সেইটো হল তাত যাতায়তৰ বহুত অসুবিধা। তালৈ আমাৰ অসমৰ সশস্ত্ৰ পুলিচ বাহিনী গৈছে—কিন্তু কিছুমান অঞ্চললৈ যাবলৈ দুৰতে গাড়ী ৰাখি দুই তিনি মাইল ৰাস্তা খোজ কাঢ়ি যাব লগীয়া হৈছে। ছয়গাওঁ অঞ্চল আৰু বাকী অন্যান্য অঞ্চলত যোগাযোগ কোনো ব্যৱস্থা নাই। সেইকাৰণে মই আপোনাৰ জৰিয়তে অসম চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে লামাপাৰা, হাতাকুনা, ছয়গাওঁ আৰু উকিয়াম আদি অঞ্চলৰ কাৰণে যোগাযোগৰ ব্যৱস্থা লবলৈ এন, ই, চি'ত প্ৰস্তাৱ ডাঙি ধৰিব লাগে আৰু তাত আমাৰ যিসকল পুলিচ বাহিনী আছে-তেওঁলোকৰ সুবিধাৰ কাৰণে যাতায়তৰ ব্যৱস্থা কৰি দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা কবলৈ বিচাৰো সেইটো হৈছে যে, উকিয়াম অঞ্চলত থকা ফৰেষ্ট বিভাগৰ গছ বিলাক কাটি মেঘালয় চৰকাৰে তাৰ পৰা কৰ আদায় কৰিছে। আমাৰ কিছুমান চোৰাং বেপাৰীয়েও ফৰেষ্ট বিভাগৰ নেগলিজেন্সৰ কাৰণে গছ কাটি ভুৰা চিল মাৰি অসমৰ ভিতৰতে বিভিন্ন ঠাইলৈ পঠিয়াব ধৰিছে। গতিকে মই আপোনাৰ জৰিয়তে এই বিষয়ে চৰকাৰক সতৰ্ক হবলৈ অনুৰোধ কৰিছো। লগতে মই এইটো কথাও কব বিচাৰিছো যে, আমাৰ জনজাতীয় ভাই সকলে আমাৰ গাৰো ভাই সকল আজি মেঘালয় সীমান্তত পৰিছে। তেওঁলোকৰো আমাৰ যিদৰে চেন্ট পাৰচেন্ট অধিকাৰ আছে তেনেদৰে

তেওঁলোকৰো আমাৰ ৰাজ্যত সকলো প্ৰকাৰৰ অধিকাৰ আৰু অনুগত্য আছে। তেওঁলোক আমাৰ ৰাজ্যত ইমান বছৰে আমাৰ চৰকাৰৰ অৱহেলাৰ কাৰণেই আজি তেওঁলোকৰ মনত অশান্তিৰ ভাব হৈছে। কাৰণ তেওঁলোকে দেখিছে আজি তেওঁলোকে অসম চৰকাৰৰ পৰা ৰাষ্টাৰ ক্ষেত্ৰতেই হওক বা স্কুলৰ ক্ষেত্ৰতে হওক কোনো ৰকমৰ সহায় নোপোৱাৰ কাৰণেই তেওঁলোকৰ মন আন্তৰ হৈ গৈছে। আনহাতে যি সকলে আমাৰ মেঘালয়ৰ বৰ্ডাৰত আছে তেওঁলোকে বৰ্ডাৰৰ সিপ ৰে ৰাষ্টা ঘাট হৈ থকা দেখি আৰু স্কুল আদি হোৱা দেখি তেওঁলোকৰ মন বেয়া হৈছে আৰু ভাবিবলৈ বাধ্য হৈছে যে, অসম চৰকাৰে তেওঁলোকক অৱহেলা কৰিছে। গতিকে মই অসম চৰকাৰক অনুৰোধ কৰো যে, এই বিষয়টো ভালধৰণে অধ্যয়ন কৰিব লাগে। আৰু আমাৰ জনজাতীয় অঞ্চল বিলাকত আৰু গাৰো ভাই-ককাই বিলাকক সকলো ৰকমৰ সুবিধাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে চিন্তা কৰি তেওঁলোকৰ মনত যি ভাব আছে সেইয়া দুৰ কৰিবলৈ চেষ্টা কৰিবৰ কাৰণে মই অনুৰোধ জনালো।

* শ্ৰীগোলক ৰাজবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, যদিও এইটো অকল মেঘালয়ৰ সীমা সম্পৰ্কৰে প্ৰশ্ন উত্থাপি হৈ আজি অসমৰ এটা প্ৰকৃত প্ৰতিছবি দাঙিধৰিছে। গতিকে ভাবি এইটো আমাৰ সদনত গুৰুত্ব সহকাৰে দাঙি ধৰিব লাগিব। আমাৰ ইয়াতো বিভিন্ন ধৰণৰ জনগোষ্ঠী আছে। তেখেতসকলৰ আধিপত্য থকা ঠাই বিলাকত এখন ৰাজ্য বিচাৰ কৰা বিষয়ে নানা সমস্যাৰ সৃষ্টি হৈছে। আজি মেঘালয়তো বিশেষ কিছুমান জনগোষ্ঠি আছে আৰু সেই ধৰণে তেখেতসকলৰ ককাই-ভাই অসমতো আছে, নগালেণ্ডতো আছে, গতিকে

* Speech not corrected

এনে ধৰণে আমাৰ সমস্যা কেতিয়াও সমাধান হব নোৱাৰে। এইদৰে আজি কিছুমান মানুহে অসমক খন্দবিখন্দ কৰি পেলাইছে। আজি আমাৰ ইয়াতো প্ৰতিক্ৰিয়াশীল বহুতো শক্তি আছে অসমৰ ভূমি খন্দত আজি এনেকৈয়ে ভাৱপ্ৰৱনশীল সমস্যাৰ উৎপত্তি হলে তাত জপিয়াই পৰি খন্দ বিখন্দ কৰিবলৈ চেষ্টা কৰিছে। যিদিনা আমাৰ মন্ত্ৰী মহোদয়ে ৰাষ্টাৰ কথা শিৱসাগৰত হব লাগে বুলি কৈছিল, ৰাষ্টা অকল শিৱসাগৰতে যে হব লাগে এনে নহয় গোটেই অসমতে ৰাষ্টাৰ সম্প্ৰসাৰণ কৰিব লাগে। আজি অৰুণাচল সীমাত ৰাষ্টাৰ প্ৰয়োজন্ত আছে নগালেণ্ড বৰ্ডাৰত ৰাষ্টাৰ প্ৰয়োজন আছে। এই বৰ্ডাৰ বিলাকত ৰাষ্টাৰ প্ৰয়োজন হৈছে। কিয়নো এই বৰ্ডাৰ বিলাক জংঘলেৰে আবৃত হৈ আছে। আজি এইবিলাক কথা আমাৰ মন্ত্ৰীসভাৰ জৰিয়তে আলোচনা কৰি বিভিন্ন অঞ্চল বিলাকত যাতায়ত উন্নত কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে আৰু যাতে এই সংক্ৰান্তত আমাক জনজাতীয় ভাই সকলৰ মনত যাতে উদ্বেগ সৃষ্টি নহয় তাৰ কাৰণে চিন্তা কৰিব নালাগে। ইয়াকে মই চৰকাৰৰ ওচৰত অনুৰোধ জনাই বক্তব্য সামৰিলো।

শ্ৰীশশকমল সন্দিকৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত যিটো বিষয় আলোচনা হৈছে সেই বিষয়টোত সকলো সদস্যৰ লগতে মই একমত। এই সমস্যাটো অতি গুৰুত্বপূৰ্ণ। আজি ছয়গাওঁ, বকো আদি সমষ্টিত অসমৰ যি চিত্ৰ দেখিবলৈ পাইছো তেনেধৰণেই মেঘালয় আৰু নগালেণ্ডৰ বৰদাৰৰ চিত্ৰ আৰু তাতো বিভিন্ন প্ৰৰোচনা চলিছে। অসমৰ সীমাৰ ভিতৰত আহি নগালেণ্ডৰ দূৰ্বত্তই হত্যাকাণ্ড কৰিছে আৰু অসমৰ মাটি দিমান্দ কৰিছে। অৰুণাচলতো যে একে ঘটনা পুনৰাবৃত্তি নহব তাৰ কোনো মানে নাই। ইয়াৰো পৰি এইটো এটা দুটা সমষ্টিৰ কথা নহয়। গতিকে আমি এই দুটা সমষ্টিৰ কথালৈয়ে সীমা-

বন্ধ হৈ থকা উচিত নহব। মই অসম চৰকাৰক বিশেষ ভাৱে আবেদন জনাইছো যে ১৯৭৭ চনৰ চেপ্তেম্বৰ নে অক্টোবোৰ মাহত কালামান আৰু কাৰ্টাৰ আহি আৰু প্ৰেছমেল উদ্বোধন কৰা মন্তব্যলৈ আঙুলিয়াবলৈ খুজিছো। পশ্চিমবংগ আৰু ত্ৰিপুৰাত বামপন্থি চৰকাৰ প্ৰতিষ্ঠা হোৱা লগে লগে কালামান আৰু কাৰ্টাৰ এই কুখ্যাত নেতাদুগৰাকীয়ে কৈছিল যে, আমি পূব ভাৰতৰ উন্নতি বিচাৰো, পুব ভাৰতৰ অৰ্থনৈতিক বিকাশ বিছাৰো, আৰু ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব বিচাৰো এওঁলোকৰ ইমানমৰম হঠাতে কিয় জাগিল? এই বিশেষ সময়ত এই কুখ্যাত নেতা দুগৰাকীৰ হঠাতে মৰম কিয় জাগিল অসম চৰকাৰে সময়মতে অনুধাৱন কৰা নাই। গুৱাহাটীৰ পৰা আৰম্ভ কৰি কাজিৰঙালৈ চি, আই, এ চক্ৰ বিৰাজমান আৰু আমেৰিকান consul general office ৰ সুপ্ৰিয় বেনাৰ্জিয়ে বাৰে বাৰে আহি গুৱাহাটীৰ হোটেলত ভূমুকি মাৰিছে কিছুমান প্ৰেছ কনফাৰেন্স পাতি আমাৰ মন্ত্ৰী সকলকো মাতিছে আৰু পাৰ্টি দিবলৈ যত্ন কৰিছে। তাৰ পিচত কাজিৰঙাত গৈ ৰেষ্ট্ৰ লৈছে আৰু বৰ্ডাৰে বৰ্ডাৰে ঘুৰি ফুৰিছে। অসম চৰকাৰে এই বিষয়ে কানসাৰেই দিয়া নাই। মই ৰাজবংশী ডাঙৰীয়াৰ লগত একমত যে, ই এটা বিদেশী চক্ৰান্ত। এই বিদেশী চক্ৰটোৱে অসমৰ ৰাজনীতিত, অসমৰ জাতিৰ মাজত ধৰ্ম্মৰ মাজত আৰু ককাই-ভাইৰ মাজত বৃষ-বৃক্ষ ৰোপন কৰিবলৈ যত্ন কৰিছে আমাৰ অসমত কোনো জাতিয়েই একচেতিয়া মনপলি অধিপত্য কৰিবলৈ বিচৰা নাই। অসম এখন বিচিত্ৰ দেশ। ঐতিহাসিক ভাবে ইয়াত বহুতো ভাষা ভাষী মানুহে বসবাস কৰি আহিছে। ইয়াত টাই, বৰো, মিৰি, মিচিমি আবৰ আদি মানুহে বসবাস কৰি আহিছে। এসময়ত অসম অখন্দ আছিল। ভাষাৰ চেণ্টিমেণ্ট লৈয়ে খবৰ কাগজৰ দ্বাৰা প্ৰচাৰ কৰিয়েই অসমক খন্দ-বিখন্দ কৰি দিলে। সচা কথা যে গাৰো ভাই সকলৰ আমি ৰাখি দিব পৰা নাই। আমাৰ ব্যৰ্থতা আছে অসমতো

বহুতো ঠাইত ৰাষ্টাঘাট নাইয়েই। এই ইচুবিলাক লৈয়ে নানা ধৰণৰ বেমেজালীৰ সৃষ্টি হৈ আছে কিন্তু অসম চৰকাৰে সঠিক ভাবে পৰীক্ষা নিৰিক্ষা কৰি তাক দমন কৰাৰ ব্যৱস্থা কৰিব পৰা নাই। মাত্র পেপাৰত ষ্টেটমেন দিয়েই এই সমস্যাবোৰৰ সমাধানৰ চেষ্টা কৰে। আজি নগালেণ্ড বৰ্ডাৰত যিটো হৈ গল কালিলৈ ছয়গাওঁত সেইটো নহৰ তাৰ কোনো মানে নাই। অৰুণাচলত আজি যি ঘটিছে কালিলৈ লক্ষীমপুৰত যে সেইটো নঘটিব তাৰ কোনো গেৰাণ্টি নাই। চোৰাংচোৰাবে গোটেই দেশ ভৰি পৰিল। অসম আকৌ খণ্ডিত হব। অকল মেঘালয়েই নহয় অসমেই আজি সৰ্বভাৰতৰ নিৰাপত্তা বিপদাপন্ন হৈ পৰিছে। অসমত যদি প্ৰয়োজন হয়, কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি অসম চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থাৰে বিশেষভাৱে অনুধাৰণ কৰি ব্যৱস্থা লব লাগে।

Mr. Depute Speaker :— Order, the hon. Member will resume his Speechlc ofter luneh. The Honse now stands adjourned till 2-30 P.M.

( After Luneh )

শ্ৰীশশকমল সন্দিকৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, মই সীমা বিবাদৰ কথা কৈ আছিলো। মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো- আমাৰ সাংবাদিক সকলৰ মাজতো গুপ্তচৰ চক্ৰ সোমাই পৰিছে। আজি আমাৰ বিধান সভা ভৱনৰ ওচৰে পাজৰেও এনেকুৱা কিছুমান মানুহে ঘুৰীফুৰে সেইবিলাক বেমানী সংবাদদাতাই নে কি কব নোৱাৰে আমাৰ প্ৰকৃত সংবাদসেৱী সকলে নাজানেই এওঁলোক কাৰ জৰিত তেওঁলোক স্থানীয় বা সৰ্বভাৰতীয় কোনো কাগজৰ লগত

জড়িত নহয়েই আনকি ৰয়টা, ইউ এন আই আদি সংবাদ সন্থাৰ লগতো জড়িত নহয়। আমাৰ এই সংবাদসেৱী সকল মাত্ৰ মন্ত্ৰীৰ কক্ষই কক্ষই ঘুৰী ফুৰাহে। এইবিলাক চি আই এৰ কাৰবাৰ যেন লাগে।

তাৰ পিচত বেনৰ প্ৰগেম। এই প্ৰগেম বিলাক কি?। ৬ কোটি হেনো, টকা অসমত খৰছ হব। এইবিলাক উদাহৰণ দিহে আচল কথালৈ আহিছো। এই বেনৰ প্ৰগ্ৰেমত মৌখিক ভাৱে দৰিদ্ৰ অভাবী লোক সকলৰ কৃষক সকলক শিক্ষা দিব। কিন্তু কোন কেইটা অঞ্চলত বাছি লৈছে? লক্ষীমপুৰ, কামৰূপ ইত্যাদিতহে। কামৰূপৰ ওচৰত গাৰোপাহাৰ আছে, লক্ষীমপুৰৰ ওচৰত অৰুনাচল আছে। গতিকে এইবিলাকতহে ওৱাৰ্ল্ড বেংকে টকা দিছে—ইয়াত এটা বিৰাত চক্ৰান্ত সামাই আছে। বিদেশী চক্ৰেই আজি জাতি উপজাতি বিলাকৰ মাজত মিত্ৰতা বঢ়াইছে। এই ক্ষেত্ৰত আজি মই শাসক দলৰ দৃষ্টি আকৰ্ষণ কৰিছো। ত্ৰিপুৰা চৰকাৰকো ১০০ কোটি ওৱাৰ্ল্ড বেংকে টকা দিছিল কিন্তু সৰুৰাজ্য ত্ৰিপুৰা চৰকাৰে তাক ৰিফিউজ কৰিছে। গতিকে এই কথা বিলাকে যাতে ভবিষ্যতে কোনোধৰণৰ গন্দোগোল নহয় জনসাধাৰনৰ নিৰাপত্তা থাকে তাৰ বাবে মই চৰকাৰক সকিয়াই দিলো। অকল পুলিচ মিলিটাৰী চি আই দি থাকিলেই নহয় এই বিলাক কাৰণত জনসাধাৰনকো সচেতন কৰি তুলিব লাগে আৰু নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিব লাগিব। এই ক্ষেত্ৰত আজি অসমৰ দায়িত্ব বেছি। অসমৰ পৰাই মণিপুৰ নাগালেণ্ড অৰুনাচল মেঘালয় আদি ফাচ নতুন চৰকাৰ নতুন ৰাজ্য হৈছে যদিও অসম বহুত ক্ষেত্ৰতেই অভিজ্ঞ আৰু এই ক্ষেত্ৰত অসমৰ দায়িত্বই বেছি। গতিকে জেষ্ঠ ভাতৃৰ দায়ত্বৰে অসম চৰকাৰ আগবাঢ়ি সীমা বিবাদৰ আহি কৰি মীমাংসা অসমৰ নিৰাপত্তা ব্যৱস্থা যাতে কটকটিয়া কৰে তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

Mr. Deputy Speaker :— Now shri Hazmul Naque.

শ্ৰীনজ্মুল হক :— মাননীয় উপাধ্যক্ষ মহোদয়, অন্য প্ৰদেশ আৰু অসমৰ মাজত যিটো সীমা বিবাদ চলি আছে এইটো এটা গুৰুত্ব-পুৰ্ণ বিষয়। এই সম্পৰ্কে চৰকাৰে অনতিপলমে কেন্দ্ৰীয় চৰকাৰৰ লগত বহি এইটো বিষয়ত চুৰান্ত মীমাংসা লব লাগে। গোৱালপাৰা জিলাত মেঘালয় সীমান্তত যি সীমা বিবাদ চলি আছে এই সম্পৰ্কত অনতি পলম সুস্থমিমাংসাৰ ব্যৱস্থা নললে অৱস্থা ভয়াবহ আৰু জটিল হব পাৰে। গোৱালপাৰা আৰু কামৰূপ জিলাৰ মেঘালয় সীমান্তত থকা শাল গছ প্ৰায় নাইকিয়া হৈ গৈছে। মেঘালয় ফৰেষ্ট বিভাগৰ হাতত টি পি আৰু হেমাৰৰ বাহিৰে গছ এটুকুৰাও নাই। সীমা বিবাদৰ অজুহাত দেখুৱাই দিনে ৰাতিয়ে অবিৰাম ভাবে লাখ লাখ টকাৰ বনজ সম্পদ অসমৰ পৰা মেঘালয়লৈ লৈ গৈ আছে। এই বিলাক ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে আমাৰ বন বিভাগৰ মানুহ যথেষ্ট কম। সীমান্তবৰ্ত্তী অঞ্চলত যদি হোম গাৰ্ড দিয়া নহয় তেন্তে বনজসম্পদৰ যিটো মেচেকাৰ চলি আছে। ই চলিয়েই থাকিব। লগে লগে এই আপুৰুগীয়া সম্পদৰ পৰা যি কোটি কোটি টকাৰ ৰেভিনিউ বাহিৰৰ পৰা আহি আছে সেই টোও বন্ধ হৈ যাব। গোৱালপাৰা ফৰেষ্ট দিভিজনৰ সীমাৰ দুই মাইল ভিতৰলৈ আহি গছ কাটি লৈ যায়। সাধাৰণ ফৰেষ্ট গাৰ্ডে বা ৰেঞ্জাৰে তেওঁলোকক খেদি পঠাব নোৱাৰে এইটো কৰিবলৈ হলে অনতিপলমে চৰকাৰ পক্ষৰ পৰা হোমগাৰ্ড দি সহায় কৰিব লাগিব। প্ৰয়োজন হলে পুলিচ বিষয়া দি সহায় কৰিব লাগিব। তাৰোপৰি আমাৰ সীমান্ত-বৰ্ত্তী অঞ্চলত বন বিভাগৰ হাতত ট্ৰাকৰ ব্যৱস্থা কৰা নাই তাৰ ফলত গোৱালপাৰালৈ আহি প্ৰাইভেট ভাৱালৈই যাওঁতে সিফালে মেঘালয়ে গছ বোৰ লৈ যায়। গতিকে সীমান্তৰ বিবাদ সমস্যাটো অতি গুৰুত্বৰ

ধৰণৰ। যদি অতি সোনকালে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত অঙ্গৰাজ্য সীমা বিবাদ মীমাংসা নকৰে তেনেহলে অসমৰ বনজ সম্পদ ধ্বংশ হৈ যাব। গতিকে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো অনতিপলমে যাতে ব্যৱস্থা কৰে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো আছিল কামৰূপ আৰু মেঘালয়ৰ সীমান্তৰ এইা অংশ লৈ। কিন্তু আলোচনা লাহে লাহে সাধাৰণ আলোচনা হলগৈ। যি কি নহওক বহুত সমস্যাৰ কথাই উল্লেখ কৰা হৈছে। সেই অঞ্চলটোত এই সমস্যা আজিৰ নহয়, বহু পুৰণি সমস্যা। ই হল বহু দিনৰ নিস্ত্ৰিয়তাৰ ফল। সিফালৰ মানুহ বিলাক নাই ৩০ বছৰৰ কথা কলে গা বেজবেজায়। কথা হল যে সেই গোটেই অঞ্চলটোত ৰাস্তা ঘাট, স্কুল আৰু বহুত কিবা কিবি বস্তু নাই। এই থিনি ব্যৱস্থা অৰুণাচল সীমান্তৰ কিছুমান অঞ্চলত নাই আৰু নাগালেণ্ড সীমান্তত নাছিল। নাগালেণ্ডত হোৱা ঘটনা, সেই টো কাৰণ। এই অঞ্চলটোত চাৰিটা ভোট গ্ৰহণ কেন্দ্ৰ যোৱা সাধাৰণ নিৰ্ব্বাচন হৈছিল। তাৰ পিচত যোৱা মেঘালয় অটনমাচ ডিষ্ট্ৰিক্ট কাউন্সিলৰ নিৰ্ব্বাচনৰ কাৰণে চম্পাগুৰী আৰু শাকেমুৰী ঠাইত পোল-বুথ কৰিব খুজিছিল। আমি সেইটোত আপত্তি কৰিছো আৰু উঠাই নিবলৈ কোৱা হৈছে। তাৰ পিচত তেওঁবিলাকে চৰকাৰী ভাবে আমাক জনাইছে যে ঠিক সীমাত অসুবিধা হয়। Without any prejudic to the boarder disputes. তেওঁবিলাকে আমাৰ অঞ্চলটোত কেন্দ্ৰ খুলিব খোজে। তেওঁবিলাকৰ তৰফৰ পৰা লিখিত ভাবে জনোৱাত

* Speeco not corrected

কৰিবলৈ দিয়া হৈছিল দুটা কেন্দ্ৰ। কিন্তু তাতে কৈ বেচি ভিতৰলৈ সোমাই নিয়াৰ কাৰণে শেষত কৰিবলৈ দিয়া নহল। মাননীয় সদস্য সকলে জানে যে কেবা মাইল ভিতৰত অজ্ঞাতে, চৰকাৰে গম নোপোৱাকৈ পুলিচ চকী এটা আছিল। সেইটো তুলি দিয়া হৈছে। এইটো কথা ঠিক যে গোটেই অঞ্চলটোত জনজাতীয় আৰু অন্য ন্য জনজা ীয় সম্প্ৰদায়ৰ মানুহ আৰু গাৰো জনজাতীৰ লোক আছে। ৩০ বছৰৰ শাসনৰ এইটো এটা ব্যতিক্ৰম যে গোটেই অসমত পাহাৰৰ যিবিলাক জনজাতিৰ মানুহ ভৈয়ামত আছে সেইবিলাকক ভৈয়ামৰ জনজাতি বুলি ধৰা নাই। ঠিক তেনেকৈ কাৰ্বিআংলঙৰ যি বিলাক পাহাৰী জনজাতি মানুহ ভৈয়ামত আছে সেই বিলাকক জনজাতি বুলি ধৰা নাই। ঠিক তেনেকৈ গাৰো বিলাকক ভৈয়ামত জনজাতি বুলি ধৰা নাই। গতিকে তেওঁবিলাকে ট্ৰাইবেলৰ ৰিজাৰভেচনৰ যি বিলাক সীমাবদ্ধ স-সুবিধা পাব লাগে সেই বিলাক নাপায়। আনহাতে এইটো কথা সত্য যে উজনি অসমৰ শইকীয়া বৰা, শৰ্ম্মা আদি ডাঙৰ ডাঙৰ নেতা, মন্ত্ৰী, এম, এল, এ হৈ গৈছে। এই খন কামৰূপ জিলাত তাহানিৰ পৰা বহু গোস্বামী, চৌধুৰী আদি কৰি ডাঙৰ ডাঙৰ ৰজা হৈছে। কিন্তু উন্নয়ন মূলক ব্যৱস্থা কৰা নাই। যদি কিবা হৈছে ট্ৰাংক ৰোডৰ কাষে কাষে হৈছে। ট্ৰাংক ৰোডৰ কাষে কাষে স্কুল আছে, হাস্পাতাল আছে। যদি কৰবাত অ গবঢ়া মানুহ আছিল তেতিয়া হলে ভিতৰলৈ সোমাইছিল। ট্ৰাইবেল অধ্যুষিত অঞ্চলত একো হোৱা নাছিল। পাহাৰী ট্ৰাইবেল মানুহখিনি ভৈয়ামৰ ট্ৰাইবেল লিষ্টত নপৰে। গতিকে এই মানুহ বিলাকৰ কাৰণে একোৱেই হোৱা নাই।

গতিকে অসম ৰাজ্যখনত আজি সমস্যা হৈছে— মেঘালয় সীমান্তই বোলক, অৰুণাচল সীমান্তই বোলক, নগা ৰাজ্য সীমান্তই বোলক তাত যি সকল লোক আছে তেওঁলোকৰ প্ৰতি আমাৰ সহানুভূতিশীল মনোভাব

লৈ যিমান সোনকালে পৰা যায় ৰাজ্যখনত স্কুল, হস্পিতাল ইত্যাদি বিলাকৰ সা-সুবিধা তেওঁলোকক কৰি দিয়া হব। আমি সেইকাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছোঁ আৰু যিমান সোনকালে পাৰি সেই মানুহ বিলাকক এই কাম খিনি কৰি দিয়াৰ আশা আমি কৰিছোঁ আৰু চেষ্টা কৰি আছোঁ। আজি গাৰো সকল তাত থকা সাধাৰণ ভাবে মেঘালয় পন্থী আৰু অসম চৰকাৰৰ বিৰোধী এনে বুলি কবলৈ যোৱা ভুল হব। কাৰণ মোৰ নিজৰ অভিজ্ঞতাৰ পৰা কৈছোঁ সাধাৰণ নিৰ্ব্বাচনৰ সময়ত শদিয়ালৈ যাওঁতে (জনতা পাৰ্টিৰ পৰা) তাত থকা মানুহ খিনিয়ে আমাক ঠাট্টা কৰি কৈছিল আমিও অৰুণাচলৰৰ বাবেহে যোৱাৰ প্ৰস্তাৱ লোৱা হওক। ইয়াৰ কাৰণটো হল শদিয়াৰ নৈৰ ঘাটলৈকে যোৱাৰ এন, ই, চিৰ ৰাস্তা মাত্ৰ এটাহে। স্বাধীনতাৰ ৩০ বছৰৰ পিচতো তাত আৰু ৰাস্তা নহল আৰু অহা যোৱা কৰিবলৈ বা'চা এবাৰহে চলে। সেই কাৰণে তেওঁলোকে ঠাট্টা কৰি কৈছিল আমিও সিফাললৈহে যাব লগা হৈছে। এনেধৰণৰ অসন্তুষ্টিৰ ভাব পিচলৈ বাকী সীমান্ত ৰাজ্য কেইখনতো দেখা গৈছে। বৃটিছৰ যুগত বৃটিছ বুলিয়েই গল, কংগ্ৰেছৰ দিনত কংগ্ৰেছ বুলিয়েই গল আৰু আমাৰ দিনত যদি আমি একো কৰি দিব নোৱাৰো এই-বিলাক কামত নিশ্চয় তেওঁলোক বিক্ষুব্ধ হব আৰু এই বিক্ষুব্ধতাৰ কাৰণবোৰ গুচাবলৈ আমাৰ চৰকাৰে চেষ্টা কৰিব লাগিব আৰু ৰাইজৰ প্ৰতিনিধি সকলেও কৰিব লাগিব। সিফালৰ পৰা মানুহ আহি সভা পাতিছে বুলি মাননীয় সদস্য সকলে কৈছে। কিন্তু স্বাধীন ভাৰতবৰ্ষৰ সংবিধানমতে কোনোবা ৰাজ্যৰ মানুহ কোনোবা ৰাজ্যলৈ অহা বাধা দিব নোৱাৰি। মই জনতা চৰকাৰৰ মুখ্যমন্ত্ৰী মোক যদি মেঘালয়ত মিটিং কৰিবলৈ মাতে তাত ৰাম পন্থীৰ চৰকাৰে বেয়া পালেও মোক বাধা দিব নোৱাৰে। একেদৰেই পশ্চিমবংগৰ চৰকাৰৰ কোনোবা কোনোবা মন্ত্ৰীক ইয়ালৈ মাটি

মিটিং কৰিছে, ঠিক তেনেকৈ মেঘালয়, নগালেণ্ড আদিৰ মন্ত্ৰীও ইয়ালৈ আহিছে আমি তেওঁলোকক আইন সঙ্গত ভাৱে, সাংবিধানিক ভাবে বাধা দিব নোৱাৰো। আমি সেই অঞ্চলত বসবাস কৰি থকা মানুহ বিলাকক মন যোগাবৰ কাৰণে, তেওঁলোকৰ লগত মিলা মিচা কৰি উন্নয়ণমূলক কাম কৰাত গুৰুত্ব দিব লাগে। সেই মানুহ বিলাকক ট্ৰাইবেল বুলি ধৰা হোৱা নাছিল। কাৰণ কোনোবা এটা অঞ্চল ট্ৰাইবেল এৰিয়া বুলি ধৰিবলৈ হলে ৰাজ্যচৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ ৰিকমাণ্ডেশ্যন দিব লাগে আৰু সেই-মতে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লব। আগৰ চৰকাৰে এনে ৰিকমান্দেশ্যন পঠোৱা নাছিল, আমি পঠাইছো। আমি চেষ্টা কৰিম তাত থকা ট্ৰাই-বেল সকলক ট্ৰাইবেলসকলৰ ৰিজাৰ্ভেশ্যনৰ সকলো সা-সুবিধা কেনেকৈ হয় আৰু অন্যান্য সা-সুবিধ বিলাকো কেনেকৈ পায় সেইটোও চাব লাগিব। সেইটো যদি হয় আমি ভাবো এই সমস্যা যিমান সোনকালে পৰা যায় সিমান সোনকালে সমাধান কৰিব পৰা হব। আনহতে কেন্দ্ৰীয় চৰকাৰেও আগৰ চৰকাৰক যেনেকৈ অসমক আন সীমা মুৰীয়া ৰাজ্যৰ দ:ৰ দীঘ-লীয়া সময়ৰ কাৰণে ওলোমাই থৈ ৰং চাইছিল এভিয়া তেনে কৰিবলৈ বিচৰা নাই। তেওঁলোকে পৰিস্কাৰকৈ কৈছে সীমা সম্বন্ধীয় কনষ্টিটিউ-চনেল বাউন্দেৰী দিচপুট থাকিলেও ভায়লেট কৰিব নালাগে। কোনোবা এখন ৰাজ্যৰ মানুহ কোনোবা এখনত থাকিলে দেখা শুনা কৰিবলৈ আৰু অহা যোৱা কৰিবলৈ বাধা দিব নালাগে। গৃহ মন্ত্ৰনালয়ে পৰিস্কাৰকৈ কৈছে যে গোটেই বাউন্দাৰীৰ কথাটো নতুনকৈ মুকলি কৰিব নোৱাৰি। সীমান্তৰ মীমাংসাটো সোনকালে হব লাগিব। এই সীমান্ত ৰাজ্য কেই-খনৰ মাজত পাৰস্পৰিক আলোচনা চলিছে আৰু গৃহ মন্ত্ৰালয়েৰ বিধান সভাৰ বৈঠকৰ পিচতে দিল্লীত এলানি আলোচনা কৰিবলৈ মাতিছে যাতে এই সমস্যা সমাধান কৰিবলৈ চেষ্টা চলোৱা হয়।

গতিকে মই ভাবো চৰকাৰৰ তৰফৰ পৰা এই খিনি কথাই মাননীয়

সদস্য সকলৰ মনৰ খোকোজা দূৰ কৰিব।

Mr. Deputy Speaker—Before I go to item No: 5 the hon'ble Law Minister will make a statment as assured on 27,2,79 regarding the resolution standing in the name of Shri Ramendra De:

Shri Ramendre De— Whereas my resolution remains pending সুতরাং এই পেন্দিং রিজলিউন্সনের উপর মিনি-ষ্টারের ষ্টেটমেণ্ট দেওয়া কি চলে?

Mr. Deputy Speaker – It was permitted by the hon'ble Speaker:

* Shri Keshab Chandra Gogoi, (Minister)— Mr. Deputy Speaker, Sir, the hon'ble Speaker asked my opinion regarding a resolution of Shri Ramendra De for making primery education compulsory. Accordingly I am making a statement in the House today.

The earliest of the present series of Acts of this State on primary education was the Assam Primary Eddication Act, 1947 which provided for the issue of a notification by the Government for making primary education compulsory. Accordingly the State Government

* Speech not Corrected

issued a notification on 29th November, 1948 declaring that primary education shall be compulsory with effect from lst of February, 1949 in the areas mentioned in the notification.

This act was followed by three other intermediate Acts, namely, the Assam Basic Education Act, 1954, the Assam Elementary Education Act, 1962 and the Assam Elementary Education Act, 1968, before the Assam Elementary Education ( Provincialisation ) Act 1974, which is operative. now, came into force in the year 1975. Each of the three intermediate Acts repealed the eareier Act on the subject with a clause for saving the notifications, etc. issued under the previous Act. Moreover, each of these Acts also contained provisions similar to the one under Section 40 nof the Assam Primary Education Act, 1947. Therefore, the notification issued in 1948 had continued operation both on the strength of the saving clauses as well as under Section 26 of the Assam General Clauses Act, 1915.

Even though no clause to save the notification was incorporated in the Assam Elementary, Education ( provincialisation ) Act, 1674, there was a provision

in Section 14 similar to the one under Section 40 of the Assam Primary Education Act which specifically provided for issue of a notification by the State Govomnent declaring that elementary education shall be compulsory upto such age as may be prescribed and in such areas may be specified in the notification itself. So even in the absence of a saving clause the notification issued under Section 40 of the Assam Primary Education Act, 1947 in the year 1948 had continued operation even after the coming into force of the 1974 Act under Section 26 of the Assam General Clauses Act. However in view of the slightly different languages used in the different Acts it would be advisable to re-issue the notification in conformity with the Act in operation now.

Till now even in the areas where primary education was made compulsory the expected results could not be achieved due to a number of difficulties one of which was difficulty in enforcing the penal clause presceibing punishement for the contravention of certain provisions of the Act meant for implementing successfully the provisions of the Act.

In a country where a large number of the people

to be effected by these provisions are below the poverty line, there are also practical difficulties in implementing the penal provisions. Therefore, alternative methods must be thought of and evolved for making the idea of free and compulsory education successful and effective;

Article 45 of our Constitution provides that the State shall endeavour to provide, within a period of 10 years from the commeecement of the Constitution, for free and compulsory education for all children until they complete the age of 14 years. Though there has been no dearth or absence of legislative sanction for such measures, the purpose has not been achieved for various reasons and difficulties. It is the determination of this Government to see that the provisions of the Constitution in this respect are fully respected by making primary education not only compulsory amongst children upto the prescribed age, but also free and effective and that the legislative provisions are implemented succssfully and effectively. In view of the provision of Section 13-23 particularly Section 14, of the Assam Elementary Education ( Provincialisation ) Act, 1974, no further resolution of this Assembly is necessary to achieve this purpose. The above provisions

are sufficient to arm the Government to take immediate and effective steps to effectuate the desires of the founding fathers of the Constituion as well as the Hon' b'e Members of this House.

Sri Dewan Joynal Abedin: - Mr. Deputy Speaker Sri, when a resulution was not necessary for making Primary Education compulsory, may I ask the Hon'ble Law Minister why the resolution moved by Sri Ramendra De was allowed.

Mr. Deputy Speaker:—It was not moved. I heard the views of the Law Minister and the Law Minister has seen the rule about the admessibility of the Resolution. The Resolution was admitted in accordance with the rule. However, if any point of order is raised by any Honourable Member, it has to be looked into thoroughly and some other factors also will have to taken into consideration including that of Law. I wanted guidance from the Law Minister. He said that there is doubt about the subject for all purposes that Primary Education should be made compulsory. While there is any doubt as to whether that from would incorporate or encroach upon the provision of law, I had said in this House that it will be better

if we keep it pending for the next day. The resolution can by given first priority.

Sri Ramendra De :—Pending matters: It was moved: After hearing, Mr. Deputy Speaker Said, the priority will be given to the Resolution.

শ্রীবীরেশ মিশ্র— গতদিন যখন এটা পেণ্ডিং রাখা হয় তখন আইন মন্ত্রী মহোদয় এই ব্যাপারে একটু সন্দেহ প্রকাশ করেন এবং এই সন্দেহ নিরসন করার জন্য আইন মন্ত্রী মহোদয়কে একটা ষ্টেটমেণ্ট এই সদনে দিতে এডভান্স করা হয়েছিল। আমি দেরীতে এসেছি আমি জানিয়া তিনি কোনও ষ্টেষ্টমেণ্ট আজ এই সদনে দিয়েছেন কি না।

Mr. Deputy Speaker :— The Hon'ble Law Minister has given the statement.

Sri Birendra Nath Choudhury :— Mr. Deputy Speaker Sir, we put emphasis on the expression for all purposes elementary education should be made compulsory. we should be allowed to raise our points and for that matter there is a big gap between the legislation and works. why in practise, it should not be implemented. We should be given opportunity to discuss this particular point, and through discussion Government can also take steps in Proper perspective. If we are allowed to discuss this point, Government

may also take adequate steps to implement this Particular circular or this particular letter. This was our question.

Mr. Deputey Speaker :—I have heard the views of the Law Minister. It appears that there is provision in the relevant Act to issue notification by State Government declaring elementary Education Compulsory upto such age as may be prescribed and in such areas as may be specified in the Notification. A resolution is generally passed by the House to strengthen the arm of Government or to urge upon the Government to do certain things. In the present case there is a provision in the Act to make the Primary Education Compulsory but the Minister, Law has stated that will have to re-issue the Notification for operation of the provision of the Act and he has also stated the difficulties of the Government to implement the Act. In view of this. I do not think there is necessity to pass such a resolution as the Government is already aware of the situation and have been trying to implement the provisions of the Act.

শ্রীনিশীথ রঞ্জন দাস :— মহোদয়, একটা ক্লেরিফিকেশন। প্রাথমিক শিক্ষার ব্যাপারে একটা নির্দিষ্ট সীমার কথা এখানে সরকার

বলছেন, কিন্তু আমাদের প্রস্তাবে ছিল যে, যেহেতু আমাদের রাজ্যের শতকরা ৭২ ভাগ মানুষ নিরক্ষর সেহেতু সর্বস্তরে যাতে নিরক্ষরতা দুর হয় তার জন্য যেন সরকার ব্যবস্থা করেন।

Mr. Deputy Speaker :– Order, I have given my ruling to this resolution; This connot be discussed now. item No. 5

শ্রীজীৱন বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনৰ আগত যি প্রস্তাৱ মাননীয় সদস্য শ্রীঅতুল গোস্বামী দেৱে দাঙি ধৰিছে এইটো এটা গুৰুত্বপুর্ণ প্রস্তাৱ। অসমৰ অর্থনীতিৰ চাহ বাগিছা সমূহে আজি এক বিশেষ ভূমিকা গ্রহন কৰিছে। তাক নকলেও হব অসমৰ এই চাহ ১৮২৩ চনতে মেজৰ ৰবার্ট ব্রচ চাহাবে চাহৰ সন্ধেদ পায়। তাৰ পিচত ১৮২৬ চনত চাহ গছ আবিস্কাৰ হয়। ১৮৩৫ চনত অসমৰ পৰা প্রথমতে বৃটেইনলৈ চাহপাত যায়। তাৰ পিচতহে বিশ্বৰ অন্যান্য ঠাইলৈ অসমৰ পৰা চাহ যাবলৈ ধৰে।

উপাধ্যক্ষ মহোদয়, অসমৰ চাহ শিল্প ভাৰতৰ চাহ শিল্পত এক প্রধান ভুমিকা গ্রহণ কৰিছে তাৰ কথা কবলৈ গলে আমি উল্লেখ কৰিব লাগিব যে ১৯৭৫ চনৰ ৩১ মাৰ্চত পোৱা হিচাব মতে ভাৰতবৰ্ষৰ সমুদায় চাহ বাগিছাৰ সংখ্যা ১৩,২৬৪ খন। তাৰ ভিতৰত অসমৰ চাহ বাগিছা হৈছে ৭৫৬ খন। অসমৰ ১৫ লাখ একৰ মাটি চাহ বাগিছাৰ কাৰণে দিয়া হৈছে। অৱশ্যে সম্পূর্ণ মাটিত চাহ খেতি নাই। ভালদৰে যদি চোৱা যায় তেনেহলে এক তৃতীয়াংশ মাটিতহে চাহ খেতি কৰা হৈছে। এই ফালৰ পৰা আজি অসমৰ যি ভূমি সমস্যা হৈছে সেই ভূমি সমস্যাৰ ফালৰ পৰা চাহ খেতিয়ক সকলক ফ্রি-চিমপুল

গ্ৰাণ্টৰ নামত আমি গম পাইছো যে যি মাটি অধিগ্ৰহন কৰা হৈছে আৰু চিলিং আইনৰ পৰা বাচিবলৈ যি বিভিন্ন পদ্ধতি উলিয়াই লৈছে সেইবিলাকৰ পৰা মাটি উলিয়াই লব লাগে আৰু ভূমিহীন, ৰাইজক দিব লাগে। চাহ বাগিছাত এতিয়া যি ধৰণে মাটি ৰাখিছে এইধৰণে চলি থাকিব দিব নালাগে।

উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰি এই চাহ শিল্পই আমাৰ ৰাজ্যখনৰ নিবনুৱা সমস্যা সমাধান কৰাত যি ধৰণৰ ভূমিকা গ্ৰহণ কৰিব লাগিছিল সেই ধৰণে গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ মূল কাৰণ হৈছে চাহ বাগান বিলাক বেছিৰ ভাগেই বিদেশী মালিকৰ হাতত আছে আৰু তেওঁলোকে অসমক ঔপনিবেশ হিচাপে ব্যৱহাৰ কৰিছে আৰু অসমৰ স্বাৰ্থৰ কাৰণে অলপো চিন্তা কৰা নাই। নিজৰ লাভেই তেওঁলোকৰ মুখ্য উদ্দেশ্য হৈছে। সেই ফালৰ পৰা অসমৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে চাহবাগান সমূহ জাতীয়কৰণ কৰা অতি আৱশ্যক। আমাৰ নিবনুৱা সংখ্যা দিনক দিনে বাঢ়ি গৈছে। ১৯৭৬ চনত ডিচেম্বৰ মাহত দুই কোটি এক লাখ বিয়াল্লিশ হাজাৰ চৌসত্তৰ জনৰ ঠাইত ১৯৭৭ চনৰ অক্টোবৰ মাহত দুই কোটি চল্লিশ লাখ পাচশ এক জনলৈ বৃদ্ধি পাইছে। আৰু এই নিবনুৱা সকলৰ সংস্থানৰ কথা চিন্তা কৰিবলৈ অসমৰ ৰাজহৰ আৰু পৰিকল্পনাৰ কথা চিন্তা কৰিব লাগিব। অসমৰ ৰাজহ যদি বৃদ্ধি কৰিব লাগে তেনেহলে সৰু সৰু খেতিয়কৰ মাটিৰ ওপৰত কৰ লগাই ৰাজহ বৃদ্ধি কৰিব পৰা নাযাব, এইখন দেশৰ ৰাজহ বৃদ্ধি কৰিবলৈ হলে তেল আৰু চাহ এই দুই উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। চাহৰ ক্ষেত্ৰত দেখা যায় যে চাহ বাগান বিলাকৰ মালিকনা এতিয়াও ব্যক্তিগত মালিকৰ হাতত আছে। এই ভাৱে যদি ব্যক্তিগত মালিকৰ ওপৰত চাহ বাগান বিলাক এৰি দিয়া হয় তেতিয়াহলে

যি ধৰণে এই শিল্পৰ পৰা ৰাজহ পোৱাৰ সম্ভৱনা আছিল সেইটো নাথাকিব।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ পৰা ১৯৭৭-৭৮ চনত তৃশ মেট্ৰিক টন চাহ বিদেশলৈ গৈছে আৰু এই চাহৰ পৰা পাচশ পঞ্চাশ কোটি বিদেশী মুদ্ৰা উপাৰ্জন কৰা হৈছে। বিদেশী মুদ্ৰা অৰ্জন কৰিব পৰা এনে এটা শিল্প থকা স্বত্বেও কিয় আমাৰ ৰাজহ বৃদ্ধি কৰিবপৰা নাই, ইয়াৰ কাৰণ প্ৰধানকৈ মই আগেয়েই কৈ আহিছো যে মালিকানা স্বত্ব আছে বিদেশীৰ হাতত। তাৰ উপৰিও এই প্ৰায় চাৰিশ মান চাহ বাগানত কাম কৰা বিষয়া সকলে অসমৰ বাহিৰত দৰমহা লয়। অসমত দৰমহা নলৈ কলিকতাত দৰমহা লয় আৰু ইয়াৰ ফল স্বৰূপে সেই ছাৰিশ কৰ্মচাৰীৰ দৰমহাৰ পৰা ইনকাম টেক্স আদি অসমৰ ঠাইত পশ্চিমবংগই পাই আছে। চাহবাগানৰ প্ৰধান কাৰ্য্যালয় কলিকতাত থকা কাৰণেই এইটো হবলৈ পাইছে। ইয়াৰ দ্বাৰা কিন্তু বাহিৰা মানুহহে নানা ধৰণে উপকৃত হৈছে। কেনে ধৰণে উপকৃত হবলৈ সুবিধা পাইছে তাৰে কেইটামান উদাহৰণ মই দাঙি ধৰিব খুজছো। চাহবাগানৰ কৰ্ম্মী যি সকলে ইনচিউৰ কৰে তেওঁলোকৰ প্ৰিমিয়াম ইয়াত কালেক্ট কৰা নহয়। কিয়নো কলিকতাত হেড অফিচ থকা কাৰণেই তাত দৰমহা পায় আৰু ইনকম টেক্সটো বাদেই আনকি ইনচিউৰৰ প্ৰিমিয়াম আদিও অসমৰ এজেণ্ট নাপায়। তিনি খন চাহবাগানৰ ইনচিউৰৰ প্ৰিমিয়াম কালেক্ট কৰিব পাৰিলেও অসমৰ নিবনুৱা অন্ততঃ এজনৰ সংস্থান হল-হেতেন। তেনে হিচাবে চালে সাতশ ছাপন্ন খন চাহ বাগানৰ কৰ্ম্মীৰ ইনচিউৰৰ দ্বাৰা কম পক্ষেও এশ পঞ্চাশ জন নিবনুৱা যুৱক উপকৃত হলহেতেন আৰু তেওঁলোকৰ সংস্থান ললহেতেন। চাহবাগান বিলাকত নানা ধৰণৰ বস্তু যোগান ধৰা হয়। তাৰ ভিতৰত ছাটি, গাত লোৱা কাপোৰ, সৰু সুৰা ত্ৰিপালৰ নিচিনা পোচাক, চুৰি কটাৰী, পাচি আদিৰ

উপৰিও টুকুৰী আদিও দৰকাৰ হয়। কিন্তু সেই বিলাক বস্তু আমাৰ ইয়াত নিকিনি বাহিৰৰ পৰা কিনাৰ ফলত আমাৰ ইয়াৰ লোকে সেই টকা-খিনি পাব পৰা নাই। মাজে সময়ে তেজপুৰৰ এখন চাহবাগিচাই টেণ্ডাৰ কল কৰে ছাটি ইত্যাদিৰ কাৰণে কিন্তু সেই ক্ষেত্ৰত থলুৱা ডেকাই কমপীট কৰিব নোৱাৰে। গতিকে দেখা যায় যে যিহেতু প্ৰধান কাৰ্য্যালয় বাহিৰত আছে সেই কাৰণে থলুৱা ডেকাই যিমান পৰিমাণে সুবিধা পাবলাগিছিল ঠিক সেই ধৰণে সুবিধা পাব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আটাতকৈ ডাঙৰ কথা হৈছে যি সকল চাহ-বাগানৰ বাবু সেই সকলকো বাহিৰৰ পৰা আনি প্ৰথমে এপ্ৰেন্টিইচ হিচাবে কামত মকৰল কৰি তাৰ পিচত ৰেগুলাৰাইজ কৰি দিয়া হয়। ইয়াৰ কাৰণে নিয়োগ বিনিময় কেন্দ্ৰকো উপেক্ষা কৰি বহুত সময়ত নিয়োগ কাৰ্য্য চলাই থাকে। চাহ বাগান বিলাকে আমাৰ স্বাৰ্থ বিভিন্ন ফালৰ পৰা হানি কৰিছে। বিভিন্ন ধৰণৰ বেআইনী কাম চাহ বাগান বিলাকত চলি থাকে। এটা দুটা সাধাৰণ কথা কব খুজিছো। চাহবাগান বিলাকত বৰবাবু পদটো নোহোৱা কৰি নিজৰ মানুহৰ ভিতৰতে একাউন্টটেণ্ট এজন নিয়োগ কৰি সম্পূৰ্ণ হিচাব পত্ৰ আদি ৰখাৰ ব্যৱস্থা কৰে। সেই হিচাব বিলাক গোপনেই ৰাখে ৰাজ্যিক চৰকাৰটো দূৰৰ কথা বনুৱা সকলৰ পৰাও সেই হিচাব লুকাই ৰখা হয়, কিয়নো সেই হিচাবৰ ওপৰত বনুৱা সকলক বানচ আদি দিবলগীয়া হব। ৰাজ্যিক চৰকাৰেও ইয়াৰ কাৰণেই বহুত ৰাজহৰ ধন হেৰুৱায়। লাভ-লোকচানৰ হিচাব নিদিয়া কাৰণেই বনুৱা সকলেও বানচ আদিৰ পৰা বঞ্চিত হয়। শিক্ষাৰ শিতানত চাহ বাগান এলেকাত কি ধৰণৰ প্ৰাথমিক শিক্ষা চলিছে সেই বিষয়ে আলোচনা কৰা হৈছিল। আমাৰ এলিমেণ্টৰি বোৰ্ডৰ ফালৰ পৰাও বহুত ঠাইত গ্ৰাণ্ট আদি দিয়া হয়। কিন্তু শিক্ষক সকলক শিক্ষকতা

কাম কৰিবলৈ দিয়াৰ উপৰিও অন্য কামতহে বেছিকৈ থটুৱায়। শিক্ষকসকলেও মতা মহৰী বা মাইকী মহৰি আদি কাম কৰিবলৈ ভাল পায়। উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান সময়ৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে, উঠি অহা লৰা ছোৱালীৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে, নিবনুৱা যুৱক সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে, অসমৰ ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আৰু সমূহৰ অৰ্থনীতিক নতুন ৰূপত গঢ়ি তুলিবৰ কাৰণে যি সকলে হাবিয়াস কৰিছে সেই সকলৰ স্বাৰ্থৰ কাৰণে অসমৰ চাহ বাগান যি কেইখন আছে সেইবিলাক জাতীয়কৰণ কৰি লোৱাটো একান্ত আৱশ্যক। এই চাহবাগান সমূহৰ বনুৱা মুঠতে ১৯৭৭ চনত পয়সত্ত মিলিয়ন আছিল মুঠতে প্ৰায় দহ লাখ পৰিয়ালক সংস্থান কৰিছে। অসমৰ ৰাজ্যৰ কাৰণে হলেও এই চাহবাগান সমূহ অসম চৰকাৰৰ অধীনলৈ আনিব লাগে। এইখিনি কৈয়েই প্ৰস্তাৱটো সমৰ্থন কৰি অতি শীঘ্ৰে চাহশিল্প জাতীয়কৰণ কৰিব আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ লব বুলি কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

শ্ৰীশশকমল সন্দিকৈ ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে এই প্ৰস্তাৱটো সদনত অনাৰ কাৰণে মাননীয় সদস্য গোস্বামী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আৰু আশা ৰাখিছো আজি সদনে প্ৰস্তাৱটো সৰ্ব-সন্মতিক্ৰমে গ্ৰহণ কৰিব। অসমৰ চাহ বাগিছাৰ সংখ্যা আৰু উৎপাদন সম্পৰ্কে ইতিমধ্যে বহু কেইজন বক্তাই আলোচনা কৰি গৈছে। আমাৰ চাহ বাগিছা বিলাকৰ পৰা অকল চাহ পাত খোৱাই নহয়, অন্যান্য কাৰণেও চাহ বিদেশলৈ ৰপ্তানি হয়। অসমৰ চাহপাতৰ পৰা জনচন, নিকলচন আদি বিভিন্ন কোম্পানীয়ে চাহৰ পৰা উৎপন্ন কৰা বিভিন্ন বং বিশ্বৰ বজাৰত চতিয়াই এক বিৰাত মুনাফা আহৰণ কৰিছে। বিদেশী ৰাষ্ট্ৰই এই শিল্পৰ জৰিয়তে লাখ লাখ কোটি কোটি টকা অৰ্জন কৰি আছে। কিন্তু চাহ বাগিছা বিলাকৰ নামত বে-আইনী ভাৱে মাটি বিলাক

ৰাখিছে সম্পুৰ্ণভাৱে চাহ খেতি কৰা নাই। তাত এই মাটি বিলাকত চাহ বাগিছা নামত কিছুমান নতুন জমিদাৰৰ সৃষ্টি হৈছে। কি কাৰণে এই মাটি বিলাকত পট্টন দিয়া হৈছিল তাত ব্যৱহাৰ নকৰি সেই চাহ বাগান বিলাকে চিত্ৰনলা উৎপাদনলৈ দাইভাৰট কৰিছে। অসমত বছৰি গড়ে এহেজাৰ ৪৮৯ পাৰ হেক্টৰ চাহ উৎপন্ন হয়। কিন্তু এই চিত্ৰনলা নিচিনা খেতি কৰি এই সম্পদ উৎপাদনৰ মূল লক্ষ্য বিফলে গৈছে। আমাৰ দেশৰ যিটো সম্পদ, আমাৰ দেশৰ যি মাটি, যি উৎপন্ন হয় আমাৰ দেশৰ চৰকাৰৰ টেক্স ফাকি দি বিদেশলৈ ৰপ্তানী কৰিছে। তাৰ বিনিময়ত আমি কি পাইছো? বাগানত আমাৰ দেশৰ শ্ৰমিকে ৬.৩০ পইচা হাৰ হাজিৰা পায়। মালিকৰ শোষণ নিয়ন্ত্ৰন কৰিবৰ কাৰণে ক্ৰিটি প্লেনটেচন এক্ট আছে। কিন্তু তথাপিতো চাহ বাগিছাৰ মালিক সকলে শ্ৰমিক সকলৰ ওপৰত উৎপিড়ন চলাই আছে। কেনেকৈ চলাইছে মই কওঁ। ১৮।৮।৭৭ তাৰিখে হাপজান চাহ বাগিছাত ৪ জন শ্ৰমিকৰ মৃত্যু হল। প্ৰেষ্টিচাইজ মিহলি আটা খাই কন কন লৰা-ছোৱালী ৩ জন আৰু এজন বনোৱাও মৰিল। চাহৰ গোদামৰ লগতে পেষ্টিচাইদৰ গোদাম থোৱাৰ কাৰণেই সেই আটা খাই মৃত্যু ঘটিল। ইয়াৰ প্ৰতিবাদত তাৰ পৰা ট্ৰেলিগ্ৰাম পঠাই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিছিল। কোনা প্ৰতি-কাৰ নহল। মাত্ৰ শ্ৰমিকক জনে প্ৰতি ৭০০ টকাহে ক্ষতিপুৰণ দিয়া হল। চাহ বাগিছাত এফালে জনসম্পদ নষ্ট কৰিছে কিয়নো মূল হল জনগোষ্টি শ্ৰমিক। যি জন শ্ৰমিকৰ ওপৰত দেশৰ উন্নয়ণ নিৰ্ভৰ কৰে সেই শ্ৰমিকেই আজি ৰন্ধ্ৰে ৰন্ধ্ৰে অনুভৱ কৰিছে যে তেওঁলোকক অৱহেলা পাত্ৰ। অসমত ১৯৫১ চনত ৫ লাখ ৩৭ হেজাৰ চাহ বাগিছাত বনোৱা আছিল, ১৯৭৬ চনতগৈ ৪ লাখ ৪৯ হাজাৰ হল। কিন্তু চাহ বাগিছা বিলাকত শ্ৰমিকৰ

সংখ্যা কমি গল। আমাৰ অসমৰ চাহ পাতৰ দাম বহুখিনি বাঢ়ি অসমৰ চাহ ৪৬৫ টকাও পাৰকেজি বিক্ৰি হৈছে। যোৱা বছৰ টি অকচন মাৰ্কেটত অসমৰ চাহ পাৰ কেজি ৪৬৫ টকা বিক্ৰি হৈছিল। অথচ এই চাহ বনোৱালোক সকলৰ বেতনৰ হাৰ হল ৬ শ ৩০ পইচা। অসম চৰকাৰে আজি কিছুমান বাগিছা লৈ টি কৰপশ্যান কৰিলে হয় সম্পদৰ বৃদ্ধি নহল শ্ৰমিকৰ শোষণৰো অৱসান নহল, চৰকাৰী ভাবেও শ্ৰমিক সকলৰ ওপৰত শোষণ কৰা হৈছে। কিয়নো টি কৰপশ্যানৰ যিখন চেণ্ট্ৰেল হস্পিতেল আছে তাত কোনো সুব্যৱস্থা নাই। টি পেনটেচন টি এক্ট মতে মেমিকেল অফিচাৰ জন এম, দি বা এম, এচ হব লাগে। কিন্তু তাত এজন এম, বি, বি, এচ, মেদিকেল অফিচাৰ আছে। সেই চেণ্ট্ৰেল হস্পিতেলত বহুতো শ্ৰমিক মৰিছে। গুনাৰাম গগৈ বোলা ১৯৭৫ চনত এজন মানুহৰ মৃত্যু হল। ১৯৬৯ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ কেইবা বাৰো চিকিৎসা কৰিলে তেওঁৰ কনিক আলচাৰ হৈছিল আৰু ৪৮ ঘণ্টাৰ ভিতৰত অপাৰেচন কৰিব লাগিছিল। কিন্তু উপযুক্ত ডাক্টৰ নথকা কাৰণে সেইটো কৰিব নোৱাৰিলে কেইবটলমান তেজৰ ব্যৱস্থা কৰা হল মাত্ৰ। আৰু অনুসন্ধান কৰাৰ পিচত অনুসন্ধান বিষয়াত তেখেতৰ বেড টিকেটটো হেৰাই থাকিল বুলি C,M;O এ কলে। আচলতে হেৰাই যোৱা নাছিল। প্ৰকৃত তথ্য ওলোৱাৰ তাত সেইটো কোনে বাই লুকুৱাই থৈছিল। বেড টিকেট টো মোৰ হাতত আছে, আপোনাৰ জৰিয়তে মই সদনত দিব বিচাৰিছো। গতিকেই আজি চাহ শিল্প জাতীয়কৰণ নকৰা কাৰণে যেনেকৈ গোটেই দেশখনৰে উন্নয়নত ব্যাহত হৈছে। তেনেকৈয়ে জাতীয়কৰণ নকৰা কাৰণে শ্ৰমিকৰ ওপৰত মালিকপক্ষ্যৰ পৰা নানা ধৰণৰ জুলুম চলি আছে। দ্বিতীয়তে, তেল শিল্প অসমৰ অন্যতম শিল্প। বিদেশী কোম্পানীয়ে অসমত তেল প্ৰতিষ্ঠা কৰে। অসমত অইল, ইন্দিয়া আৰু এ, অ, চি

মূল তেল শিল্প প্ৰতিষ্ঠান। এই বিদেশী নিয়ন্ত্ৰাধীন অনুষ্ঠানেই আজি তেল উৎপাদন কৰিছে। ভাৰতবৰ্ষৰ আতাইতকৈ বেছি তেল উৎপাদন অসমতেই। অইল ইন্দিয়া অনুষ্ঠানটি এটি মালটি মিলিয়ন অনুষ্ঠান। ই বছৰি ২ হেজাৰ ৭ শ টকা বিজনেচ কৰে। কিন্তু বৃহত উপাৰ্জণত আৰু ব্যৱসায়ত জনসাধাৰণৰ অংশ আৰু নিয়ন্ত্ৰণ কিমান? ভাৰতবৰ্ষৰ অংশ শতকৰা ৫১ ভাগ বাকী অংশ মূলধন নিয়ন্ত্ৰণ কৰে বিদেশীয়ে। এই বিদেশী কোম্পানী বিলাকে মাটিৰ পৰা তেল উলিয়াবৰ কাৰণে আমাৰ গৰীব খেতিয়কৰ পৰা ডুলীয়াজান নাহৰকটীয়া অঞ্চলত ৮ শ বিঘা মাটি লৈ সেই দুখীয়া মানুহ সকলক গৃহহীন কৰিলে। প্ৰথমে প্ৰেমালামা নমৰি এজনৰ পৰা বিঘা ৫২ টকাতে মাটি লৈ লাখ লাখ টকা উপাৰ্জন কৰিছে। প্ৰেমালামা গৃহহীন হল উচ্ছেদ হল তিলে তিলে নৰৈ মতু্য মূখত পৰিল। ইয়াত চৰকাৰৰ একেবাৰে নিয়ন্ত্ৰণ নাই। ONL এ ১৯৭৫ চনত আমেৰিকাৰ পৰা ৫ কোটি টকাৰ পলিমাচ নামৰ এটা বস্তু আনিলে কাৰণ বস্তুটোৰ বোলে দাম বাঢ়িব পাৰে। কিন্তু তাৰ পৰা কোনো কাম নহল এনেয়ে পৰি আছে অথচ চেণ্টেল টেক্স ২ লাখ ৫০ হাজাৰ টকা এনেয়ে গল। তাৰ ৰেচিডেন্স চিফ ইঞ্জিনিয়াৰে মাহে ৫ হেজাৰ ৭শ টকা দৰমহা পায়। আৰু এণ্টাৰটেনমেণ্টৰ কাৰণে হেজাৰ টকা পায়। কিন্তু প্ৰেমালামাক মাটিৰ পৰা উচ্ছেদ কৰি ৫২ টকাহে দিলে। আৰু এজনে মাটিৰ মুল্য নেপালেই। এই তেল শিল্পক কেন্দ্ৰ কৰি অসমত প্ৰতি বছৰে যি কৃষক সকলক মাটিৰ পৰা উচ্ছেদ কৰি তেল উৎপাদন কৰি লাখ লাখ টকা বা বিদেশলৈ পঠিয়াই আছে সেইটো অনতিপলমে বন্ধ কৰি দিব লাগে। চাহ শিল্প যেনেকৈ ৰাষ্ট্ৰীয়কৰণ দৰকাৰ ঠিক তেনেকৈ তেল শিল্পও কোনো বিলম্ব নকৰাকৈ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। আজি ডিগবৈ এ,অ,চি তেল খাটত শুকাই যোৱাত নতুন চক্ৰান্ত কৰিছে, A.O.C এ ৰিফাইনেৰীৰ কাৰণে O.I.L পৰা আকৌ তেল লৈ যায়

শোধন কাৰ আৰু বিদেশী কোম্পানীয়ে ইয়াৰ পৰা বেনিফিট লৈ আছে।

গতিকে যিহেতু বৃটিছ কোম্পানীৰ লগত এ, অ, চি কোম্পানী জৰিত আছে, সেয়েহে অইল ইন্দিয়াৰ পৰা ক্ৰুদ অইল বিদেশী কোম্পানীয়ে লৈ যায় তাৰ ফলত বিদেশীয়ে পুজি সংগ্ৰহ কৰিবলৈ সুবিধা পায়। সেই কাৰণেই মই কব খুজিছো, ডুলিয়াজান আৰু আৰু ডিগবৈৰ তেলৰ কোম্পানীও ৰাষ্ট্ৰীয়কৰণ কৰা দৰকাৰ। এই শিল্প বিলাক ৰাষ্ট্ৰীয় কৰণ কৰাৰ এটা নতুন বেমাৰে দেখা দিছে। ক'ল ইন্দিয়া কোম্পানীত যোৱাবছৰ সমগ্ৰ ভাৰতবৰ্ষত ১৪৫ কোটি টকা লোকচান হৈছে। সেইদৰে ৰেল কোম্পানীতো এই লোকচান প্ৰতিক্ৰিয়া হোৱা দেখিবলৈ পাইছো, কাৰণ সময় মতে ট্ৰেইন নচলাৰ কাৰণে ভাৰত বৰ্ষ। আজি বস্তুৰ কৃত্ৰিম নাটনিৰ সৃষ্টি হৈছে। ইয়াৰ কাৰণ কৰ্ত্তপক্ষক সুধিলে কয় শ্ৰমিক সকলেই ইয়াৰ বাবে দায়ী। কাৰণ শ্ৰমিক সকলে ধৰ্ম্মঘট কৰি বাধা দিয়াৰ কাৰণেই ৰেল সময় মতে চলাত বাধা প্ৰাপ্ত হয়। আচলতে সেইটো নহয়, অফিচাৰ বিলাকে এই অজুহাত এনেয়ে দেখুৱাই, কয়লা সময় মতে যোগান নধৰাৰ কাৰণেই এনে বিসংগতি হয়। কেতিয়াবা কয়লা যোগান ধৰোতে এসপ্তাহ, দুসপ্তাহ বা কেতিয়াবা ছমাহ পৰ্য্যন্ত লাগে ফলত ৰেল চলাচল থাকে। ফলত ট্ৰেইন নচলাকৈ থাকে। আগতে যি সকল অফিচাৰ বিদেশী কোম্পানীৰ তলত কাম কৰি আছিল, সেইসকল এতিয়াও আছে। ৰাষ্ট্ৰীয়কৰণ যে বেয়া, এক এনে ধৰণৰ ষড়যন্ত্ৰ তেওঁলোকে চলাই আছে। ঠিক সেইদৰে প্ৰাক্তন মুখ্য মন্ত্ৰী শৰত চন্দ্ৰ সিংহ ডাঙৰীয়াই ক' অপাৰেটিভ পাতি দিছিল, কিন্তু তাতো সেইদৰে উদ্যোক্তা সকলে লুটি-পুটি লাভাংশ লৈ গৈছিল। আৰু ক অপাৰেটৰ দুনাম কৰিছে। শিল্প আছে, কিন্তু নিয়ন্ত্ৰণ নাই এনেকুৱা এটা ভুৱা

প্ৰচাৰ প্ৰতিষ্ঠিত কৰিবলৈ যত্ন হয় যে ৰাষ্ট্ৰীয়কৰণ কৰিলে লোকচান হয়। কাৰণ কি? কাৰণ প্ৰকৃত মেনেজমেণ্টৰ অভাব দুৰদৃষ্টিৰ। কিন্তু এই চৰকাৰি খণ্ডৰ শিল্পসমূহৰ মেনেজমেণ্টত আছে কোন? এতিয়াও ইয়াত আছে, সেই সকল অফিচাৰ, যি সকলে বিদেশী কোম্পানীৰ তলত কাম কৰিছিল সেই অফিচাৰ সকলে আমাৰ ৰাজ্যত হোৱা চৰকাৰী খণ্ডৰ অনুষ্ঠান বিলাক ধ্বংশ কৰিবৰ কাৰণেই ষড়যন্ত্ৰ যে কৰা নাই তাৰ কোনো মানে নাই। ভৱিষ্যতে যাতে ভাৰত বৰ্ষত কোনো শিল্প ৰাষ্ট্ৰীয় কৰণৰ কাৰণে বিধান সভাত অন্যান্য সদস্যৰ পৰাও পৰামৰ্শ আহিছে। আমি দৃঢ়তাৰে ভাবে আৰু সামগ্ৰীক ভাবে দাবী কৰিছোঁ যাতে অসমৰ অন্যান্য শিল্পৰ লগতে চাহ শিল্পটো পুজিঁ পতিৰ হাতত এৰি নিদি ৰাষ্ট্ৰীয় কৰণ কৰিব লাগে। নহলে অসম তথা গোটেই ভাৰত বৰ্ষৰে চাহৰ পৰা হোৱা লাভংশ লগতে এই শিল্প সমুলঙ্গে ধ্বংশ হ'ব। নহলে অসম তথা ভাৰত বৰ্ষ স্বাধীন হোৱা ৩০।৩২ বছৰ হ'ল, তথাপি শিল্প ৰাষ্ট্ৰীয় কৰণৰ ক্ষেত্ৰত লক্ষ্য আৰু আদৰ্শৰ পৰিবৰ্ত্তন নহ'ল। বিদেশী গ'ল, কিন্তু বিদেশীৰ দ্বাৰা পুজিঁ নিয়ন্ত্ৰণ আমাৰ দেশত চলি থাকিল। অৰ্থাত বগা চাহাব গ'ল যদিও ক'লা চাহাবৰ দ্বাৰা এই নিয়ন্ত্ৰণ চলি থাকিল। আগতে জেমচ ফিনলে নামত বিদেশী কোম্পানীয়ে চাহৰ ব্যৱসায় চলাই আছিল, এতিয়া টাটা ফিনলে কৰিছে আৰু আমাৰ দেশৰ চাহ শিল্পৰ এটা বিৰাট অংশৰ পৰা লাভাংশ লুটি-পুটি খাই এই পুজিঁ পতি সকলে একচেতীয়া সম্পত্তি কৰি বহি আছে। বিদেশী সাম্ৰাজ্য বাদী সকলৰ দৰেই এই সকল পুজিঁ পতিয়েও লুণ্ঠণ আৰম্ভ কৰিছে। গতিকেই এই পুজিঁ পতিসকলৰ আধিপাত্য উচ্ছেদ কৰিব লাগিব। অসমৰ ঘাই শিল্প চাহ বাগিচা বিলাক ৰাষ্ট্ৰীয় কৰণ কৰিলে হে আমাৰ ৰাজ্যক আগুৱাই নিয়া হ'ব আৰু অসমৰ নিৰনুৱা সমস্যাও কিছু পৰিমানে সমাধান হ'ব,

যদিহে ৰাষ্ট্ৰীয় কৰণ কৰাৰ পিচত যাতে প্ৰকৃত ভাবে অনুসন্ধান কৰি ক্ৰটি সমূহ আতৰাব পাৰে আৰু অন্যান্য ৰাজ্যৰ দৰে বা তাতোকৈ আগবাঢ়ি যাব পাৰে, তাৰ বাবে এই প্ৰস্তাৱটো পুনৰ সমৰ্থন জনাই আৰু সকলো সদস্যকে সমৰ্থন জনাবলৈ অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।।

শ্ৰীফনী মেধি:— মাননীয় উপাধ্যক্ষ মহোদয়, মই বক্তব্য দিয়াৰ আগতে মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়ালৈ ধন্যবাদ জনাইছোঁ। এই প্ৰস্তাৱটো আমাৰ কাৰণে আৰু মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াৰ লগত মইও এক মত যে আমাৰ বহুতো অনুষ্ঠান ৰাষ্ট্ৰীয় কৰণ কৰা হয় আৰু ৰাষ্টীয় কৰণ কৰাৰ কাৰণে আমি জনমত গঢ়ি তুলিব লাগে। এসময়ত প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে সমগ্ৰ ভাৰত বৰ্ষৰ ১২ টা বেংক ৰাষ্টীয় কৰণ কৰিলে আৰু তাৰ পৰা ভাৰতবৰ্ষৰ জনসাধাৰণে বিশেষকৈ শ্ৰম জীবি সকলে বেংকৰ পৰা আৰ্থিক সাহৰ্য্য লাভ কৰিব পাৰিব বুলি ভবা হৈছিল। কিন্তু আজি দেখা গ'ল ৰাষ্টিয়কত বেংকৰ পৰা সহজ ভাবে কেতিয়াও কোনো ঋণ পোৱা নাই। অসমৰ শ্ৰম জীবি সকলে, বিশেষ কৈ কৃষক সকলে এই বেংকৰ পৰা যি খিনি উপকাৰ পাব লাগিছিল, উপকাৰৰ এক অংশও তেখেত সকলে পোৱা নাই। তাৰ পৰিবৰ্ত্তে পুজিঁ পতি আৰু বিৰাট ব্যৱসায়ী সকলেহে সেই বেংকৰ পৰা উপকৃত হৈছে। সেই কাৰণেই মই কৈছো ৰাষ্ট্ৰীয়কৰণ কৰিলে সঁচা, কিন্তু ৰাষ্ট্ৰীয়কৰণ কৰোতেই কৰ্ত্তব্য শেষ হোৱা বুলি ধৰি লোৱাটো ঠিক হোৱা নাই।

উপাধ্যক্ষ মহোদয়, অসমৰ অৰ্থনীতিৰ এটা মুল অংশ আৰৰি আছে অসমৰ চাহ শিল্পই। অকল অসমতেই নহয়, ভাৰত বৰ্ষৰ

বিশেষকৈ ভাৰত চৰকাৰে মুদ্ৰা অৰ্জন কৰি আছে, তাৰ এটা শকত অংশ হৈছে চাহ শিল্পৰ পৰা। কিন্তু অসমৰ চাহ শিল্পৰ অৱস্থা বৰ্ত্তমান কিয় আৰু কেনেকৈ এনেকুৱা অৱস্থা হৈছে ? এই বিষয়ে পৰীক্ষা নিৰীক্ষা কৰিবলৈ এটা এষ্টিমেট বা এড্মিনিষ্ট্ৰেচন ৰিভিউ কমিটিৰ প্ৰয়োজন হৈছে। কাৰণ প্ৰায় ডাঙৰ ডাঙৰ চাহ বাগিচা বিলাকে অসমৰ শতকৰা ১৫ ভাগ মাটি দখল কৰি আছে।

আমাৰ খেতিয়ক সকল গৰীৱ আৰু ভূমিহীন। এই তৃতীয়া খেতিয়ক সকলে মাটিৰ অভাৱত নগালেণ্ড বডাৰত গৈ বুকুৰ তেজ দিব লগা হল। অথচ অসমত ১৫৬ খন চাহ বাগিছা আছে যি কিখন বাগিছা এতিয়ালৈকে বিদেশী নিয়ন্ত্ৰণত আছে। আজি ৩০ বা ৩২ বছৰ পাৰ হৈ যোৱাৰ পিচতো এই চাহ বাগিচা বিলাকৰ পৰা বিদেশী নিয়ন্ত্ৰণ আঁতৰাব পৰা নাই। কিয়। এই বাগিছা বিলাকত যি বিলাক শ্ৰমিকে কাম কৰি আছে তেওঁলোকৰ অৱস্থা অতি শোচনীয়। আগৰ কংগ্ৰেছ প্ৰেছিডেণ্ট শ্ৰীদেৱ কান্ত বৰুৱাই এসময়ত কৈছিল আলি আৰু কুলী যেতিয়ালৈকে তেখেতসকলৰ পকেটত আছে তেতিয়ালৈকে তেখেতসকলৰ ভয় নাই। এই আলি বিলাক হল চৰত বাস কৰা আৰু কুলী বিলাক হল চাহবাগিছাত কাম কৰা কুলী।

Shri Jagannath Sinha ( Minister ) :— Sir, the word coolie has been prohibited by Govt. of India and therefore it connot be used.

Shri Phani Medhi :— The statement was made by the Ex-President Shri Deva Kanta Barooah.

Shri Jagannath Sinha ( Minister ) :— Sir, he has used it also.

**Shri Golak Rajbangshi** :—Sir, when this question has been raised that the word is unparliamentary what is your ruling on it ?

মাননীয় উপাধ্যক্ষ :— শব্দটো কুলী নহয় শ্ৰমিক হব লাগে ।

শ্ৰীফনী মেধি :— শ্ৰমিক বুলিয়েই কৈছোঁ। এই শ্ৰমিক সকলৰ মাজৰ পৰা বহুতো প্ৰতিনিধি ইমানদিনে বিধান সভালৈ নিৰ্বাচিত কৰি দিছিল। কিন্তু আমি নাজানো এই নিৰ্ব্বাচিত প্ৰতিনিধি সকলে বিধান সভাৰ মজিয়াত থাকি আজি ইমান দিনে কিয় শ্ৰমিক ভাই সকলৰ প্ৰকৃত অভাৱ অভিযোগ পূৰণ কৰিব পৰা নাই। শ্ৰমিক ভাই সকলৰ অভাৱ অভিযোগ আদি কিয় আজি ইমান দিনে তেওঁলোকে বিধান সভাত প্ৰতিফলিত কৰিব পৰা নাই আমি নাজানো। চাহ বাগিছাৰ শ্ৰমিক ভাই সকলৰ মাজৰ পৰা নিৰ্বাচিত হৈ আহি কিয় ইয়াত মৌনতা অবলম্বন কৰে আমি নাজানো। কিন্তু বাস্তৱ অভিজ্ঞতাৰ পৰা দেখিছোঁ আৰু বন্ধু শ্ৰীসন্দিকৈ ডাঙৰীয়াইও কৈছে যে অসমত চাহৰ উৎপাদন বাঢ়ি গৈ আছে। প্ৰচুৰ পৰিমানে বাঢ়িছে। যিমানখিনি মাটিত চাহ খেতি কৰিছিল তাতকৈ বহু বেছি চাহ বাঢ়ি গৈছে। কিন্তু অতি আচৰিত কথা যে উৎপাদন বাঢ়িছে, হেক্টৰছ বাঢ়িছে কিন্তু শ্ৰমিকৰ সংখ্যা কমিছে। আমি অভিজ্ঞতাৰ পৰা দেখিছোঁ যে চাহ বাগিছা বিলাকত পাৰমেনেণ্ট শ্ৰমিক আছে এই পাৰমেনেণ্ট শ্ৰমিকৰ সংখ্যা কমাবৰ কাৰনে বাগিছাৰ মালিক সকলে কণ্ট্ৰেক্ট বা কেজুৱেল লেবাৰ আৰু সৰু লৰা ছোৱালী মাতি আনি কাম কৰোৱাৰ পদ্ধতি অৱলম্বন কৰিছে। চিজন হিচাপে এই মানুহ বোৰক মাতি আনি কাম কৰুৱাই আৰু আকৌ প্লাক কৰা হোৱাৰ পিচত এই মানুহ বিলাকক আৰু সৰু লৰাছোৱালী বিলাকক পাত উঠোৱাৰ পিচত পইছা আদি দি পঠিয়াই দিয়ে। এই পদ্ধতিৰ ফলত চাহ বাগিছাৰ প্ৰকৃত

শ্ৰমিক ভাই সকল বহুতো সা-সুবিধা পৰা বঞ্চিত হৈছে। আনহাতে ষ্টালিং কম্পানীত যি বিলাক মডা মানুহে কাম কৰে তেওঁলোকে পৰিয়ালৰ বাবে ৰেছন আৰু মেডিকেল পায় কিন্তু মইকী মানুহে কাম কৰিলে তেওঁলোকৰ পৰিয়ালৰ মেডিকেল আৰু ৰেছন আদি নাপায়। এই বিষয়টো লৈ মই বাগিচাৰ কৰ্ম্মকৰ্ত্তাৰ দৃষ্টি আকৰ্ষন কৰিছিলোঁ। তেওঁলোকে তেতিয়া বেলেগ ব্যখ্যা দিলে। মই এতিয়া সেই ব্যাখ্যালৈ নাযাওঁ। উপাধ্যক্ষ মহোদয় সচাকৈয়ে এইটো এটা অমানবীয় ব্যৱস্থা। তেওঁলোকৰ ব্যৱস্থাৰ উন্নতিৰ কাৰনে জনতা চৰকাৰে নিশ্চয় চেষ্টা কৰিব। আজি শিক্ষা বিষয়তো তেওঁলোক পিচপৰি আছে। তেওঁলোকৰ হস্পিটালৰ যি অৱস্থা সেইটো ভাৱিলে সচাকৈ আচৰিত হব লাগে। ৬০ বছৰমানৰ আগতে যি এল এম পি ডাক্তৰ তাত নিয়োগ কৰিছিল সেই ব্যৱস্থাই আজিও চলি আছে। এই ডাক্তৰ সকলেই শ্ৰমিক সকলৰ ব্যবস্থাৰ ৰক্ষনা বেক্ষন দিব লাগে। অথচ অসমত এব বি বি এচ পাছ কৰা বহুতো ডাক্তৰ আছে। তথাপি তেওঁলোকক নিযুক্তি দিয়াৰ কোনো ব্যৱস্থা নাই। উপাধ্যক্ষ মহোদয়, সেই শ্ৰমিক সকলৰ যেতিয়ালৈকে উন্নতি নহব তেতিয়ালৈকে তেওঁলোকে জ্ঞান বিজ্ঞানৰ পোহৰ নাপায়। চাহ বাগান বিলাকলৈ গলে দেখা পোৱা যায় যে এই শ্ৰমিক সকলে যি ধৰণে বাস কৰি আছে সেইটো ভাবিব নোৱাৰে। অসম চৰকাৰৰ এটা শ্ৰম কল্যান বিভাগো আছে আৰু সেই দপ্তৰৰ লেবাৰ মন্ত্ৰীও আছে। কিন্তু এই শ্ৰম কল্যান দপ্তৰ বা লেবাৰ মন্ত্ৰীয়ে দিশপুৰত থাকিয়েই শ্ৰমিক সকলৰ কল্যাণ কৰিছে নেকি আমি নাজানো। কিন্তু এই শ্ৰমিক সকলৰ অভাৱ অভিযোগ আজি ৩০/৩২ বছৰে একেই আছে। অৱশ্যে মন্ত্ৰী মহোদয়ৰ সময় নাপায় নেকি আমি কব নোৱাৰোঁ। মোৰ বিশ্বাস শ্ৰম মন্ত্ৰীৰ চাহ বাগিছাত শ্ৰমিক সংগঠণ কৰাৰ অভিজ্ঞতা আছে। হয়তো এতিয়া তেখেতে পাহৰি গৈছে। কোনোবা এজন কবিয়ে কোৱাৰ দৰে' অতীতক যোৱাহে পাহৰি আৰু অতীতক

নাযাবা পাহৰি "। অসমৰ মন্ত্ৰী মহোদয়ৰ ক্ষেত্ৰত 'অতীতক নযোৱাহে পাহৰিটোহে সচাহে হৈছে যেন পাওঁ। কিন্তু মই তেখেতক সোধঁৰাই দিব খুজিছোঁ যে যুগ যুগ ধৰি মানৱীয় মৰ্য্যদাৰ পৰা বঞ্চিত হৈ থকা শ্ৰমিক ভাই সকলৰ উন্নতিৰ কাৰণে এই চৰকাৰ নিশ্চয় সজাগ হব, আৰু ন্যায় দাবী পূৰণ কৰাৰ ব্যৱস্থা লব । অসমৰ অৰ্থনীতিত চাহ শিল্পই এটা ভাল সম্পদ পুৰাই আছে তাক কোৱাৰ প্ৰয়োজন নাই। কিন্তু এটা কথা যে এই চাহ বাগান বিলাক আধুনিকীকৰণ কৰাৰ নামত কিছুমান বাগানহে আধুনিকৰণ কৰা হৈছে কি অধিকাংশ বাগিছাই এই ব্যৱস্থাত সহায় কৰা নাই। গতিকে এই চাহ বাগিছা বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে আৰু লগতে এইটোও কওঁ যে ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগে লগে বিদেশী পুজি বাজেয়াপ্ত কৰিব লাগে। পুজি বাজেয়াপ্ত কৰি যি ধনপোৱা যায় তাৰ দ্বাৰা শ্ৰমিক ভাই সকলৰ স্বাস্থ্য শিক্ষা, বসবাস ঘৰ আদিত খৰচ কৰিব লাগে ।

মোৰ দ্বিতীয় কথা হৈছে আমাৰ তেল শিল্পৰ কথা। এই তেল শিল্পৰ কথা ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীসন্দিকৈ ডাঙৰীয়াই কৈছে যে অসমৰ তেল শিল্পৰ ক্ষেত্ৰত এটা ব্যাপক ষৰযন্ত্ৰ চলি আছে । তাৰ এটা উদাহৰণ দিব খুজিছো যে আমাৰ অসমত ডিগবৈত এ, ও, দিয়ে বহু বছৰ ধৰি তেল উদ্ঘাটন কৰি আছে । তাৰ পৰা এতিয়াও বহু পৰিমানে তেল আহি আছে। কিন্তু যি ব্যাপ হাৰত তাত তেলৰ সন্ধান পোৱা গৈছিল সেই অনুপাতে ড্ৰিলিং কৰা হোৱা নাছিল কিয় ?

আজিও, এন, জি, চি, য়ে যিবিলাক ঠাইত ড্ৰিলিং কৰি আছে। মোৰ বিশ্বাস তাতোকৈ বহুত বেছি বাপক অঞ্চলত তেলৰ খনি আছে।

কিন্তু বিশেষ কিছু কাৰণত হয়তো, সাম্ৰাজ্যবাদী কৌশলো হবপাৰে যে তেখেতসকলে সমগ্ৰ দেশৰ সমগ্ৰ সম্পদৰাজী আহৰণ কৰিব খোজা নাই। ইয়াৰ ফলত তেল অনাৰ কাৰণে বৈদেশিক মুদ্ৰা খৰচ কৰিব লগীয়া হৈছে। আজি মধ্যপ্ৰাচ্যৰ দেশ সমূহত, সেই তুৰ্বাৰ মৰুভূমি থকা দেশ সমূহে তেল বিক্ৰী কৰি ৰাষ্ট্ৰীয় অৰ্থনীতি গঢ়ি তুলিব পাৰিছে। অৱশ্যে ভালধৰণে গঢ়ি উঠা বুলি নকওঁ কাৰণ মধ্যপ্ৰাচ্যৰ ডাঙৰ ডাঙৰ চাহ সকলে, শাসকগোষ্ঠীয়ে তেলৰ পৰা পোৱা আয় নিজৰ কাৰণে খৰচ কৰে। তথাপিও কব লাগিব যে সেই দেশ আজি তেল বিক্ৰী কৰি অৰ্থনীতি গঢ়ি তুলিব পাৰিছে।

আজি আমি ভাৰতবৰ্ষক দৰিদ্ৰৰ দেশ বুলি কওঁ। এইখন দেশৰ শতকৰা ৮০ ভাগ মানুহে দৰিদ্ৰৰ সীমাৰেখাৰ তলত বাস কৰে। এইটো কৈয়ে আমি শান্তনা লভি আছো। আমাৰ যি প্ৰাকৃতিক সম্পদ, এই প্ৰাকৃতিক সম্পদ যদি আমি ব্যৱহাৰ কৰিব পাৰো তেতিয়াহলে অসমৰ অৰ্থনীতি সবল কৰাৰ লগতে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় অৰ্থনীতিটো অৰিহণা যোগাব পাৰিব।

অসমত যিবিলাক প্লাইউড্ কাৰখানা আছে, সেইবিলাকে সমগ্ৰ পূৰ্বাঞ্চলৰ বনজ সম্পদ একাধৰে ধ্বংশ কৰি আছে। অথচ তাৰ পৰা অসম চৰকাৰে ৰাজহ পোৱা নাই, নিবনুৱা সকলে চাকৰি পোৱা নাই। বহুতো প্লাইউড কাৰখানাত দেখিছো মেনেজেৰিয়েল জব বিলাকৰ শতকৰা ৮০।৯০ ভাগ বাহিৰৰ মানুহে পায়। কিছুমান ফেক্টৰীত অধিকাংশ থলুৱা লোকেই বঞ্চিত হৈছে আৰু কিছুমান ফেক্টৰীত থলুৱা মানুহ নায়েই এইদৰে যদি এই শিল্প বিলাকৰ ক্ষেত্ৰত চাকৰি-বাকৰিৰ পৰা বঞ্চিত হোৱাৰ উপৰিও ৰাজহৰ পৰাও যদি বঞ্চিত হবলগীয়া, হয় চেলচ্ টেক্সৰ পৰাও যদি বঞ্চিত হব লগীয়া হয় তেনেহলে আমাৰ অৰ্থনীতি কেনেকৈ উন্নতি হব আৰু থলুৱা লোকেও কেনেকৈ চাকৰি পাব ? সেইদৰে আমাৰ বনজ

সম্পদ বিৰলা কোম্পানীয়ে————

Shri Jagnnath Sinha ( Minister ) :— Mr. Deputy Speaker, sir under Seetiun 122 the discussion on a Resolutions should bet strics limited to subject of the Resolutions :

শ্ৰীফণী মেধি :—মন্ত্ৰী মহোদয়ে যিটো ক'লঞ্জৰ কথা উল্লেখ কৰিছে সেই কিতাপ খন মোৰ হাততো আছে আৰু এই সম্পৰ্কে ময়ো জানো। কিন্তু এটা কথা ' গৰম তেলত যেতিয়া মছলা দিয়া যায় তেতিয়া তেল চিটিকি গাত পৰি গা পোৰে।' গতিকে তেখেতৰ গা পোৰাৰ কাৰণেও বাৰে ৰাৰে কল'জ বিচাৰি ফুৰিছে ।

গতিকে উপাধ্যক্ষ মহোদয়ে, আমাৰ তেল শিল্পও ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে আৰু ইয়াত যি বিদেশী হস্তক্ষেপ চলি আছে সেইটো সম্পূৰ্ণ ৰূপে বন্ধ কৰিব লাগে। উপাধ্যক্ষ আমি সাম্ৰাজ্যবাদী শোষণৰ কথা কওঁ যদিও আমাৰ বহুতে বুজি নাপায়, সাম্ৰাজ্যবাদী শোষণ কেনেকৈ হয়। উদাহৰণ স্বৰূপে মই কব খোজো যে ভিলাইত যি তিখা উৎপন্ন হয় সেইবিলাক বিভিন্ন ইঞ্জিনিয়াৰিং কাৰখানালৈ যায় । এই ইঞ্জিনিয়াৰিং কাৰখানা বিলাকক তেওঁলোকে কম দমতো দিয়ে আৰু তাৰ বিনিময়ত তেওঁলোকে কেচামাল লৈ যায়। এইধৰণে সাম্ৰাজ্যবাদী আৰু -বিদেশী পুঁজিপতিয়ে আমাৰ দেশৰ জনসাধাৰণক লুণ্ঠণ কৰি আছে। তেল শিল্পৰ ক্ষেত্ৰত, চাহ শিল্পৰ ক্ষেত্ৰত সকলো ক্ষেত্ৰতেই লুণ্ঠন কৰি আছে। অমাৰ তেল শিল্প ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগে লগেই যে আমি সকলোবিলাক সুবিধা পাম সেইটো নহয় । বেংক ৰাষ্ট্ৰীয়কৰণ হোৱাৰ পাচত আমাৰ ৰাইজে কিমান উপকৃত হ'ল । উপকৃত নহল বুলিয়েই যে কৰিব নালাগিব সেইটোও নহয় । মই এটা পৰামৰ্শ দিব

বিচাৰিছো যে এইবিলাক ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগে লগে ইয়াত যি বিদেশীয় পুজি আছে সেইবিকাক বাজেয়াপ্ত কৰি শ্ৰমিক, কৃষক, মজদুৰৰ সা-সুবিধাৰ কাৰণে খৰচ কৰিব লাগে। ইয়াকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰি মই সামৰণি মাৰিলো।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে চাহ শিল্প ৰাষ্ট্ৰিয়কৰণ কৰা কথালৈ মই এই প্ৰস্তাৱটো সমৰ্থণ কৰিছো। অসমৰ মাটি কালিৰ তিনিচতুথাংশ মাটিত চাহ গছ আছে। এই চাহ গছ বিলাক ৰাষ্ট্ৰিয়কৰণ কৰাৰ আগতে এটা কথা চিন্তা কৰি চাব লাগিব যে ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ যোৱাৰ আগতে এটা সমস্যা আহিছে যে যদি খৰাং বতৰৰ কাৰণে এই চাহ গছ বিলাক মৰি যায় বা অন্য কিবা প্ৰকাৰে চাহ গছ বিলাকৰ অনিষ্ট হয় তেতিয়াহলে ইয়াত যিমান বিলাক মজদুৰ এই শিল্পত নিয়োজিত হৈ আছে সেই সকলৰ অন্য উপায় কি হব? আজি এইটো এটা প্ৰশ্ন চাহ শিল্প ৰাষ্ট্ৰিয়কৰণৰ কৰিবলৈ যোৱাৰ আগতে আহিছে। আমি চাহ শিল্প ৰাষ্ট্ৰিয়কৰণৰ কৰিবলৈ যোৱাৰ আজেই এই সমস্যাটো আমাৰ চকুত পৰিছে। যদি আমি চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ নকৰো তেনেহলে অলপ দিনৰ পিচতে এই শিল্প বন্ধ হৈ যোৱাৰ সম্ভৱনা নোহোৱা নহয়। গতিকে আমি এই ক্ষেত্ৰত এটা বিকল্প ব্যৱস্থা লব লাগিব।

মোৰ দ্বিতীয় কথা হল উপধ্যক্ষ মহোদয়, চাহ শিল্প ৰাষ্ট্ৰিকৰণ কৰাৰ আগতে এটা কথা চিন্তা কৰিব লাগিব আজি যিমান বিলাক চাহ কোম্পানীয়েই হওক বা অন্যান্য কোম্পানীয়েই হওক বছৰৰ শেষত বেলে

* Speeco not corrected

ন্সিত তৈয়াৰ কৰে। বেলেন্সস্থিত তৈয়াৰ কৰাৰ কাৰণে কিছুমান চাৰটাৰ্ড একাউন্টৰ ফৰ্ম আছে। এই চাৰটাৰ্ড একাউন্টৰ ফৰ্ম বিলাক ৰাষ্ট্ৰীকৰণ কৰি ললে ভাল হব। নহলে অৱস্থা একে হৈয়ে থাকিব। আজি চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ নৌ হওতেই লোণ্ঠন আৰম্ভ হৈছে। আজি ভাৰতবৰ্ষত যিমান চাহ উৎপন্ন হয় তাৰ আধা অসমতে উৎপন্ন হয়। আমি পাওঁ কেন্দ্ৰীয় চৰকাৰৰ পৰা তাৰ সামান্য অংশ এটা। আজি আমাৰ ইয়াত যি তিনি চতুৰ্থাংশ চাহ গছ আছে সেই চাহ গছ বিলাকে মাটিৰ ৰস সুহি সুহি খোৱাৰ ফলত ক্ষয় হৈ গৈ আছে। কিবা এটা বস্তু টানি টানি আনি থাকিলে শেষত যেনেকৈ নাইকীয়া হৈ যায় সেই দৰেই চাহ গছ বিলাকে মাটিৰ ৰস সুহি সুহি নাইকীয়া কৰিব। সেই কাৰণেই ইয়াৰ এটা বিকল্প ব্যৱস্থাৰ কথা চিন্তা কৰিব লাগিব।

গতিকে তাৰ এটা বিকল্প ব্যৱস্থা আমি চিন্তা কৰি উলিয়াব লাগিব। যিবিলাক ষ্টাৰ্লিং কোম্পানী আছিল সেইবিলাক ৰুপী কোম্পানীলৈ বদলি কৰাৰ পিচত কিছুমান বাগান আছে আৰু তাৰ দ্বাৰায়তে কিছুমান বাগানৰ লাভ হৈছে। ইয়াৰ পিছত চাহৰ কথা এৰি মই তেল শিল্পলৈ আহো। অসমত দুটা শিল্প এই ক্ষেত্ৰত গঢ়ি উঠিছে এটা হৈছে অয়ল ইন্দিয়া আৰু আন হ'ল এ, অ, চি ইয়াৰ জৰিয়তে বছৰি মুঠ ৫০০ মেট্ৰিক টন ক্ৰুদ অয়ল উৎপাদন হয় আৰু এই উৎপাদনৰ পৰা হিচাপ কৰিলে দেখা যায় যে এই আয়ৰ পৰিমান ৫০০ কোটি টকা। অন্যান্য দেশত যেনেকৈ আৰব ইত্যাদি দেশত যি ধৰণে হয় সেইদৰে আমাৰ ৰাজ্যত যদি গোটেই খনি সম্পদ থাকিলেহেতেন তেতিয়াহলে আজি আমাৰ অসমখন এখন চহকী দেশ হ'লহেতেন। আমাৰ তেল ৰিফেইনাৰী বিলাকত এই তেলৰ পৰা প্ৰায় ১১ টা মান বাই-প্ৰদাক্ট উৎপাদন হব পাৰে, কিন্তু আজি পৰ্যন্ত তাৰে এটাও তৈয়াৰ কৰিব পৰা

নাই। উদাহৰণ স্বৰূপে আমাৰ ইয়াত যিবিলাক মোম তৈয়াৰ হয় সেইবিলাক আৰব কানট্ৰিত যি মোম তৈয়াৰ হয় তাতকৈ বহু গুণে উচ্চ-মান বিশিষ্ট আৰু সেয়েহে আমাৰ ইয়াত তৈয়াৰ হোৱা মোমৰ চাহিদা আন আন ঠাইত বৰ বেচি। আন ঠাইৰ লগত আমাৰ মোমৰ তুলনা নহয়। কিন্তু এই মোমে বোম্বেৰ পৰা ঘুৰি আহতে বিশেষকৈ চেণ্ট্ৰেল গৰ্ভণমেণ্টৰ কোটালৈ ঘুৰি আহোতে আমি ইয়াত এই মোমৰ দাম বেচিকৈ দিবলগীয়া হৈছে। গতিকে এই শিল্পটো ৰাষ্ট্ৰীয়কৰণ কৰিব পাৰিলে আমাৰ এই এ, অ, চি বা ৰিফাইনাৰী আছে সেই বিলাক উৎপাদিত বস্তুৰ পৰা আমি এটা নহলেও বাই প্ৰদাক্ট তৈয়াৰ কৰিব পাৰো। আৰু তাৰ দ্বাৰা বাই-প্ৰোদাক্টৰ ফেক্টৰী আমাৰ ইয়াত গঢ়ি উঠিব পাৰে আৰু তাত তেতিয়া নিবনুৱা সকলক চাকৰিৰ সংস্থান দিয়াৰ কাৰণে সুবিধা হৈ পৰিব। তাৰ পাচত আমাৰ যিখিনি নেশ্যনেল এনাৰজি অৰ্থাৎ জুই অবাবতে পুৰি নষ্ট হৈছে আমাৰ সম্পদ নষ্ট হৈ আছে। সেইটো আমি পুণৰ ঘূৰাই আনিবলৈ সক্ষম হম। সেইকাৰণে মই এই চাহ আৰু তেল শিল্প জাতিয়কৰণ কৰাৰ ক্ষেত্ৰত পক্ষ-পাতিত্ব কৰিছো কিন্তু জাতীয়কৰণ কৰাৰ আগতে মই। এইখিনিতে কেইটামান কথালৈ আঙুলিয়াই দিব খুজিছো —কিয়নো আজি আমাৰ এল, পি, স্কুলবিলাক জাতিয়কৰণ কৰাৰ পিচত যিবিলাক সমস্যাই আৰু খেলিমেলিয়ে দেখা দিছে থিক তেনেকৈ আমাৰ এই দুই শিল্প জাতিকৰণ কৰাৰ পাচতো তেনে ধৰণ কিছুমান খেলিমেলি আহি পৰিব পাৰে বিশেষকৈ যিবিলাক মেনেজাৰ হব বা অন্যান্য যিবিলাক অসুবিধা আহি পৰিব পাৰে সেইবিষয়ে চাব লগীয়া আছে। যিহেতু এতিয়া দেখা গৈছে টি-কোৰপৰেশ্যনৰ তলত যিবিলাক বাগান চলি আছে অৰ্থ্যৎ সেইবিলাক কিছু পৰিমাণে চৰকাৰৰ হাতলৈ অনাৰ নিচিনা হৈছে, সেইবিলাকত মেনেজমেণ্ট কেনেধৰণে চলিছে সেইটো সকলোয়ে দেখা পাইছে। গতিকে আজি আম জাতীয় কৰণ

কৰাৰ আগতে এই বস্তুটোৰ লগত আমাৰ জাতীয় চৰিত্ৰটো খাপ খোৱাকৈ তৈয়াৰ কৰি লব পাৰিব লাগিব তেতিয়াহে জাতিয়কৰণৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব পাৰিম আৰু ইয়াৰ দ্বাৰা লাভবান হব পাৰিম। এই খিনিকে কৈ প্ৰস্তাবটো সমৰ্থন জনাই সামৰিলো।

* দেওৱান জইনাল আৱেদীন:— মাননীয় উপাধ্যক্ষ মহোদয়, সদস্য অতুল গোস্বামী ডাঙৰীয়াই আজি অসমত চাহ আৰু তেল শিল্প জাতীয়কৰণ কৰাৰ দাবীত যিটো প্ৰস্তাব উত্থাপন কৰিছে সেই প্ৰস্তাৱৰ প্ৰতি মোৰ সমৰ্থন জনাই দুষাৰ মান কবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয়, আজি চাহ আৰু তেল শিল্প জাতীয়কৰণ কৰাৰ দাবী আজিৰ নহয় ই বহুত আগৰে। তেল শিল্পত আমি ইতিমধ্যে কিছু আগবাঢ়িছো আৰু কিছু কৃতকাৰ্য্যতা লাভো কৰিছো কিন্তু চাহৰ ক্ষেত্ৰতো আজি বহু দিন আগৰে পৰা এই দাবী কৰি আহিছো আৰু উল্লেখ যোগ্য যে যিটো দল আজি অসমৰ শাসনৰ গাদীত বহী আছে আৰু তেখেত সকলৰ লগত থকা সকল চচিয়েলিষ্ট সদস্য আছে, আজি বহু দিন ধৰি তেওঁলোকে ৰাজ্যিক আন্দোলন হিচাবে আৰু অন্যতম মূলধন হিচাবে এই চাহ শিল্পক ৰাষ্ট্ৰিয় কৰণৰ দাবীক ব্যৱহাৰ কৰি আহিছে। অৱশ্যে এটা কথা সচা যে ইমান দিনে আমাৰ জনসাধাৰণৰ মাজত আৰু দেশৰ আৰু ৰাজ্যৰ সাধাৰণ মানুহৰ মাজত এই ৰাষ্ট্ৰিয়কৰণৰ সপক্ষেত কোনো উৎসাহ দেখা পোৱা নাই। সাম্প্ৰতিক কালত এই অৱস্থাৰ অলপ পৰিবৰ্ত্তন হৈছে বুলি মই ভাবো আৰু ৰাইজৰ মাজত এই সম্পৰ্কে এটা আগ্ৰহ দেখা গৈছে। গতিকে মই ভাবো যদি কোনো এটা কাম কৰিবলৈ যোৱাৰ আগতে আৰু যি কোনো এটা নতুন পদক্ষেপ লবলৈ

* Speech not Corrected

হলে আৰু সেই পদক্ষেপ কাৰ্য্যকৰী কৰিবলৈ হলে জনসাধাৰণৰ সন্মুখত এটা অন্যতম পূৰ্ব শক্তি দেখা গৈছে আৰু সেই ফালৰ পৰা বিবেচনা কৰি আৰু বৰ্ত্তমান সময়ত জনসাধাৰণৰ মানুহৰ অৱস্থা এই ক্ষেত্ৰত চাহ আৰু তেল শিল্প ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে এই সময়তো সবতকৈ অনুকূল অৱস্থা আহি পৰিছে বুলি মই ভাবো।

উপাধ্যক্ষ মহোদয়, মই এই বিষয়ে আগতে কৈছো যে অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত মুঠ আয়ৰ প্ৰায় ৬০ ভাগ আহে কৃষি অৰ্থনীতিৰ পৰা যাৰ ভিতৰত আকৌ এটা বুজন সংখ্যক অবদান যোগাই চাহ শিল্পই সমগ্ৰ ভাৰতবৰ্ষই যি চাহ উৎপাদন কৰে তাৰ শতকৰা প্ৰায় ৫০ ভাগ অসমে উৎপাদন কৰে। এই শিল্পত প্ৰত্যক্ষভাবে নিয়োজিত আছে ৫ লাখ মানুহ আৰু পৰোক্ষভাবে বহু সংখ্যক মানুহে এই শিল্পৰ জৰিয়তে জীৱন নিৰ্বাহ কৰিছে। কিন্তু দুখৰ কথা যে এইটো যদিও এটা অন্যতম শিল্প আজিলৈকে ইয়াৰ উল্লেখযোগ্য কোনো আধুনিকিকৰণ হোৱা নাই। কংগ্ৰেছৰ আমোলতো নহলেই আজি এবছৰে জনতা চৰকাৰে কোনো উল্লেখ যোগ্য পদক্ষেপ এই ক্ষেত্ৰত গ্ৰহণ কৰিব পৰা নাই। চাহ বাগানৰ বনুৱা সকলৰ অৱস্থা দিনক দিনে বেয়াৰ ফালেহে গতি কৰা পৰিলক্ষিত হৈছে। চাহ খেতিয়ে হয়তো লাহে লাহে কিছু বেচি মাটি সামৰি লৈছে বা অধিক উৎপাদনৰ ব্যৱস্থা হাতত লৈছে কিন্তু যি ধৰণে শ্ৰমিক সকলক খটুৱাব লাগে সেইদৰে তেওঁলোকক নিয়োজিত কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। ঠিক তেনেকৈ যিসকল শ্ৰমিক এই শিল্পত নিয়োজিত হৈ আছে তেওঁলোকৰ জীৱনৰ মানদণ্ড উন্নতি কৰিবৰ বাবে এই শিল্প কৰ্ত্তা সকলে যি ব্যৱস্থা লব লাগিছিল তাত সম্পূৰ্ণ ব্যৰ্থ হৈছে, যাৰ ফলত এই শিল্প আশানুৰূপ ভাবে বৃদ্ধি হোৱা নাই আৰু সামগ্ৰিক ভাবে এই শিল্পই অসমৰ অৰ্থনীতিৰ প্ৰতি অবদান যোগোৱাৰ যিখিনি সম্ভাৱনা আছিল

সেই সম্ভাৱনাত সম্পুৰ্ণৰূপে ব্যৰ্থ হৈছে। আজি এই প্ৰসঙ্গত বহু কথাই কৈ থকা হৈছে আৰু আমাৰ কিছুমান সদস্যই এই শিল্পক জাতিয়কৰণৰ দাব কৰিছে। কিছুমানে আকৌ আৰু এখোজ আগবাঢ়ি গৈ ৰাজ্যিকিকৰণ কৰাৰ দাবী কৰিছে। এই যে ৰাষ্ট্ৰীয় কৰণেই হওক বা ৰাজ্যিকিকৰণেই হওক এই কথোতা ভালকৈ বিবেচনা কৰি চাব লাগিব। এই চাহ শিল্প জাতিয়কৰণ কৰাৰ পক্ষে এটা শক্তিশালী যুক্তি আছে। মই বেচি কথা কবলৈ নাযাওঁ—মাত্ৰ এটা কথাই কব খুজিছো যে এই জাতিয়কৰণ কৰাৰ যুক্তিযুক্ততা ক'ত। আমি এই কথা জানো যে অসমৰ চাহ শিল্পত দেশী-বিদেশী পুজিপতিৰ হাতত আছে। এই পুজিপাত সকলে আমাৰ অসমত যি চাহ শিল্প গঢ়ি তুলিছে সেইবোৰে অসমৰ মানুহক কৰ্ম্ম সংস্থান দিবৰ কাৰণে গঢ়ি উঠা নাই। তেওঁলোকে অসমৰ অৰ্থনীতি টনকিয়াল কৰিবৰ কাৰণে বা অসমত চাহ শিল্প বৃদ্ধি কৰাৰ মানসেৰে এই শিল্প গঢ়ি তোলা নাই। তেওঁলোকে এই শিল্প গঢ়ি তুলিছে একমাত্ৰ ব্যক্তিগত লাভৰ অংশ বৃদ্ধি কৰিবৰ কাৰণেহে। সেইটোৱেই হৈছে তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য।

যদি এই চাহ শিল্পক সেই পুজিপতি সকলৰ হাতৰ পৰা মুক্ত কৰিব পৰা নাযায় তেনেহলে মই ভাবো নিশ্চয় এই শিল্পৰ কোনো দিনেই উন্নতি নহব। ৰাষ্ট্ৰিয়কৰণ কৰিলে এই ক্ষেত্ৰত ভালেখিনি সকাহ আনি দিব পাৰে বুলি মই ভাবো। উদাহৰণ স্বৰূপে এই ক্ষেত্ৰত মই এটা দৃষ্টান্ত দি কব খোজো যে এই ক্ষেত্ৰত অসম কেনেকৈ লাভবান হব। এই কথা আমি কব পাৰো যে চাহ শিল্পৰ পৰা অসমে কি পায়। এই শিল্পৰ পৰা যি লাভ হয় তাৰে শতকৰা ৬০ ভাগ ৰাজ্য চৰকাৰে পায় আৰু বাকী ৪০ ভাগ কেন্দ্ৰই পায়। লাভ যিমানেই বাঢ়িব অসমৰ ভাগো সিমানেই বাঢ়িব। এতিয়া কথা হল এই লাভৰ অংশটো প্ৰকৃততে

কত। এই লাভৰ অংশটো নিৰ্ভৰ কৰে ব্যক্তিগত পুজিপতি সকলে যি উৎপাদন কৰে তাৰ ওপৰত। কিন্তু এই ব্যক্তিগত পুজিপতি সকলে তেওঁ-লোকৰ আচল লাভৰ অংশটোৰ কথা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰক নেদেখুৱাই। সেই কাৰণে মই কব খুজিছো যে ১৯৭৬ চনত দেখা গল যে ২৪২ মিলিয়ন কিলোগ্ৰাম চাহ উৎপাদন কৰি ২৯৪ কোটি বৈদেশীক মুদ্ৰা অৰ্জন কৰিছে। তাৰ পিচৰ বছৰত দেখা গল ১৯৭৭ চনত তাতকৈ কম পৰিমাণৰ অৰ্থাৎ ২২০ মিলিয়ন কিলোগ্ৰাম চাহ বিক্ৰি কৰি বিদেশী মুদ্ৰা অৰ্জন কৰিলে ৫৫৬ কোটি টকা। এই যে বিৰাট পৰিমাণৰ ব্যৱধান সেইটো কিয় হবলৈ পালে। আগৰ বছৰ বেছি চাহ বিক্ৰী কৰি কম মুনাফা হল আৰু পিচৰ বছৰ কম চাহ বিক্ৰী কৰি বেছি মুনাফা হল। এই যে বিৰাট পৰিমাণৰ ব্যৱধান হবলৈ পালে তাৰ পৰা আমি এই-টোৰেই বুজিম যে এই পুজিপতি সকলে বিদেশৰ বজাৰত চাহৰ দাম কম কৰি দেখুৱাইছে। আৰু তাৰ ফলত চৰকাৰৰ যি লাভাংশ সেইটো কমকৈ পাইছিল। গতিকে আজি যদি এই শিল্প ৰাষ্ট্ৰিয়কৰণ কৰা যায় তাৰ ফলত এটা লাভ হব বুলি যি পৰিমাণৰ লাভ হব সেই আটাইখিনি বস্তু চৰকাৰৰ হাতলৈ আহিব। চৰকাৰ বা ৰাইজে জানিব পাৰিব যে কিমান উৎপাদন হৈছে। তাৰ ফলত প্ৰকৃত লাভা। লাভ জনাত সুবিধা হব আৰু ৰাজহ যি বৃদ্ধি পব সেইটো সকলোৰে দৃষ্টি গোচৰ হব। গতিকে মই কব খোজো যে এই শিল্প জাতীয়কৰণ কৰাত সম্পুৰ্ণ যুক্তিযুক্ততা আছে আৰু সেইটো মই পুনৰ বাৰ সমৰ্থন কৰিছোঁ। এইখিনিতে আৰু এটা কথাকোৱাৰ প্ৰয়োজন যে আমাৰ মাননীয় সদস্য। আলোৱাৰা চাহেবাই অলপ আগতে কৈ গৈছে যে চাহ শিল্প ৰাষ্ট্ৰিয়কৰণ কৰিলে সেই শিল্পৰ উৎপাদন কমি যাব আৰু ৰাষ্ট্ৰীয়কণৰ প্ৰতি থকা উৎসাহ নাইকীয়া হৈ যাব। আমাৰ দেশৰ সকলো ক্ষেত্ৰতে এনে ঘটনা

হৈ আহিছে। ব্যক্তিগত খণ্ডত যেতিয়ালৈকে শিল্প থাকে তেতিয়ালৈকে উৎপাদনবৃদ্ধি হৈ থাকে। আৰু যেতিয়াই সেই শিল্প চৰকাৰৰ হাতলৈ গুচি যাব তেতিয়া আৰু উৎপাদন কমি যায়। উদাহৰণ স্বৰূপে আমাৰ ৰাজ্যিক পৰিবহনৰ গাড়ী বিলাকৰ কথা কব পাৰোঁ। যেতিয়া গাড়ী বিলাক ব্যক্তিগত মালিকৰ হাতত থাকে তেতিয়া আমি দেখিবলৈ পাওঁ সেই গাড়ীয়ে যথেষ্ট ধন উপাৰ্জন কৰিব পাৰে। কিন্তু চৰকাৰৰ হাতলৈ যোৱাৰ লগে লগে উপাৰ্জন কমি যায়। শিল্পৰ ক্ষেত্ৰতো সেই একেই অৱস্থা। যেতিয়া শিল্প ব্যক্তিগত মালিকৰ হাতত থাকে তেতিয়ালৈকে লাভৰ হাৰ বৃদ্ধি পায় আৰু যেতিয়া চৰকাৰে লয় তেতিয়াই বহু অসুবিধাৰ সৃষ্টি হয়। এই ব্যৱস্থাৰ মূল কাৰণ কত? ইয়াৰ আচল কাৰণ কত সেইটো আমি নিশ্চয় উৎঘাটন কৰিব লাগিব। কিন্তু কবলৈ গলে আচলতে লাভ যথেষ্ট হয় কিন্তু বিফলতাৰ প্ৰধান কাৰণ হৈছে আমাৰ প্ৰশাসনীয় হেমাহি। এইটো কথা আমি লক্ষ্য কৰিব লাগিব যে ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগে লগে প্ৰশাসনীয় যি দুৰ্নীতি আছে সেই দুৰ্নীতিৰ পৰা শিল্পক মুক্ত কৰিব লাগিব। আমি ব্যক্তিগত শিল্পৰ ক্ষেত্ৰত কি হৈছে সেইটো ভালকৈ চাব লাগিব। ব্যক্তিগত খণ্ডৰ শিল্পবোৰে যেতিয়ালৈকে তেওঁলোকৰ মনোভাৱ সলনি নকৰে তেতিয়ালৈকে দেশৰ অৰ্থনীতি টনকীয়াল কৰিব পৰা নহব।

শিল্প ক্ষেত্ৰত এটা কথা কব খুজিছো ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগে লগে প্ৰসাশন ভূমিকাত উপযুক্ত প্ৰতিনিধি দিব লাগিব। যি সকল আচল শ্ৰমিক সেই সকলক পৰিচালনাৰ ভাৰ দিব লাগে। তেতিয়হে দুঃনীতি নহব। আৰু প্ৰসাশন ঠিক থাকিব। আচল মাকেহে সন্তানৰ আচল ভূমিকা গ্ৰহণ কৰিব পাৰে। ঠিক তেনেকৈ প্ৰকৃত শ্ৰমিকেহে আচল ভূমিকা গ্ৰহণ কৰিলে অৰ্থাত পৰিচালনাত অংশ গ্ৰহণ কৰিব লাগিব। আৰু যি সকল বাহিৰৰ পৰা আছে তেওঁলোকৰ লগত যোগ দি তেওঁলোকৰ

মাজত আদৰ্শ বোধ আমি জন্ম দিব লাগিব। এই ধৰণৰ কাম যদি কৰিব পৰা নাযায় তেনেহলে অকল ৰাষ্ট্ৰীয়কৰণ কৰিলে বৰ বেছি লাভ বান হব নোৱাৰিম। এই ধৰণৰ কাম চৰকাৰে আৰম্ভ কৰিলে নহব ভাব কাৰণে বাহিৰা অনুস্থান, জনসাধাৰণৰ অনুস্থান সকলো অনুস্থানেই সহায় কৰিব লাগিব। প্ৰথমতে এই ধৰণৰ অনুস্থানৰ সূচনা কৰিব লাগিব চৰকাৰে। যদি এইটো কৰিব পৰা যায় তেনেহলে আমাৰ চাহশিল্প, তেলশিল্পৰ ৰাষ্ট্ৰীয়কৰণকৰাৰ আচল উদ্দেশ্য পূৰণ হব। শ্ৰমজীৱি জনসাধাৰণৰ উন্নতি কৰি আৰু সমগ্ৰ ৰাজ্য খনত উন্নতি সাধন কৰাৰ লক্ষ্য হাছিল কৰিব পৰা সম্ভৱ হব। গতিকে মই সদৌ শেষত চাহ শিল্প আৰু তেল শিল্প ৰাষ্ট্ৰীয়কৰণ কৰাৰ প্ৰতি সমৰ্থন জনাই মোৰ ব্যক্তব্য সামৰণি মাৰিলো।

শ্ৰী হেমেন দাস—উপাধ্যক্ষ মহোদয়, জয় জয়তে মই এই প্ৰস্তাৱৰ উত্থাপক মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীক ধন্যবাদ জনাইছো। মোৰ ভাল লাগিছে যে সদনৰ বিভিন্ন আসনত বহা সদস্য সকলে এই প্ৰস্তাব-টোলৈ সমৰ্থন আগবঢ়াইছে। চাহ অসমৰ এটা অতি গুৰুত্বপূৰ্ণ শিল্প। ইয়াতেই আটাইতকৈ বেছি শ্ৰমিক নিয়োগ হৈ আছে। প্ৰচুৰ মুনাফাহৈ আছে। কিন্তু লাভবান হৈছে কেইজনমান দেশী বিদেশী মালিক।

চাহ, তেল, কয়লা, আদি জাতীয়কৰণ কৰাৰ প্ৰস্তাবৰ সমৰ্থনত মাননীয় সদস্য কেইজন মানে মতপ্ৰকাশ কৰিছে যে জাতিয়কৰণ কৰাৰ পিছত উৎপাদন কমিব, লোকচান হব, যিদৰে অন্যান্য জাতীয়কৃত উদ্যোগ বোৰত দেখা গৈছে। এই প্ৰসঙ্গত মই কব খোজো যে পুঁজিপতি সকলে ৰাজহুৱা খণ্ডৰ উদ্যোগ বিকাশত সদায় বাধা দিয়া স্বাভাৱিক। চক্ৰান্ত মূলক কাৰ্য্যৰ দ্বাৰা তেওঁলোকে প্ৰমাণ কৰিব বিচাৰে যে ৰাজহুৱা খণ্ডতকৈ ব্যক্তিগত উন্নতি, লাভজনক, অৰ্থাৎ পুজিবাদ ভাল। আমাৰ

প্ৰশ্ন—আমি কোন পথে যাম—সমাজতন্ত্ৰৰ পথে নে ধনতন্ত্ৰৰ পথে। উৎপাদনৰ অধিকাৰ কেইজনমান ব্যক্তিৰ হাতত পৰি ধনতন্ত্ৰবাদৰ অবাধ লুণ্ঠণ চলাই যাব দিলে দেশৰ দুৰ্গতি আৰু বাঢ়িব। গতিকে ক্ৰমান্বয়ে জাতীয় কৰণৰ পথত অগবাঢ়ি সমাজতন্ত্ৰৰ পথত খোজ দিয়াৰ সময় আহিছে।

উপাধ্যক্ষ মহোদয়, জাতীয়কৰণ কৰিলেই জাতিৰ স্বাৰ্থ সম্পূৰ্ণ ৰক্ষা হব সেইটো সম্ভব নহয়। ভাৰতৰ ১৪ টা বেংক আৰু জীৱন বীমা জাতীকৰণ কৰা হৈছে। ইয়াৰ সুফল জন সাধাৰণে ভোগ কৰিব পৰা নাই। জীৱন বীমাৰ শতকৰা ৮২ টকা ধাৰলৈ দিয়া হয় ভাৰতৰ বৃহৎ পুজিপতি সকলক, আৰু মাত্ৰ শতকৰা ১৮ টকাৰ ঋণ আগবঢ়োৱা হৈছে সৰুসুৰা ব্যৱসায়ী আৰু খেতিয়ক সকলক। সেইদৰে জাতীয়কৃত বেংক বোৰৰ পৰা শতকৰা ৭৩ টকা ঋণ আগবঢ়োৱা হৈছে বৃহৎ পুজিপতি গোষ্ঠীক আৰু শতকৰা ২৭ টকা ঋন দিয়া হৈছে সৰুসুৰা ব্যৱসায়ী আৰু খেতিয়কক। দেখা গৈছে যে জাতীয়কৰণৰ পিছতো সৰ্ব্বসাধাৰণ ৰাইজে সুযোগ সুবিধা কমকৈ পাইছে। ইয়াৰ প্ৰধান কাৰণ ৰাষ্ট্ৰৰ চৰিত্ৰ। ভাৰত ৰাষ্ট্ৰ হৈছে পুজিপতি জমিদাৰৰ ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰৰ দ্বাৰা পুজিপতি জমিদাৰৰ স্বাৰ্থহে ৰক্ষা হয়। সৰ্ব্বসাধাৰন ৰাইজে সকলো সুযোগ সুবিধা পাবলৈ হলে ৰাষ্ট্ৰৰ পৰিবৰ্ত্তন অপৰিহাৰ্য্য।

পুজিপতি জমিদাৰৰ ৰাষ্ট্ৰৰ ঠাইত শ্ৰমিক শ্ৰেণীৰ ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা নকৰিলে সৰ্ব্বসাধাৰণে সুযোগ সুবিধা পাব নোৱাৰে। এই পৰিবৰ্ত্তন শান্তিপূৰ্ণ ভাবে হোৱা বাঞ্চা কৰো যদিও সেইটো সম্ভব নহবও পাৰে কাৰণ মালিক শ্ৰেণীয়ে স্বেচ্ছাই নিজৰ সম্পতি জনসাধাৰণৰ স্বাৰ্থত ত্যাগ কৰাৰ উদাহৰণ বিশ্বত নাই। তেনেস্থলত শ্ৰমিক শ্ৰেণীয়ে বলপ্ৰয়োগ কৰিও ৰাষ্ট্ৰ ক্ষমতা দখল কৰিব লগা হব পাৰে। শ্ৰমিক শ্ৰেণীৰ ৰাষ্ট্ৰ

প্ৰতিষ্ঠা হলেহে ৰাষ্ট্ৰীয় কৃত সংস্থা বা উদ্যোগৰ পৰা জন সাধাৰণ উপকৃত হব ।

উপাধ্যক্ষ মহোদয়, অসমত ৭৫৬ খন চাহ বাগিছা আছে। আচৰিত কথা স্বাধীনতাৰ ৩২ বছৰ পিছতো ১০৪ খন চাহ বাগিছা ইংৰাজ মালিকৰ হাতত আছে। চাহ খেতিৰ মাটিৰ শতকৰা ৩৮ ভাগ এওঁলোকৰ হাতত আৰু উৎপাদনৰ শতকৰা ৫৪ ভাগ এওঁলোকৰ ( ইংৰাজৰ ) ।

চাহ শিল্প জাতীকৰণ কৰিব যাওতে একেকোবে সকলো বাগান জাতীকৰণ উচিত নহব। ধাপে ধাপে আগবঢ়া উচিত। প্ৰথমে জাতীয় কৰণ কৰিব লাগে বিদেশী মালিকানাধীন ১০৪ চাহ বাগনতাৰ পিছত ভাতৰতীয় বৃহৎ পুজিৰ বাগিছা। বৰ্ত্তমান অবস্থাত সৰু সৰু চাহ বাগান জাতীয়কৰণ কৰাৰ কোনো প্ৰয়োজত নাই ।

তেল শিল্পটো আজি সাম্ৰাজ্যবাদী শোষণ বৈ আছে। কংগ্ৰেছে ৩১ বছৰেও এই শিল্প জাতীয়কৰণ নকৰি বিদেশীৰ শোষন অব্যাহত ৰাখিলে। দেশৰ স্বাৰ্থৰ কাৰণে এই শিল্প জাতীয়কৰণ কৰিবই লাগিব।

উপাধ্যক্ষ মহোদয়, আজিৰ জনতা চৰকাৰৰ একাংশই এসময়ত চাহ তেল শিল্প জাতীয়কৰণ বাবে আন্দোলন কৰিছিল। তেওঁলোক আজি কেন্দ্ৰ আৰু ৰাজ্য শাসনৰ অংশীদাৰ। জাতীয়কৰণৰ দ্বাৰা দেশৰ অৰ্থনীতি স্বাধীনশীল কৰিবলৈ আগবাঢ়ি অহা উচিত । এই প্ৰস্তাব গ্ৰহণৰ পিচত অসমৰ ইমুৰৰ পৰা সিমুৰলৈ বিদেশী আৰু দেশী বৃহৎ পুজিৰ হাতত থকা চাহ-তেল শিল্পক জাতীয়কৰণৰ বাবে জনমত গঠন কৰি আন্দোলন গঢ়ি তোলাৰ দায়িত্ব জনতা চৰকাৰে লব লাগে। প্ৰচণ্ড

গনআন্দোলনৰ দ্বাৰাহে অসমৰ বুকুত থকা বিদেশী শোষন বন্ধ কৰিব পৰা যাব ।

আকৌ এবাৰ মাননীয় সদস্য শ্ৰী গোস্বামীক্ ধন্যবাদ দি মোৰ বক্তৃতাৰ সামৰনি মাৰিলোঁ ।

*শ্ৰীভবেন শইকীয়াঃ—উপাধ্যক্ষ মহোদয়, আজি শিল্প জাতীয় কৰণৰ যি প্ৰস্তৱ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীয়ে ডাঙি ধৰিছে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো । এই প্ৰস্তাৱটো কিছু সংশোধিত আকাৰত অহা হলে ভাল আছিল । শ্ৰমিক জনসাধাৰণৰ উন্নতি সাধন কৰিবলৈ আৰু লগে লগে দেশখনৰ অৰ্থনৈতিক উন্নতি সাধন কৰিবলৈ আমাৰ যিখিনি ব্যক্তিগত শিল্প আছে সেই সকলো বিলাককে জাতীয়কৰণ কৰাটো নিতান্তই বাঞ্চনীয় । এই সম্পৰ্কে মোৰ অকনো সন্দেহ নাই । ৰাষ্ট্ৰীয় কৰনৰ বিষয়ত কোনো সমাজবাদী মাত্ৰেই বিৰোধীতা কৰিব নোৱাৰে । কিন্তু ইয়াত আমি তেল শিল্পৰ কথা কৈছো । লগতে চাহ শিল্প আৰু গোটেই শিল্প বিলাকৰ কথা এই প্ৰস্তাৱত উথাপন কৰা হৈছে । বাকী কিছুমান ৰাষ্ট্ৰীয় কৰন হলেও তাৰ একোতাংশ বিদেশী পূজিপতিয়েই লৈ গৈছে । সেই বিলাকৰ বাবে বিভিন্ন সময়ত আমি আন্দোলন কৰি আহিছো । শিল্পত যিখিনি জাতীয়কৰণ হল- তাৰ পৰা পোৱা আমাৰ অভিজ্ঞতা ভুল নহয় । যি হওক এতিয়া কথা হল যে-এই আটাইবিলাক জাতীয়কৰণ হব লাগে । কিন্তু আমি আমাৰ এই সদনত জাতীয় কৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰো । কাৰণ সেইটো সিদ্ধান্ত ৰাষ্ট্ৰীয় পৰ্য্যয়তহে হব । মাননীয় সদস্য

* Sp.ech not Correctd

শ্ৰীঅতুল গোস্বামী ডাক্তৰীয়াই এই প্ৰস্তাৱটো লৈ কেন্দ্ৰীয় চৰকাৰক ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ আহ্বান কৰিব লাগে বুলি কৈছে । কিন্তু এই প্ৰস্তাৱটো আনিবলৈ আমি চিন্তা কৰিব লাগিব । আটাইবিলাক শিল্পৰ ভিতৰত অতি প্ৰয়োজনীয়খিনিহে আমি ৰাষ্ট্ৰীয় কৰণ কৰিব লাগে । ৰাষ্ট্ৰীয়কৰণেই যদি কৰিব লাগে তেতিয়াহলে আমি আটাইবিলাককে একে কোবে গিলি পেলাব নোৱাৰো। কাৰণ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে আমি পৰ্য্যাক্ৰমেহে জাতীয় কৰণৰ ব্যৱস্থা লব লাগিব ।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত অৱশ্যে তেনে চাহ শিল্পৰ কথা কৈছে। অসমত যথেষ্ট চাহ উৎপন্ন হয় আৰু চাহৰ বহুতো বাগান আছে । আৰু বহুতো চাহবাগান বিদেশী কোম্পানীৰ হাতত আছে সেইবিলাকক অগ্ৰাধিকাৰ দিয়াৰ কথা তেখেঁতে উৎথাপন কৰিছে । মইও এই বিষয়ে একমত। আনহাতে আটাইকেইটা শিল্পৰ ভিতৰতে যদি কেৱল চাহ শিল্পৰ ৰাষ্ট্ৰীয়কৰণৰ কথা আহিলেহেতেন তেতিয়াহলে ভাল আছিল । মহোদয়, এই কাৰণেই মই কব বিছাৰিছো যে, সবাতোকৈ চাহশিল্পই অসমৰ কাৰণে উল্লেখযোগ্য শিল্প। ইয়াৰ পৰা বিদেশী কোম্পানী বিলাকে যথেষ্ট পায়। আনহাতে এই শিল্পত বেছি শ্ৰমিক নিয়োজিত হৈ আছে। আমাৰ ইয়াত চাহৰ বাগান প্ৰায় ৭৫৬ খন মান আছে । কিন্তু এই বাগান বিলাকত কৰ্ম্মচাৰী আৰু মজদুৰৰ সংখ্যা প্ৰায় ৫ লাখ হব। ইয়াৰোপৰি কেজুৱেল লেবাৰো বহুতো আছে । গতিকে মই ভাবো যে মুঠতে প্ৰায় ৭ লাখ মান লেবাৰ আছে । আজি এই লোক সকলে শিল্পৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰি চলি আছে। অজি এই শিল্প ৰাষ্ট্ৰীয়-কৰণ নোহোৱাৰ ফলতেই আৰু বিদেশী কোম্পানীৰ হাতত থকাৰ কাৰণেই

আজি আমি তাৰ পৰা লাভবান হোৱা নাই। আয়ৰ ফালৰ পৰাও ক্ষতি হৈছে । আনহাতে এই কোম্পানী বিলাকে বাগানৰ কাৰণে ভালেখিনি মাটি লৈ বাগানৰ বাবে ব্যৱহাৰ কৰিছে কিন্তু দেখা গৈছে যে, বহুতো বাগানে চাহৰ পৰা উৎপাদন নকৰা বাগানৰ মাটিবিলাক এনেয়ে পেলাই ৰাখিছে । এতিয়া দেখা পাইছে যে, চাহ বাগান বিলাকৰ মাজত এনে ধৰণৰ মাটি পৰি আছে যিবিলাকত ধান আদি বা অন্যান্য খেতি ভালধৰণে হয়, আৰু এইবিলাক খেতি কৰিবৰ কাৰণে অতি উপযুক্তত মাটি। আজি কোম্পানী বিলাকৰ মালিক সকলে সেই মাটি এৰি দিয়া নাই । নানা অজুহাত দেখুৱাই সেই মাটি এনেয়ে পেলাই ৰাখিছে । গতিকে আমাৰ ৰাজ্যত চাহশিল্পৰ সম্প্ৰসাধাৰণৰ কাৰণে চেষ্টা কৰিব লাগে আৰু চাহবা-বাগানৰ মাজত যিবিলাক মাটি পৰি আছে সেইবিলাক অন্যান্য খেতি কৰাত ব্যৱহাৰ কৰিবলৈ চাব লাগে। আনহাতে এই চাহবাগান বিলাকত কৰ্ম্মচাৰী আৰু বনুৱাই কাম কৰিছে সেইসকলেও আজি তেওঁলোকৰ প্ৰাপ্য হেৰুৱাই থাকিবলগা হৈছে। আজি যদি এই চাহ বাগান বিলাক ৰাষ্ট্ৰীয়কৰণ হলহেতেন তেনেহলে আমাৰ বনুৱা সকলে পাবলগা প্ৰাপ্যৰ পৰা কেতিয়াও বঞ্চিত নহলহেতেন। আজি আমাৰ বনুৱা সকলক শিক্ষাৰ ক্ষেত্ৰত বহুতো পিচ পেলাই ৰখা হৈছে । আজি কিছু বছৰৰ আগতে এনে এটা অৱস্থা অছিল যত চাহ বাগানৰ মাজেদি যাওতে চাটি জপাই যব লাগিব আৰু হাতত লাঠি লৈ যাব নোৱাৰে । কিছুদিনৰ আগলৈকে এই নিয়ম প্ৰৱৰ্ত্তন হৈ আছে । তেওঁলোকৰ কোনো স্বাধীনতা নাই । আজি চৰকাৰে মদ নিবাৰণৰ কাৰণে প্ৰচেষ্টা চলাইছে । অৱশ্যে আজি বনুৱা সকলৰ মাজতো এটা সচেতনতা আহিছে । আৰু বনুৱা সকলৰ এচামে যি সকলে আজি শিক্ষা দীক্ষাৰ পোহৰ পাইছে, সেইসকলে আজি এই বিদেশী কোম্পানীৰ হাতৰ পৰা বনুৱা সকলৰ মুক্ত কৰিবৰ কাৰণে চেষ্টা কৰিছে । কিন্তু আমি দেখিবলৈ পাইছো যে, যি সকল

মালিকে দেখা দেখিকৈ নকৰিলেও পৰোক্ষ ভাবে তেওঁলোকৰ ইন্ধন যোগাইছে। আজি কিছুমান বাগিছাত চুলাই মদৰ ঘাটি বহিছে, সেইবিলাক কোনোবা মানুহে ঘাটি পাতিছে? মই তুখনমান বাগানৰ ফেকথা জানো সেই বাগান বিলাকৰ বনুৱা সম্প্ৰদায়ৰ লোকে সেইবোৰ বন্ধ কৰিবৰ কাৰণে চেষ্টা চলাইছে। কিন্তু আজিও বন্ধ কৰিব পৰা নাই কাৰণ মদৰ ঘাটি যিসকলে পাতিছে সেই সকলৰ এক্সাইজ বিভাগৰ লগত আদান প্ৰদান আছে। নগাও জিলাৰ চামগুৰি সমষ্টিৰ আমলখি বাগান আৰু কলিয়াবৰ চালনা বাগানৰ পৰা মদৰ ঘাটি উঠাই দিব পৰা নাই। আজি আমি এই বনুৱা সকলৰ উন্নতিৰ কাৰণে তথা আমাৰ ৰাজ্য উন্নতিৰ কাৰণে হলে চাবলৈ এই শিল্প বিলাক উন্নীতিকৰণ কৰিবৰ বাবে ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব। গতিকে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেচা দি হলেও এই কাৰণ সমূহ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে পৰ্য্যয় ক্ৰমে এই বাগান বিলাক ৰাষ্ট্ৰীয়কৰণৰ কাৰণে দিহা কৰিব লাগে। মই আৰু বেছি নকও। এই সকলোবিলাক শিল্প অৰ্থাত, অসমত যিমান বিলাক শিল্প আছে সেই সকলোবিলাককে যদি ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ প্ৰস্তাৱ লোৱা হয় তেনেহলে প্ৰতিটো শিল্পতে গুৰুত্ব কম হব। গতিকে এটা এটাকৈ যদি পৰ্য্যক্ৰমে আলোচনা কৰিলে ভাল হয় আৰু চাহ শিল্পতো প্ৰধানকৈ ৰাষ্ট্ৰীয়কৰণ কৰাৰ কথাটো আমি বাঞ্চা কৰো।

শ্ৰীগোলক ৰাজবংশী:— তেখেতে প্ৰস্তাৱটো বিৰোধিতা কৰিছেনে নাই শমৰ্থন কৰিছে?

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া:— বিৰোধিতা কৰাৰ কথা তেখেতে ক'ত পালে?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, তিনিটা শিল্প চাহ, তেল আৰু কয়লা ৰাষ্ট্ৰীয় কৰণৰ কাৰণে মাননীয় সদস্য শ্ৰী অতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰিছো। এই তিনি সোন কলা সোন সেউজীয়া সোন আৰু তেল সোন আমাৰ দেশত উৎপন্ন হয় কিন্তু বৰ আচৰিত কথা এই শিল্পবোৰৰ গোটেইবিলাকৰে হুকুম হয় বাহিৰৰ পৰা। সকলো পায়ো একো নোপোৱা দৰে সেইফালৰ পৰা চাবলৈ গলে সচাকৈ চাহ তেল আৰু কয়লা ৰাষ্ট্ৰীয়-কৰণ অতি আৱশ্যক। বিশেষকৈ অসমত চাহৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু স্থান অধিকাৰ কৰিছে বাহিৰা দেশে। আজি যিবিলাক ড়াঙৰ ডাঙৰ কোম্পানী আছে চাহৰ বৃটিশ আমেৰিকান কোম্পানী বিলাকে আমাৰ বাগান বিলাকৰ মজদুৰ ভাই সকলক দাসত্ব হিচাবে ব্যৱহাৰ কৰা প্ৰমান আছে। তেওঁলোকৰ আজি শিক্ষাৰ সুবিধা নাই; মহে খাইছে অৱস্থা নাই, মজদুৰ ভাই সকলৰ ইমান কষ্টৰপাচতো মালিক সকলে ফুটি ফাটা কৰি থাকে। তেওঁলোক আজিও শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। আনহাতে আমি মালিক সকলে চাহৰ নামত যিবিলাক মাটি লৈ আছে আজি বিভিন্ন সদস্য সকলে কৈছে তেওঁলোকে সেই মাটি বেলেগ কামত খটুৱাইছিল। আচৰিত কথা চিলিং আইনে মাটি লোৱাৰ ভয়ত তেওঁলোকে চাহৰ খেতিৰ অজুহাতত বিভিন্ন ধৰণৰ খেতি কৰিছে। গতিকে আমাৰ দেশত যিবিলাক দেশী সৰু সৰু চাহ কোম্পানী আছে সেই বিলাকক বাদ দি যিবিলাক ডাঙৰ ডাঙৰ বিদেশী কোম্পানী আছে সেইবিলাক জাতীয়কৰণ কৰিব লাগে।

তেলৰ কথা ২—৩ জন বন্ধুৱে কৈছে, তেল ৰাষ্ট্ৰীয়কৰণ কৰাৰ এটা অংশ হোৱাৰ পাচত অইল ইণ্ডিয়া কোম্পানীয়ে বিভিন্নধৰণৰ দুৰ্নীতিয়ে কৰিছে। আৰু প্ৰকৃততে যিসকল লোকে ক্ষতিপূৰন পাবলাগিছিল সেই

ক্ষতিপুৰণৰ নপোৱা ক্ষেত্ৰতো বহুত দুৰ্নীতি দেখা যায়। আপুনি জানিলে আচৰিত হব কয়লা ৰাষ্ট্ৰীয়কৰণ হোৱাৰ পাচত (আংশিকভাবে) চতুৰ্থশ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ কিছু লাভ হৈছে আৰু তেওঁলোকৰ দৰমহাও বাঢ়িছে। আনহাতে এই উদ্যোগ ৰাষ্ট্ৰীয়কৰণ হলে আমাৰ নিবনুৱা যুৱক সকলেও চাকৰি পাব। কিন্তু বৰ্ত্তমান যিটো দেখা গৈছে এই উদ্যোগ বিলাকত আমাৰ স্থানীয় ডেকা গাভৰুৱে কোনো সুবিধা নাপায়। আমাৰ দেশত চাকৰী ওলাই আকৌ সেই চাকৰী দিবৰ কাৰনে হুকুম বাহিৰৰ পৰা আহিব লাগে। গতিকে জাতীয়কৰণ কৰিবলৈ যাওঁতে আমি চাব লাগিব যাতে আমাৰ লৰা ছোৱালীয়ে এই উদ্যোগ বিলাকত চাকৰী পাব পাৰে। আনহাতে ইতিমধ্যে আমি যিখিনি ৰাষ্ট্ৰীয়কৰণ কৰিব বিচাৰিছে তাত দেখা গৈছে যে আচল টোপোলাটো তেওঁলোকে নেৰে। গতিকে ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ লওতে যাতে তেওঁলোকে সম্পত্তিৰ আচল টোপোলাতো লৈ নাযায় সেইটোলৈ লক্ষ্য ৰাখিব লাগে। আজি বাগান বিলাকত মজদুৰভাই সকলে সকলোপিনৰ পৰা পাচ পৰি গৈছে আৰু তেওঁলোকে নায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। উপাধ্যক্ষ মহোদয় আপুনি শুনিলে আচৰিত হব এই মজদুৰ সকলক বোনাচ দিয়ে কিন্তু তেওঁলোকে টিপ চহী কৰে গতিকে পঢ়ি চাব নোৱাৰে কিমান পাইছে। এই চতুৰ্থশ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ অৱস্থা আৰ্থিক বৰ বেয়া লিখা পঢ়া নাই আৰু বৃটিশ কোম্পানী বিলাকে তেওঁলোকক সদায় সেই পৰ্য্যায়তে ৰাখিবলৈ চেষ্টা কৰি আহিছে। গতিকে মাননীয় সদস্য গৰাকীকে যি প্ৰস্তাৱ আনিছে তেল কয়লা আৰু চাহ সেই তিনিটা ৰাষ্ট্ৰীয়কৰণ হব লাগে বুলি মই পৰামৰ্শ আগবঢ়াই আৰু লগে লগে সেই উদ্যোগ বিলাকৰ মুখ্য কাৰ্য্যালয় আমাৰ ইয়াত হব লাগে বুলি দাবী জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীৰবীন মালাকৰ :— তেখেতে বক্তৃতাত জাতীয়কৰণ কৰাৰ পাচত

লোকচান ভৰা বুলি কৈছে, কি জাতীয়কৰণ কৰাত লোকচান হ'ল সদস্য গৰাকীয়ে জনাব নে?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— তেল কয়লা ইত্যাদি আংশিকভাবে যি জাতীয়কৰণ কৰা হৈছে সেই জাতীয় কৰণৰ কথা কৈছো।

Shri Fakrul Islam—Mr. Deputy Speaker, Sir, I rise to support the resolution moved by the hon'ble member Shri Atul Goswmi. Here in Assam, we find the people are living in poverty in the midst of plenty. There are plenty of natural resources, which if utilised, for the proper economic development of the people, will bring radical change in the standerd of living of the people. But unfortunately in spite of the existence of those natural resources the people are still living as one of the most backward State of India. Here, both State income and per capita income is lower then other States. Sir, the most significant role is played by the Tea industry in the State. It employs............

Mr. Deputy Speaker—Order, order. The hon'ble member will resume his speech on the next private Members' Day. The House stands adjourned till 10 A.M., on Monday the 2nd April, 1979.

## ADJOURNMENT

The House then rose at 5 p.m. and stood adjourned till 10 A.m. on Monday, the 2nd April, 1979.

DISPUR :
The 31st March, 1979

P. D. BAUA
Secretary
Assam Legislative Assembly.